নভেম্বৰ 2011 ▪ ₹ 20/-

চান্দমামা

Mumbai Edition

EACH POWER CAN BE UNLOCKED BY EATING THEIR FAVOURITE POPPINS. 10 POWERS: SHAPE SHIFTER- GREEN APPLE, SPEED-MANGO, FLIGHT-ORANGE, GIANT-WATERMELON, STRENGTH-RASPBERRY, SHRINK-LYCHEE, INVISIBLE-PINEAPPLE, STRETCH-MUSK MELON, FISSION-BLACK CURRANT, FORCE FIELD-GUAVA.
RECAP: RAM AND SHYAM RESCUE AN ALIEN - ZAPTOGAARR, WHAN HIS SPACESHIP CRASHES TO EARTH. IN RETURN HE GIFTS THEM THE DEKATRIX, A POWERFUL GADGET WITH 10 POWERS.
PARLE
POPPINS
Doon Kya?
Ram and Shyam
ক'লা গহ্বৰ
খণ্ড-1
এই আশ্চৰ্যকৰ শক্তিসমূহৰ ৰহস্য উদ্ঘাটন কৰিবলৈ ভিজিট কৰা
http://www.parleproducts.com/brands/parlepoppins
আৰু www.chandamama.com//parle/index.php?pHcId=11
এজ্জ্লোৰ লগত ৰাম আৰু শ্যামক লৈ তাইৰ নতুন, অপূৰ্ব মহাকাশযানখনত উঠি মহাকাশ যাত্ৰাত ওলাল।
বাৰু কোৱাঁচোন, মোৰ এই নতুন মহাকাশযানখন ভাল লাগিছেনে? বেলাট্ৰিক্সিয়ানসকলে এইখন মোক উপহাৰ দিছে।
বেলাট্ৰিক্সিয়ান বিলাকনো কোন?
বেলাট্ৰিক্স গ্ৰহৰ বাসিন্দাসকল, ই হ'ল মহিলা মুখিয়াক নকলৰ গ্ৰহ।
হঠাতে বাহকখনত কিবা এটা বিস্ফুতি ঘটিল আৰু তেওঁলোকক এটা ক'লা গহ্বৰৰ ভিতৰলৈ কিহবাই টানি লৈ গ'ল। ৰাম আৰু শ্যাম হাতত বান্ধি ৰখা ডেকাট্ৰিক্স ক'লা গহ্বৰৰ বাহিৰত খোল খাই ছিটিকি পৰিল।
কি হৈছেনো? মোৰ ডেকাট্ৰিক্সটো খোল খাই পৰি গ'ল।
কেই মিনিট মানৰ পাছত তেওঁলোক সেই গহ্বৰৰ আনটো ফালে পালেগৈ। কিন্তু তেওঁলোকক বয়সস্থ যেন দেখা গ'ল।
তুমি বাৰু ৰামেই হোৱা, মই তোমাক চিনিবই পৰা নাই।
চোৱাঁ, হাতীপটিৰ পৰা পৃথিৱীখন নোহোৱা হৈ পৰিল।
শ্যাম, তোমাকতো তোমাৰ আংকলৰ দৰে দেখাইছে।
এগ প্ৰাহলিকাময় স্থিতিৰ কাৰণনো কি তাক জানিবলৈ তেওঁলোক তিনিও আৰ R-22 গেলেক্সীত থকা এজ্জ্লোৰ ঘৰ পালেগৈ, জবাটোৰ আশ্ৰয়ণি জনালে।
এয়া বাৰু কি হৈছে জবাটো? পৃথিৱীখনৰ কি ঘটিল?
ওৱা, বেলাট্ৰিক্সিয়ানসকলে ইয়াক ধ্বংস কৰিলে। তোমাক উপহাৰ স্বৰূপে দিয়া মহাকাশযানখনত চুম্বকীয় শোষক বল আছে যি তোমালোকক ক'লা গহ্বৰৰ ভিতৰলৈ টানি লৈ গ'ল। ক'লা গহ্বৰৰ মাজেদি গলে মাত্ৰ কেই মিনিট মান যোৱা যেন লাগে, কিন্তু আচলতে ই তোমালোকক 25 বছৰ মান আগলৈ লৈ গ'ল।
আমাৰ পৰা তেওঁলোক বাৰু কি বিচাৰে?
ডেকাট্ৰিক্স! যিহেতু ডেকাট্ৰিক্সৰ অপৰিসীম শক্তি আছে, সেয়ে ই ক'লা গহ্বৰটি পাৰ হৈ বগ'ল?। সেয়ে বেলাট্ৰিক্সিয়ানসকলে ইয়াক বুটলি লব পাৰিলে। তেওঁলোকে এতিয়া নিজৰ স্বাৰ্থপৰ উদ্দেশ্য পূৰণ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰিব পাৰিব।
ৰাম আৰু শ্যাম পুনৰ ক'লা গহ্বৰৰ ভিতৰলৈ যাবলৈ আৰু নিজৰ ডেকাট্ৰিক্স ঘূৰাই আনিবলৈ সন্মত হ'ল।
আমি বিপদ মূৰ পাতি লব লাগিব, আমি আমাৰ পৃথিৱীখন ঘূৰাই বিচাৰো।
এজ্জ্লো লগত ওলাল।
আহাঁ একেলগে জাঁপ মাৰো। মোৰ টাইমাৰ অনুযায়ী, আমি সিফালে গলে সঠিকভাৱে 20 বছৰ আগলৈ পাছলৈ গুছি যাম।
তেওঁলোক টাইমাৰত সিফালে গৈ ওলাবলগীয়া এবছৰ নিৰ্ধাৰণ কৰি লালে যাতে তেওঁলোক 20 বছৰৰ অতীতৰ সেই দিনটোত উপস্থিত হ'বগৈ যিদিনা বেলাট্ৰিক্সিয়ানে পৃথিৱীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।
তেওঁলোকৰ মহাকাশযানখনক মহাকাশত পুনৰ দেখা গ'ল। ৰাম আৰু শ্যাম এইবাৰ কিশোৰ হৈ পৰিল। তেওঁলোক প্ৰথমে 25 বছৰ আগলৈ গ'ল আৰু তাৰপাছত 20 বছৰ পাছলৈ ঘূৰি আহিল। ইয়াৰ ফলত আচল বয়সতকৈ তেওঁলোক 5 বছৰ আগবাঢ়ি গ'ল আৰু এতিয়া তেওঁলোক এইদৰেই জীৱন কটাব লাগিব।
ডেকাট্ৰিক্সও আৰুকি ক'লা গহ্বৰৰ প্ৰভাৱৰ পৰা হাত সাৰিব নোৱাৰিলে।
ক্ৰমশঃ......
POPPINS
www.chandamama.com/parle/

উদীয়মান তাৰকা

প্ৰিয় খেলুৱৈ:
ভি আনন্দ, ধোনী, শচীন, গেৰী কাছপাৰভ, পি টি উষা আৰু আৰু অশ্বিন

প্ৰিয় কাৰ্টুন চৰিত্ৰ:
টম এণ্ড জেৰী

প্ৰিয় খাদ্য:
ঘৰত ৰন্ধা খাদ্য

আন প্ৰিয় খেলসমূহ:
সাততোৰ আৰু বাস্কেটবল

ৰাপ:
মুদ্ৰা সংগ্ৰহ, অধ্যয়ন

যদি আপুনি আপোনাৰ পৰিয়াল বা আপোনাৰ ওচৰ-পাজৰৰ কোনো শিশুক যুৱ তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ ঠিকনাৰ বিৱৰণ আমালৈ লিখি তলৰ ঠিকনাত প্ৰেৰণ কৰক:

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street,
Vadapalani, Chennai-26
(or)
online@chandamama.com

দবাখেলৰ খেলুৱৈ

নুৰায়ে অতি কম বয়সৰ পৰাই দবা খেলিবলৈ আৰম্ভ কৰে।

বয়সক চাই নুৰাইৰ সাফল্যৰ তালিকা বেছ দীঘল। অলপতে চেন্নাইত অনুঠিত হোৱা ৩য় আন্তজতিক গ্ৰেণ্ড মাষ্টৰছ অপেন দবা প্ৰতিযোগিতাত আন্তজতিক মাষ্টৰছ খিতাপ লাভ কৰে। ফিলিপাইনছত অনুষ্ঠিত হোৱা এছীয় যুৱ দবা প্ৰতিযোগিতাত তেওঁ ১৪ বছৰৰ শাখাত ৮ম স্থান লাভ কৰে। তেওঁ বিশ্ব যুৱ দবা প্ৰতিযোগিতাত ভিয়েটনামৰ শীৰ্ষ ছীডৰ খেলুৱৈক পৰাভূত কৰা একমাত্ৰ প্ৰতিযোগী আছিল। ২০০৮ চনত নুৰায়ে মুঠ ৫টা আন্তজাতিক পৰ্যায়ৰ মেডেল লাভ কৰে।

এতিয়ালৈকে তেওঁৰ খেলুৱৈ জীৱনৰ সবাতোকৈ সাফল্যজনক বছৰটো হ'ল ২০০৯। সেই বৰ্ষত তেওঁ এছীয় দবা প্ৰতিযোগিতাত ৯ বছৰৰ শাখাত অতি উৎকৃষ্ট মানৰ খেল প্ৰদৰ্শন কৰে। তেতিয়াৰে পৰাই নিজৰ প্ৰিয় খেলুৱৈ বিশ্বনাথন আনন্দক অনুসৰণ কৰি নুৰায়ে জীৱনৰ লক্ষ্য হিচাপে ঠিক কৰি লৈছে গ্ৰেণ্ড মাষ্টৰ উপাধি।

এইসমূহ পুৰস্কাৰৰ ওপৰিও নুৰাইৰ আলমীৰা অনেক কাপ, ট্ৰফীৰে ভৰি আছে, যিবিলাক তেওঁ নানা জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত লাভ কৰা।



আমি নুৰাইৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

নভেম্বৰ ২০১১ ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

Content Head - Online :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD.,
Published and Printed on their behalf by Prashant Sharad Muleker
Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093.
Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh.
Editor :- Prashant Sharad Mulekar

A

এই সংখ্যাত আছে

চান্দমামা

Volume-2 November 2011 Issue-11

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি - ১ ...০৯
* মোৰ স্মৃতি - ২ ...১০
* সদাগৰ বল্লাকৰৰ কাহিনী ...১১
* তীৰ্থযাত্ৰা ...১৭
* মূল্যৱান ...২১
* মিত্ৰ ভেদ - ২৪ ...২৫
* ভগৱানে দিয়া উপহাৰ ...২৮
* কৃপণৰ বুদ্ধি ...৩১
* প্ৰতিজ্ঞা ...৩৩
* জংঘলী কোন ? ...৩৫
* এটা মিছা কথাৰ মূল্য ...৩৯
* বুদ্ধিয়ক বৃদ্ধা ...৪২
* তানসেন ...৪৪
* জংঘলীৰ সাহস ...৪৮
* অমৃতধাৰা ...৫১
* বিশ্বাস ...৫৪
* শিথিলালয় - ২০ ...৫৫
* বুদ্ধিয়ক ৰামু আৰু চমু ...৬৩
* পণ্ডিত পুত্ৰ ...৬৪
* তই তই, মই মই ...৬৬
* উত্তম বৈদ্য ...৬৭
* মাচুল পৰিশোধ ...৭০
* মই কি হ'ব পাৰো ? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৪ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুঞ্জনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

মৰমৰ বন্ধুসকল,

আমি নৱেম্বৰ মাহত ভৰি দিলেও আমাৰ মনৰ পৰা দীপাৱলী উৎসৱৰ মিঠা স্মৃতি এতিয়াও সম্পূৰ্ণকৈ আঁতৰি যোৱা নাই। দীপাৱলী মানেই হ'ল নানা ধৰণৰ মিঠাই, আঁতচবাজী আৰু ফটাকা, বন্ধু-বান্ধৱৰ লগত হাঁহি-ধেমালি ইত্যাদি ইত্যাদি। মই নিশ্চিত যে আমি সকলোৱেই সেই আনন্দ উৎসৱ শেষ নোহোৱাটোৱেই বিচাৰিছিলো। আমি তোমালোকক দীপাৱলীৰ অভিজ্ঞতাক চিত্ৰৰূপ দি আমালৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ কৰো।

আমি প্ৰতিবছৰে পালন কৰাৰ দৰে এই বছৰো ১৪ নৱেম্বৰত নেহেৰু খুৰাৰ জন্মদিন পালন কৰিম। শিশুৰ প্ৰতি থকা তেওঁৰ মৰম-স্নেহৰ কথা সকলোৱেই জানে আৰু আমি সকলোৱেই সেই ভাৱনাৰে উদ্ধুদ্ধ হবলৈ চেষ্টা কৰিব লাগে। তেওঁৰ মাজত আমি আমাৰ প্ৰেৰণাৰ উৎস বিচাৰি পাও আৰু সি আমাক জীৱনৰ পথত লগ পোৱা নানা বিঘিনি আঁতৰাই লক্ষ্যৰ প্ৰতি আগুৱাই যাবলৈ প্ৰেৰণা দিয়ে। এই সংখ্যাত ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী নেহৰু খুৰাই আমাৰ চান্দমামালৈ প্ৰেৰণ কৰা শুভেচ্ছা বাণীক সোঁৱৰণ কৰাৰ সৌভাগ্য হৈছে। যিহেতু নৱেম্বৰ মাহতেই শিশুদিৱস পালন কৰি হয়, সেয়ে আমি আশাকৰো যে নেহৰু খুৰাৰ সেই শুভেচ্ছাই আমাক আগবাঢ়ি যাবলৈ সাহস আৰু প্ৰেৰণা যোগাব।

৯ নৱেম্বৰক 'বিশ্ব আবিষ্কাৰক দিৱস' হিচাপে গণ্য কৰা হয়। এইটো হ'ল আৱিষ্কাৰক আৰু হলিউদৰ অভিনেত্ৰী হেডি লমাৰৰ জন্মদিন। তেওঁ এগৰাকী ধনী অভিনেত্ৰী হিচাপে বিখ্যাত যদিও তেওঁৰ আৱিষ্কাৰে তেওঁক অমৰ কৰি তুলিলে, যি আবিষ্কাৰ এতিয়াও মোবাইল ফোনত ব্যৱহাৰ কৰা হয়। আমি এনেধৰণৰ বহুমুখী প্ৰতিভাধাৰী লোকৰ পৰা অনুপ্ৰেৰণা লাভ কৰিবলৈ চেষ্টা কৰিব লাগে। আমাৰ প্ৰত্যেকৰে মাজত একোজন আৱিষ্কাৰক লুকাই আছে। সেইবিলাক চিনাক্ত কৰি আমি তাৰ উচিত ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা দৰকাৰ।

আমি ইতিমধ্যেই আৰম্ভ কৰা মোবাইল সংস্কৰণ আৰু শ্ৰাব্য কাহিনীসমূহে যথেষ্ট সমাদৰ লাভ কৰিছে। আমি সেইবিলাকৰ সম্পৰ্কে তোমালোকৰ পৰা গঠনমূলক মতামতৰ আশা কৰিছো।

- সম্পাদক

পাঠকৰ পত্ৰ

আপোনালোকে চান্দমামাৰ কাহিনীসমূহৰ প্ৰকাৰ সলনি কৰাৰ সম্পৰ্কে আমাৰ মতামত বিচাৰিছিল। আমাৰ অনুৰোধ হ'ল- কাহিনীৰ ধৰণ আৰু প্ৰকাৰ সলনি নকৰাকৈ আমাক চান্দমামা সময়মতে দি যাওক। মানুহে 'চান্দমামা কাহিনী' বুলি কয়, কিন্তু 'চান্দমামা শীৰ্ষক' বুলি নকয়। আমি চান্দমামাক আনধৰণে কেতিয়াও কল্পনা কৰিব নোৱাৰো। আমাৰ মতে, চান্দমামাৰ শেষৰ ১২ পৃষ্ঠ অৰ্থহীন। বাৰে বাৰে আমি কেৱল কাহিনীহে বিচাৰো।

-ড. বিজয়া সাগৰ, সীতা, জৱাহৰ, গুন্টুৰ, অন্ধ্ৰপ্ৰদেশ

চান্দমামাৰ সকলো কাহিনীয়েই বৰ সুন্দৰ, কিয়নো ই মহাকাব্যিক কাহিনীও বহন কৰে। আমি সেইবিলাকৰ যোগেদি আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি তুলিব পাৰো। মই চুড়কু পাজ্‌ল বৰ ভাল পাও। বৰ্তমান সময়ত ইয়াক বাদ দিয়া হৈছে, যাৰ বাবে মই বৰ দুখ পাইছো। অনুগ্ৰহ কৰি চুড়কু পুণৰ প্ৰকাশ কৰক। যিসকলে ভাষা শিকিব বিচাৰে সেইসকলৰ বাবেও চান্দমামা বৰ সহায়কৰ। এই ধৰণৰ শিতান প্ৰকাশ কৰাৰ বাবে মই চান্দমামাক ধন্যৱাদ জ্ঞাপন কৰিছো। চান্দমামা দীৰ্ঘজীৱী হওক।

-এন গীতাঞ্জলী, বাংগালুৰু

চান্দমামা শিশুসকলৰ প্ৰিয় আলোচনী। সকলোতকৈ সুন্দৰ কথাটো হ'ল যে ই বহু কেইটা ভাৰতীয় ভাষাতেই উপলব্ধ। কেৱল সেয়াই নহয়, ই হ'ল ভাৰতৰ এখন অন্যতম পুৰণি শিশু আলোচনী। ইয়াৰ কাহিনীবিলাকে হৃদয় স্পৰ্শ কৰি যায়। মই নিশ্চিত যে মই এইখন আলোচনীৰ সোৱাদ চিৰজীৱন লাভ কৰি যাম।

-শুভদীপ, ঝাৰখণ্ড

মই চান্দমামাৰ এজন নিয়মিত পাঠক। এইখন এখন উৎকৃষ্টআলোচনী। মই ইয়াৰ কাহিনীসমূহৰ পৰা বহু নীতিকথা শিকিছো। ইয়াৰ কাহিনীসমূহ বৰ সুন্দৰ আৰু সেইবাবেই মই চান্দমামাক বৰ ভাল পাও। মই চান্দমামাৰ দীৰ্ঘজীৱন কামনা কৰিলো।

-ৰাকেশ পাল, ভদ্ৰাক, উৰিষ্যা

আগষ্টৰ ২৭ তৰিখেই চেপ্তেম্বৰৰ সংখ্যা লাভ কৰিলো। শ্ৰীবাপাই অংকন কৰা গণেশৰ ছৱি অতি সুন্দৰ। মই ভাৱো চান্দমামাই ইয়াৰ পুৰণা ঐতিহ্য আৰু পৰম্পৰা ধৰি ৰখাত সফল হৈছে। ইয়াৰ ভিতৰৰ কাহিনীসমূহো অতি সুন্দৰ।

-এ গোবিন্দ ৰাজুলু, বিশাখাপট্টম

শ্ৰী বাপাৰ বেটুপাটেৰে চেপ্তেম্বৰ মাহৰ চান্দমামা অতি সুন্দৰ হৈছে। বাপাই অংকন কৰা নানা চিত্ৰৰ ভিতৰত এইখন এখন অন্যতম সুন্দৰ চিত্ৰ। তাৰ পিছতে আমি বেতালৰ কাহিনীটোত শংকৰ গুৰুৱে অংকন কৰা সম্পূৰ্ণ পৃষ্ঠৰ চিত্ৰ দেখা পাইছো। সম্ভৱত, প্ৰথমবাৰৰ বাবে চান্দমামাই বেতাল কাহিনীত সম্পূৰ্ণ পৃষ্ঠৰ চিত্ৰ প্ৰকাশ কৰিছে। শংকৰৰ কল্পনা শক্তিৰ তুলনা নাই। বেতালৰ কাহিনীটোও অতি সুন্দৰ হৈছে।

- শবায়া, কৰিমনগৰ, অন্ধ্ৰপ্ৰদেশ

আমি সময়মতেই চেপ্তেম্বৰৰ সংখ্যা লাভ কৰিলো। সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, এই

সংখ্যাটোক বাদ দিলে, এতিয়ালৈকে চান্দমামাই কোনোদিনেই বেটুপাতৰ ছবিৰ অৰ্থ প্ৰকাশ কৰা নাছিল। বাপা হ'ল চান্দমামাৰ বাবে জীৱনী শক্তি। সেই একেটা কথাই প্ৰযোজ্য প্ৰৱীণ চিত্ৰকৰ শংকৰ গুৰুৰ ক্ষেত্ৰটো। আমি চান্দমামাত নতুন আৰু পুৰণা কাহিনীৰ সংমিশ্ৰণ দেখিবলৈ পাই বেছ সুখী। আমাৰ প্ৰিয় চান্দমামাই গোটেই ভাৰতকে যোৱা ৬০ বছৰ ধৰি কেৱল আমোদ দি অহাই নহয়, চিন্তাৰ খোৰাকো যোগাই আহিছে। পাঠকে এশ বছৰ বয়সলৈকে চান্দমামাৰ সোৱাদ লব বিচৰা কথাটো একেবাৰেই অযুক্তিকৰ বুলি কব নোৱাৰি।

- বি ৰাজেশ্বৰমূৰ্তি, চাইলাকালাপুৰী, অন্ধ্ৰপ্ৰদেশ

চান্দমামাই আমাৰ পৰিয়ালৰ লগতে সকলো বন্ধু-বান্ধৱক বৰ আমোদ দিলে। আমি সকলো কাহিনী বৰ ভাল পাইছো। এই সংখ্যাৰ সকলো কাহিনীয়েই এটাই আনটোৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিছে। আপোনালোকে আগষ্ট সংখ্যাত ধাৰাবাহিকসমূহকে ধৰি মুঠতে ১৯ কাহিনী প্ৰকাশ কৰিছে। ইয়াক আপোনালোকে জাৰী ৰাখক। আমি এক পৌৰাণিক ধাৰাবাহিক প্ৰকাশ কৰিবলৈ চান্দমামাক অনুৰোধ কৰো।

- এছ এছ ভি এল আৰ চি মহৰ্ষি, ৰংগৰেড্ডী জিলা, অন্ধ্ৰ প্ৰদেশ

চান্দমামাৰ কাহিনীসমূহ অতি সুন্দৰ। শ্ৰী ধুমলৰ উক্তি 'এবাৰ চান্দমামা পঢ়ি চোৱা, গোটেই জীৱন জুৰি পঢ়ি থাকিবা' বৰ সুন্দৰ। তাৰপিছত চেপ্তেম্বৰ মাহৰ 'মোৰ স্মৃতি' শিতানত শ্ৰীসোমশেখৰে কৈছে, 'মই মোৰ জীৱনৰ শেষ দিনলৈকে চান্দমামা পঢ়ি যাম।' এই কথা চান্দমামাৰ প্ৰতিজন পাঠকৰ ক্ষেত্ৰতেই খাটে বুলি মোৰ ধাৰণা হয়। এইধৰণৰ স্মৃতি প্ৰকাশ কৰাটো কেৱল চান্দমামাৰ ইতিহাসতেই নহয়, পাঠকৰ জীৱনতো সকলোতকৈ উল্লেযোগ্য ঘটনা।

-এ নাৰায়ণ ৰাও, অনন্তপুৰম, অন্ধ্ৰপ্ৰদেশ

চান্দমামাৰ বেটুপাটৰ শিং থকা ঘোঁৰাটো অতি আকৰ্ষণীয়। যদিও কাগজৰ মানদণ্ড চকুতলগা নহয়, বেটুপাটৰ চিত্ৰ বেছ চকুতলগা। পুৰণা ধৰণৰ কাহিনীবিলাকে আমাৰ পুৰণি দিনৰ কথা মনত পেলাই দিয়ে।

- ভি ৰামচন্দ্ৰ, ৰামজীনগৰ, নেল্লোৰ, অন্ধ্ৰপ্ৰদেশ

উৎসৱৰ দিন ওচৰ চাপি অহাৰ লগে লগে মোৰ চান্দমামালৈ মনত পৰে। বহুতো বাংলা আলোচনীয়েই বিশেষ দুৰ্গা পুজা সংখ্যা প্ৰকাশ কৰে। অৱশ্যেই মই সেইবিলাকৰ আনন্দ লও। যি কি নহওক, এই কথা কবলৈ মই সংকোচ নকৰো যে চান্দমামাৰ অক্টোবৰৰ সংখ্যাই ভাৰতবাসীৰ মাজত থকা ভাতৃত্ববোধক অধিক দৃঢ় কৰি তুলিব। মই যোৱা সংখ্যাৰ বেটুপাটৰ ছবি খুব ভাল পাইছো। আশাকৰো দূৰ্গা পুজাই সকলোলৈকে আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু চান্দমামায়ো কাহিনীৰ যোগেদি আমাৰ হৃদয়ত আনন্দৰ নিজৰা বোৱাই যাব। এয়াই মোৰ কামনা। সকলোলৈকে শুভেচ্ছা যাঁচি মই সামৰণি মাৰিছো।

- দেৱাশীষ ঘোষ, আনন্দপুৰী, বেৰেকপুৰ, কোলকাতা, ৭০০১২২

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!

Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex : ....

Address: ....

....

....

.... City: ....

State:.............................. Pin:..............................

Telephone:..

Mobile:..

Email:..

Subscription Number (for renewals):..............................

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..............................

Cheque/DD No ....

favouring Chandamama India Ltd on..............................

..............................bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		**Rs. 60**	**Rs. 135**	**Rs. 240**	**Rs. 375**
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		**Rs. 50**	**Rs. 110**	**Rs. 190**	**Rs. 300**
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		**Rs. 35**	**Rs. 80**	**Rs. 145**	**Rs. 225**

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি-১

১৯৫০ চনৰ মে মাহত মোৰ ভিনদেউ অধ্যাপক শৰ্মা লণ্ডনৰ পৰা আমাৰ ঘৰলৈ আহিছিল, কিয়নো সেইদিনটো আছিল মোৰ বিবাহৰ দিন। তেওঁ মোক বিয়াৰ উপহাৰ স্বৰূপে এখন ইংৰাজী উপন্যাসৰ লগতে এখন চান্দমামাও প্ৰদান কৰিছিল।

চান্দমামাখন পঢ়াৰ পিছত, মই পুৰণা কিতাপ বিক্ৰী কৰা বিজয়ৱাড়াৰ এখন দোকানৰ পৰা ১৯৪৭ চনৰে পৰা ১৯৫০ চনলৈকে প্ৰকাশিত হোৱা সকলো সংখ্যা কিনি আনিছিলো। তাৰপিছত সেইবিলাক একেলগে বন্ধাই পেলাইছিলো। এনেকৈ আৰম্ভণিৰ পৰাই এই আলোচনী মই পঢ়ি আহিছো। তেতিয়া ইয়াৰ মূল্য আছিল মাত্ৰ কেইটামান 'অনা' আৰু আজিৰ তাৰিখত চান্দমামাৰ মূল্য হ'লগৈ ২০ টকা। মই ইয়াৰ ডাঙৰ হৈ অহা কণ্যাৰ দৰে ভাৱো।

নাগী ৰেড্ডী গুৰু আৰু চক্ৰপানি গুৰুৱে ৰোপন কৰা এই আলোচনীখনৰ বীজ বৰ সুন্দৰভাৱে যত্ন লৈ ডাঙৰ কৰা হৈছে। এতিয়া ই বিকশিত হৈ ডালে-পাতে সুশোভিত এক বিশাল বটবৃক্ষলৈ ৰূপান্তৰিত হৈছে। ই দেশৰ ভিতৰতেই আবদ্ধ থকা নাই, বিদেশলৈকো বৃদ্ধি পাইছে। ই দেশৰ নানা মুখ্যমন্ত্ৰীৰ লগতে ৰাষ্ট্ৰপতিৰো শুভাশীষ লাভ কৰিছে। মোৰ যেতিয়া এবাৰ মাদ্ৰাজৰ কাদনবাকামত অৱস্থিত চান্দমামাৰ কাৰ্যালয়লৈ যোৱাৰ সৌভাগ্য হৈছিল, তেতিয়া চান্দমামাৰ কাৰ্যালয়ত প্ৰৱেশ কৰি মই অতি আচৰিত হৈছিলো। সেইদিনাই মই তাত বিখ্যাত তেলেগু গায়ক শ্ৰী ঘন্টাছালা গুৰুৰ লগত চিনাকি হৈছিলো। তেওঁ বিজয়া ষ্টুডিঅ'ৰ আগফালে থকা এজোপা তামোল গছৰ তলত থিয় হৈ আছিল আৰু চান্দমামাৰ কাৰ্যালয় সেই ষ্টুডিঅ'ৰ চৌহদতে আছিল।

Name: B.Rajeswaramurthy
Occupation: Rtd. Sub Registrar, Krishna (Dist)

মোৰ পত্নীয়ে চান্দমামা পঢ়ি বৰ ভাল পায়। মোৰ তৃতীয় পুত্ৰই 'সুন্দৰাকাণ্ড' বৰ ভক্তিভাৱেৰে পালন কৰে। তেওঁ তেতিয়া সেইসময়তে চান্দমামাত প্ৰকাশিত হৈ থকা 'সুন্দৰাকাণ্ড'ও দৈনিক পঢ়িছিল।

যদি ভগৱানে কৰে, মই চান্দমামা মোৰ এশবছৰ হোৱালৈকে পঢ়ি যোৱাটো কামনা কৰো। মোৰ দেউতাও ১০২ বছৰ জীয়াই আছিল। চান্দমামা আলোচনীখনে ইয়াৰ পাঠকসকলক নানা ধৰণৰ লোককথাৰ পৰা প্ৰযুক্তি সম্বন্ধীয় কাহিনীৰ মাজেৰে আনন্দ, জ্ঞান ইত্যাদি প্ৰদান কৰে। মই আশাকৰো যিমান দিনলৈকে আকাশত চন্দ্ৰমা জিলিকি থাকিব, সিমান দিনলৈকে মৰতত চান্দমামা জিলিকি থাকক। 'শুভম ভূয়ত' (ই বিকশিত হৈ উঠক)।

মই আশা কৰো যে মোৰ পুত্ৰ-কণ্যাসকল, তেওঁলোকৰ পৰিয়াল, নাতি-নাতিনী সকলোৱেই চান্দমামা পঢ়ি যাব আৰু মোৰ পৰা আৰম্ভ হোৱা এই পৰম্পৰাক সম্মানেৰে অটুত ৰাখিব আৰু লগতে সততাৰে জীৱন নিৰ্বাহ কৰিব।

চান্দমামা মোৰ দৃষ্টিত সবাতোকৈ সুন্দৰী ৰমণী, সৰগৰ অপ্সৰা। আঁচৰিত হও ভাবিলে, আমাৰ সম্বন্ধ আৰম্ভ হোৱা কিমান যে যুগ হ'ল।

মোৰ স্মৃতি-২

মোৰ শৈশৱ কালত মোৰ মায়ে মোক এখন চান্দমামা দেখুৱাই শুৱাবলগীয়া হৈছিল আৰু অলপ ডাঙৰ হোৱাৰ পিছত মই নিজেই হাতত চান্দমামা তুলি লব পৰা হৈছিলো। এই 'মামা' মোৰ নিজৰ তেজ-মঙহৰ মামাতকৈ কোনোগুণেই কম মৰমৰ নাছিল। আনকি মই মোৰ দেউতাকো বহু সময়ত মনোযোগেৰে চান্দমামা পঢ়ি থকা দেখিছিলো।

এইকথা ভাৱি মই আঁচৰিত হও যে এখন আলোচনী এজন বয়সন্থলোকৰ বাবে কেনেকৈ ইমান প্ৰিয় হব পৰে। এবাৰ সোধাত, তেওঁ উত্তৰ দিছিল- ''চোৱা, আন আলোচনীবিলাকত তুমি কেৱল কাহিনীহে পাবা। কিন্তু ইয়াত তুমি কাহিনীৰ লগতে এটা নীতিকথাও শিকিবলৈ পাবা আৰু এনে ঘটনা আজিৰ সময়ত দেখিবলৈ পোৱাই নায়ায়। যেতিয়া কোনো লোক শুদ্ধ-অশুদ্ধৰ মাজত একো সিদ্ধান্ত লব নোৱাৰি অসহায় হৈ পৰে, তেনে অৱস্থাত এই আলোচনী পঢ়াটো অতি গুৰুত্বপূৰ্ণ।''

Name: Arupratan Aich
Place: Hooghly, West Bengal

দেউতাৰ এই কথা শুনি মই বৰ ভাল পালো আৰু আজি সেই সত্য মই আখৰে আখৰে উপলব্ধি কৰিছো। মোৰ ছুটীৰ সময়ত এজন বন্ধুৰ দৰে চান্দমামাৰ লগত অসংখ্য আবেলি অতিবাহিত কৰিছো। কেতিয়াবা কল্পনাতে চান্দমামাৰ কোনো কাহিনীৰ এটা চৰিত্ৰৰ মাজত সোমাই পৰি কল্পনাৰ জগতত বিচৰণ কৰিছো।

এদিনাখন মোক চান্দমামা পঢ়ি থকা দেখি মোৰ বন্ধু এজনৰ কণমানি পুত্ৰই সুধিলে, ''দদাইদেউ, মই কিতাপ পঢ়ি ভাল নাপাও। মই টিভি, ভিডিঅ' গেম খেলিহে ভাল পাও। আপুনি কিয় কিতাপ ইমান ভাল পায় ? উত্তৰত মই কলো, ''তুমি যদি কেতিয়াও ভালকৈ সিজা খাদ্য নোখোৱাই, তেতিয়াহলেনো কেনেকৈ তাৰ সোৱাদৰ বিষয়ে জানিবা।''

মোৰ দৃষ্টিৰে, চান্দমামাই সেই পৰম্পৰাকেই অটুট ৰাখিছে। মই চান্দমামাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

Request to readers: Contributors of stories, memories are requested to send in their entries with their complete name, address, phone no and other contact details to enable us to get back to you.
Write to us:
Chandamama India Ltd., No:2 Ground Floor,
Swathi Enclave, Amman koil street, Vadapalani, Chennai-600026.
• Phone: 044-43992828 • Email : online@chandamama.com

বিক্ৰম-বেতাল

সদাগৰ ৰত্নাকৰৰ কাহিনী

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভূতটোৱে কবলৈ ধৰিলে, "হে ৰাজন, মই ভাৱো যে তুমি বেছ সাহসী আৰু পৰিশ্ৰমী। কিন্তু তুমি সেই গুণবিলাকৰ অপব্যৱহাৰ কৰিছা নেকি? মই এই কথা বুজিব পৰা নাই এই মাজৰাতিখন তুমি এনে এটা কাম কৰি কি অসাধ্য সাধন কৰিব বিচাৰিছা। কিন্তু মোৰ এনে ভাৱ হয় যে এই কষ্টকৰ কাম কৰিও তুমি অপমানৰ সন্মুখীন হবলগীয়া হব পাৰে নতুবা পাবলগীয়া কৃৰ্তিত্ব নাপাব পাৰা। ৰত্নাকৰৰ ক্ষেত্ৰটো সেয়েই হৈছিল। ঠিক আছে বাৰু, মই তোমাক সেই কাহিনীটো কম। তাক শুনি তুমি তোমাৰ কষ্টৰ ভাৰ পাতলাই তুলিব পাৰিবা।"

এসময়ত ৰজা ধৰ্মশীলে কৰুৱা ৰাজ্যত

শাসন কৰিছিল। সেই ৰাজ্যৰ ৰাজধানী আছিল ইউছি নগৰ। তেওঁৰ নামৰ অৰ্থৰ দৰেই ৰজা ধৰ্মশীল আছিল এজন প্ৰজা হিতৈষী, সাহসী আৰু জ্ঞানী ৰজা।

তেওঁৰ প্ৰধান মন্ত্ৰীৰ নাম আছিল সুবুদ্ধি। তেৰো এজন যোগ্য মন্ত্ৰী আছিল। ৰজাৰ উপযুক্ত সিদ্ধান্ত আৰু প্ৰয়োজনৰ সময়ত মন্ত্ৰীৰ উচিত পৰামৰ্শৰ ফলত ৰাজ্যৰ প্ৰশাসন প্ৰক্ৰিয়া খুব ভালদৰেই চলি আছিল। ৰাজ্যৰ প্ৰজাগণে সুখ আৰু সমৃদ্ধিৰে জীৱন কটাইছিল।

সেই চহৰতে আ-অলংকাৰৰ ব্যৱসায় কৰা এজন সদাগৰ আছিল। তেওঁৰ নাম আছিল ৰত্নাকৰ। তেওঁ ব্যৱসায় কৰি কোটি কোটি টকা লাভ কৰিছিল। তেওঁৰ পূৰ্বপুৰুষে থৈ যোৱা বিশাল সম্পত্তিয়েও তেওঁক ব্যৱসায় বিস্তাৰ কৰাত সহায় কৰিছিল। তেওঁ যি ব্যৱসায়েই আৰম্ভ নকৰক কিয়, তাতেই সাফল্য লাভ কৰিছিল। বহু সা-সম্পত্তিৰ মালিক হলেও ৰত্নাকৰ আছিল অতিশয় ভাল লোক। তেওঁ সকলোৰে লগত বন্ধুত্বসুলভ ব্যৱহাৰ কৰিছিল আৰু দুখীয়া-দৰিদ্ৰক দান কৰিছিল।

এবাৰ ৰাজ্যত বহুদিনৰ বাবে বৰষুণ হোৱা নাছিল। ফলত খেতি-বাতি ভাল নহ'ল আৰু ৰাজ্যত একেবাৰে কম পৰিমাণৰ খাদ্য-শস্য উৎপাদন হ'ল। খাদ্যৰ অভাৱত দুৰ্ভিক্ষৰ সৃষ্টি হ'ল। ৰাজভঁৰালত থকা সকলো খাদ্য-শস্য শেষ হৈ পৰিল। তথাপিও দুৰ্ভিক্ষৰ অন্ত নপৰিল। ৰাজ্যৰ প্ৰজাগণে ভোকত ত্ৰাহি হৰি দেখিবলৈ ধৰিলে। চুবুৰীয়া ৰাজ্যসমূহক সহায়ৰ বাবে অনুৰোধ কৰাতো সমস্যাৰ অন্ত নপৰিল।

তেনে সময়তে, ৰত্নাকৰে দূৰৰ দেশৰ পৰা খাদ্য-শস্য ক্ৰয় কৰি আনি নিচেই কম মূল্যতে বিক্ৰী কৰিবলৈ ধৰিলে। আনকি কোনো সময়ত তেওঁ দুখীয়া লোকৰ মাজত বিনামূলীয়াকৈও খাদ্য-শস্য বিতৰণ কৰিবলৈ ধৰিলে।

এনে কৰাৰ ফলত ৰাজ্যৰ পৰিস্থিতি ভাললৈ আহিল। ৰজাই এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰি ৰত্নাকৰক সন্মান যাচিলে আৰু বৰ প্ৰশংসা কৰিলে।

কিছুদিন পাৰ হৈ গ'ল। হঠাতে ৰাজ্যত এক আচৰিত ৰোগ বিয়পি পৰিল।

ৰাজ্যৰ সকলো চিকিৎসালয় ৰোগীৰে ভৰি পৰিল। ৰাজ্যত থকা চিকিৎসালয় ইমান বেছি সংখ্যক ৰোগীৰ বাবে যথেষ্ট নাছিল। পুণৰ

ৰত্নাকৰে নিজা পদক্ষেপ হাতত লৈ দেউতাকে নিৰ্মাণ কৰা চিকিৎসালয়লৈ বাহিৰৰ পৰা ভাল ভাল চিকিৎসকক আমন্ত্ৰণ কৰি আনিলে। তেওঁ নানা ধৰণৰ ঔষধ ক্ৰয় কৰিলে আৰু সকলোকে বিনামূলীয়া চিকিৎসা প্ৰদান কৰিলে। সেই ৰহস্যজনক ৰোগ অলপ দিনৰ পিছতে নিৰ্মূল হ'ল।

এইবাৰ ৰজাই ৰত্নাকৰক সন্মান যাচিয়েই ক্ষান্ত নাথাকিল। তেওঁক ৰাজ্যৰ এজন অতি গুৰুত্বপূৰ্ণ ব্যক্তি হিচাপেও বিশেষ মৰ্যদা প্ৰদান কৰা হ'ল।

সেইবছৰৰ ৰত্নাকৰে বিক্ৰী কৰা আ-অলংকাৰে ৰাজ্যত আৰু বিদেশত বিশেষ সমাদৰ লাভ কৰিলে। তেওঁ আশা কৰাতকৈ বহু বেছি লাভ কৰিলে। ৰত্নাকৰে বহু টকা খৰচ কৰি দেউতাকৰ নামত ৰাজ্যৰ বহু নগৰত চৰাইখানা নিৰ্মাণ কৰিলে। তেওঁ এইটো নিশ্চিত কৰিলে যে অতিথি সেই চৰাইখানালৈ যি সময়তেই নাহক কিয় তেওঁলোকক উপযুক্ত আহাৰ পৰিবেশন কৰা হয়। লাহে লাহে সেই চৰাইখানাবিলাক ৰাজ্যৰ সমাজসেৱাৰ অন্যতম কেন্দ্ৰ হৈ পৰিল।

সকলো লোকেই ৰত্নাকৰৰ এনে ধৰণৰ সমাজ সেৱামূলক কামসমূহৰ প্ৰশংসা কৰিবলৈ ধৰিলে। তেওঁৰ জনপ্ৰিয়তা দেখি ৰজাই ৰাজপ্ৰসাদলৈ আমন্ত্ৰণ জনালে। তেওঁ ৰাজসভাত উপস্থিত হোৱাৰ লগে লগে প্ৰধান মন্ত্ৰীয়ে বহিবৰ বাবে আসন দেখুৱাই দিলে। তেওঁ বহাত ৰজাই সুধিলে সুধিলে, ''মই শুনিবলৈ পাইছো যে আপুনি বহুকেইখন চৰাইখানা চলাই আছে আৰু তাৰ ফলত আপোনাৰ আয় যথেষ্ট বৃদ্ধি পাইছে। আপুনি দিবলগীয়া কৰ ঠিকমতে পৰিশোধ কৰি আছেনে?''



ৰত্নাকৰে ৰজাক সন্মান যাচি আত্মবিশ্বাসেৰে কলে, ''মহাৰাজ, মই মোৰ আয় সম্বন্ধীয় সকলো নথি-পত্ৰ কৰ বিভাগত ইতিমধ্যেই জমা দিছো আৰু ধাৰ্য কৰা তাৰিখৰ আগতেই সমস্ত কৰ পৰিশোধ কৰিছো। মই বংশগত ভাৱে লাভ কৰা সম্পত্তিৰ পৰাই চৰাইখানাবিলাক চলাই আছো।''

''তথাপিও নতুন কৰ নিয়ম অনুসাৰে আপুনি তাৰবাবে কৰ পৰিশোধ কৰিব লাগে।'' ৰজাই কলে আৰু লগে লগে ৰাজকোষৰ ভাৰপ্ৰাপ্তবিষয়াজনক তালৈ মতাই আনি ৰত্নাকৰৰ দেয় কৰৰ পৰিমাণ গণনা কৰি উলিয়াবলৈ নিৰ্দেশ দিলে।

দেয় কৰৰ পৰিমাণটো শুনি ৰত্নাকৰৰ চকু কপালত উঠিল। ''হে মহাৰাজ, কৰৰ পৰিমাণ মোৰ আয়ৰ দুগুণ হৈছে। ইমান কৰ পৰিশোধ কৰিব লাগিলে মই চৰাইখানাবিলাক চলোৱা বন্ধ কৰি দিব লাগিব।'' ৰত্নাকৰে উপায়বিহীন হৈ কলে।

''ঠিক আছে, সেইবিলাক আমাৰ হাতত এৰি দিয়ক। আমি সেইবিলাকৰ চোৱা-চিতা কৰাৰ ব্যৱস্থা কৰিম।'' ৰজাই কলে।

''মহাৰাজ,..'' ৰত্নাকৰে ৰজাক কিবা কব খুজিলে যদিও ৰজাই মন-কাণ নকৰি তাৰ পৰা গুচি গ'ল। সহায়হীন ৰত্নাকৰে কি কৰিব কি নকৰিব একো বুজিব নোৱাৰি তাতে থিয় হৈ থাকিল। প্ৰধান মন্ত্ৰী সুবুদ্ধিয়ে ৰত্নাকৰৰ কান্ধত হাত ৰাখি কলে, ''চিন্তা নকৰিব, সেইবিলাকক আপোনাৰ দেউতাৰাৰ নামতে চলাই যোৱা হব।''

আন কোনো উপায় নেদেখি ৰত্নাকৰে সকলো চৰাইখানা ৰজাৰ নামত লিখি এখন দলিল চহী কৰি দিলে আৰু তাৰ পৰা উভতি আহিল। পিছদিনাখনেই ৰজাৰ আদেশ ঘোষণা কৰা হ'ল যে সেই চৰাইখানাবিলাকত কেৱল শাৰিৰীকভাৱে অক্ষম ব্যক্তিকহে বিনামূলীয়া খাদ্য প্ৰদান কৰা হব।

ৰাজ্যৰ সকলো লোকেই ৰজাৰ ঘোষণা শুনাৰ পিছত ৰজাৰ বদনাম কৰিবলৈ ধৰিলে। ৰজাই সেই বদনামলৈ কাণ-সাৰেই নকৰিলে। এইদৰে কিছুদিন পাৰ হৈ গ'ল।

এদিনাখন সন্ধিয়া সময়ত, এজন বৃদ্ধই ৰজা আৰু প্ৰধানমন্ত্ৰীক এটা গোচৰ দিলে।

সেই বৃদ্ধই কলে, ''হে মহাৰাজ, মোৰ নাম হ'ল ধৰ্ম। মই আপোনাৰ ৰাজ্যৰে এজন প্ৰজা। মই আপোনাৰ ৰাজসভাৰ এজন কৰ্মচাৰী আছিলো আৰু অলপতে কামৰ পৰা অব্যাহতি

ললো। মোৰ চাকৰি থকা কালত মই তাৰ দৰমহাৰে দুটা সন্তানক ডাঙৰ-দীঘল কৰিলো। মই আশা কৰিছিলো যে সিঁহতে ডাঙৰ হৈ মোৰ চোৱা-চিতা কৰিব। কিন্তু তেনে কৰিবলৈ সিঁহত অমান্তি হৈছে।''

বৃদ্ধৰ কথা শুনি ৰজাই তেওঁৰ সন্তানদ্বয়ক মতাই আনিলে। ৰজাৰ প্ৰশ্নৰ উত্তৰত সিঁহতে কলে, ''হে মহাৰাজ, আমাৰ নিজৰ পৰিয়াল বেছ ডাঙৰ। যি দৰমহা পাও তাৰে আমাকেই চলিবলৈ নুজোৰে। পইছা ধাৰ কৰিহে আমি পৰিয়ালৰ ভৰণ-পোষণ কৰিবলগীয়া হয়।''

ৰজাই কিছুসময় চিন্তা কৰিলে আৰু তাৰপিছত সেই বৃদ্ধক ৰত্নাকৰক লগ ধৰিবলৈ কলে। ৰত্নাকৰে বৃদ্ধৰ কথা শুনাৰ পিছত কলে, ''তোমাৰ সন্তানদ্বয়ক মোক লগ ধৰিবলৈ কোৱা। মই এতিয়াৰে পৰা সিঁহতক দুগুণ দৰমহা দিম। কিন্তু সিঁহতে তোমাক ভালদৰে চোৱা-চিতা কৰিব বুলি কথা দিব লাগিব।'' ধৰ্মৰ সন্তানদ্বয় এই কথাত মান্তি হ'ল। এই সহায়ৰ বাবে ধৰ্মই ৰজাক লগ ধৰি ধন্যবাদ জনালে আৰু প্ৰস্থান কৰিলে।

ইমানখিনিলৈকে কোৱাৰ পিছত, বেতালে ৰজা বিক্ৰমক সুধিলে, ''হে মহাৰাজ, মই ৰজাৰ ব্যৱহাৰ সন্দেহজনক বোধ কৰিছো। তেওঁ ৰাজ্যৰ প্ৰজাক কৰা সহায়ৰ চিন স্বৰূপে ৰত্নাকৰক মাতি আনি সন্মান যাচিলে।

তাৰপিছত তেওঁ ৰত্নাকৰে চলাই থকা সকলো চৰাইখানা নিজৰ অধীনলৈ আনিলে। তেওঁ কি কাৰণত তেনে কাম কৰিলে? তাৰপিছত আকৌ তেওঁ কিয় ধৰ্মক ৰত্নাকৰৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিলে? ইমান জ্ঞানী



বুলি জনাজাত ৰজাই অজ্ঞানীৰ দৰে এনেবিলাক কাম কিয় কৰিলে? তুমি এইবিলাক প্ৰশ্নৰ উত্তৰ জানিও যদি মোক নোকোৱা, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে উত্তৰ দিলে এইদৰে-

''ৰজাই যি কাম কৰিলে তাত কোনো ভুল নাই। ৰজা ধৰ্মশীলৰ বাবে গুৰুত্বপূৰ্ণ আছিল প্ৰজাৰ উপকাৰ সাধন কৰা। সেইবাবেই তেওঁ সদাগৰ ৰত্নাকৰে দুৰ্ভিক্ষ আৰু অচিন ৰোগৰ সময়ত ৰাজ্যৰ প্ৰজাগণক সহায় কৰাৰ বাবে সন্মান যাচিছিল। কিন্তু ৰাজ্যজুৰি চৰাইখানা নিৰ্মাণ আৰম্ভ কৰাৰ আগতে ৰত্নাকৰে ৰজাৰ লগত আলোচনা কৰা উচিত আছিল।

যদি কোনোবাই খাদ্য কম আয়াসতে লাভ কৰে, তেন্তে কিয় কাম কৰিবলৈ ইচ্ছা কৰিব?

খেতিয়কে খেতি কৰি খাদ্য-শস্য উৎপাদন কৰিলেহে সকলোৱে খাবলৈ পাব। একেদৰেই শিপিনীয়ে কাপোৰ বৈ উলিয়ালেহে কাপোৰ উপলব্ধ হব। যদি ৰত্নাকৰে এনেদৰে বিনামূলীয়াকৈ খাদ্যৰ যোগান ধৰে, কোনো লোকেই কাম কৰি একো উৎপাদন কৰিবলৈ চেষ্টা নকৰিব।

পৰিশ্ৰমৰ অবিহনে ৰাজ্য কেতিয়াও ঠিকমতে চলিব নোৱাৰে। বিশেষকৈ ডেকাচাম এলেহুৱা হৈ পৰিব আৰু ফলস্বৰূপে ৰাজ্যত খাদ্য-শস্যৰ উৎপাদন হ্ৰাস পাব। উৎপাদন হ্ৰাস পালে ৰাজ্যৰ বিকাশ স্থবিৰ হৈ পৰিব। ভৱিষ্যত প্ৰজন্ম অকামিলা হৈ পৰিব। বুদ্ধি নাশ পাব। এখন ৰাজ্যৰ সকলো প্ৰজাই নানা ধৰণৰ উৎপাদনশীল কামত অংশ লৈ কাম কৰি গলেহে এখন ৰাজ্যৰ অথনীতিৰ বিকাশ হব পাৰে। কিছুমানে শাৰিৰীক শক্তি ব্যৱহাৰ কৰে। আন কিছুমানে কৰে মানসিক শক্তিৰ। যেতিয়ালৈকে সকলোৱে নিজৰ কৰ্তব্য পালন কৰি যাব তেতিয়ালৈকে এই প্ৰক্ৰিয়াৰ ভাৰসাম্য ঠিকে থাকিব। ৰজা হিচাপে ধমশীলৰ কৰণীয় হ'ল প্ৰজাক কাম কৰিবলৈ উদগণি যোগাই নিজৰ ভৰিত নিজে থিয় দিয়াত সহায় কৰা। তেওঁ তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰি দিয়াৰ আৱশ্যক। এইকাৰণেই ৰজাই ৰত্নাকৰৰ লগত এনে ব্যৱহাৰ কৰিলে। গতিকে ৰজাৰ এই কাৰ্য হ'ল সম্পূৰ্ণ যুক্তিসংগত আৰু উচিত।

ধৰ্মৰ পুত্ৰদ্বয়ৰ ক্ষেত্ৰত, ৰজাই নিজে তেওঁলোকৰ দৰমহা বৃদ্ধি কৰি দিব নোৱাৰিলেহেতেন। প্ৰতিটো কাৰ্যালয়ৰ দৰমহাৰ গাঁঠনি নিৰ্দিষ্টধৰণৰ। ৰজাই জানিছিল যে ৰত্নাকৰ বৰ দয়ালু। গতিকে ধৰ্মৰ সমস্যাটো সমাধান কৰিবৰ বাবে তেওঁ ধৰ্মক ৰত্নাকৰৰ ওচৰলৈ প্ৰেৰণ কৰিলে। গতিকে ৰজাৰ জ্ঞান আৰু দূৰদৰ্শিতাৰ ক্ষেত্ৰত কোনো সন্দেহ থাকিব নোৱাৰে।''

এইদৰে ৰজা বিক্ৰমে মৌনতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ যুক্তিসংগত উত্তৰ দিয়াৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ পুণৰ আগৰ দৰে গছজোপাৰ ডালত ওলমি থাকিলগৈ। *- এন এছ আৰ মূৰ্তী*

তীৰ্থযাত্ৰা

এবাৰ লিংগ নামৰ এজন শিৱৰ ভক্ত পাপান্নাই বাস কৰা চহৰখনেদি কৰবালৈ গৈছিল। তেওঁ ৰাজদৰবাৰত পাপান্নাই লাভ কৰা সম্মানৰ কথা গম পালে। পাপান্নাইয়ো তেওঁক ঘৰলৈ আলহী হিচাপে আমন্ত্ৰণ জনালে। লিংগই কথা প্ৰসংগত পাপান্নাক জনালে যে তেওঁ তুংগভদ্ৰা নদীৰ পাৰৰ এক পৱিত্ৰ স্থানলৈ তীৰ্থ কৰাৰ হেতু যাত্ৰা কৰিছে। পাপান্নাই দুখেৰে জনালে যে আন কাম থকা বাবে তেওঁ লিংগৰ লগত যাত্ৰা কৰিব নোৱাৰিব।

লিংগই মন্তব্য কৰিলে, ''তুমি ভগৱানৰ বাবেও সময় থোৱা উচিত। তুমি জানো জনসাধাৰণক সেৱা নকৰা। তুমি তীৰ্থ যাত্ৰাৰ বাবে নিশ্চয়কৈ সময় উলিওৱা উচিত। যিহেতু অকলে ভ্ৰমণ কৰা উচিত নহয়, গতিকে তুমি মোৰ দৰে কাৰোবাৰ লগত যাত্ৰা কৰা উচিত, যাতে তুমি সংগ লাভ কৰিব পাৰা।''

পাপান্না দুধোৰ-মোধোৰত পৰিল যদিও তেওঁ লগৰীয়া বন্ধু-বান্ধৱসকলে তেওঁ তীৰ্থ ভ্ৰমণৰ বাবে সময় উলিয়াবৰ বাবে উদগণি দিলে। সকলোৰে মতক সম্মান জনাই পাপান্নাই টালি-টোপোলা বান্ধি লিংগৰ লগত তীৰ্থ ভ্ৰমণলৈ ৰাওনা হ'ল। কিন্তু অতি সোনকালেই তেওঁ বুজিব পাৰিলে যে লিংগ হ'ল অতি কৃপণ আৰু তেওঁ কাকো সহায় কৰিবলৈ ভাল নাপায়। আনকি তেওঁ কাৰো লগত একো খোৱা-বস্তুও ভাগ কৰি নাখায়। পাপান্না আনহাতে ইমানেই উদাৰ যে পথে-ঘাটে ভিক্ষাৰী আদিক পালে খাদ্য-বস্তু আৰু পইছা-পাতি প্ৰদান কৰি সহায় কৰে। আনকি তেওঁ পথৰ কুকুৰ আৰু হাবিৰ বান্দৰকো যিমানদূৰ সম্ভৱ খাদ্য আদি প্ৰদান কৰে। এনেবিলাক কাম কৰাৰ ফলত প্ৰায়ে পাপান্নাই

কে. ৰোহিনী প্ৰসাদ



কেতিয়াও কোৱা নাই। কিন্তু এইবিলাক কৰ্মৰ দ্বাৰা তুমি মোক লাহে লাহে যাবলৈ বাধ্য কৰিছা। তুমি যদি বেয়া নোপোৱা, তেন্তে মই তোমালৈ ৰৈ নাথাকি আগুৱাই যাব বিচাৰো।" লিংগই পাপান্নাক কলে।

"মই নানা ধৰণৰ কাম কৰি তোমাৰ দেৰি কৰাটো উচিত হোৱা নাই। মই তোমাক আগুৱাই যাবলৈ পৰামৰ্শ দিও। মই তোমাৰ পিছে পিছে গৈ থাকিম।" পাপান্নাই সহজ ভাৱে কলে। পাপান্নাৰ কথাত লিংগই যেন এক ডাঙৰ শান্তিৰ পৰা মুক্তিহে পালে। তেওঁ পাপান্নাক এৰি আগুৱাই খোজ দিবলৈ ধৰিলে।

কিন্তু অলপ দূৰ যোৱাৰ পিছতে লিংগই অকলশৰীয়া অনুভৱ কৰিবলৈ ধৰিলে। পাপান্নাৰ দৰে এজন স্বাস্থ্যৱান শক্তিশালী ব্যক্তিৰ অভাৱ অনুভৱ কৰিবলৈ ধৰিলে। পাপান্না আৰ্থিক ভাৱেও বেছ সবল আছিল আৰু ফলত লিংগ নানাধৰণে উপকৃতও হৈছিল। দুৰ্গম অঞ্চলেদি আগুৱাই যাওতে তেওঁ নানা ধৰণৰ অসুবিধাৰ সন্মুখীন হবলৈ ধৰিলে। ৰাস্তাত ডকাইতে তেওঁক আক্ৰমণ কৰি তেওঁৰ ওচৰত থকা সকলো বস্তু-বেহানি লৈ গুচি গ'ল।

খাদ্যৰ নাটনিত ভুগিবলগীয়া হয়। গৈ আন এখন গাৱঁ নোপোৱালৈকে তেওঁ বনৰীয়া ফল-মূলৰ ওপৰত নিৰ্ভৰ কৰিয়েই চলিবলগীয়া হয়। লিংগই সদায় পাপান্নাৰ উদাৰতাক দোষাৰোপ কৰে আৰু কেতিয়াও নিজৰ ওচৰত থকা খাদ্য ভাগ কৰি নাখায়।

নানা ধৰণৰ সমাজসেৱামূলক কাম কৰাৰ ফলত যদি পাপান্নাৰ যাত্ৰাত পলম হয়, তেন্তে লিংগই খং খাই উঠে। "এই সকলো ভিক্ষাৰী আৰু জীৱ-জন্তুক খুৱাই থকাৰ কোনো অৰ্থ নাই। আমি যদি এইদৰে অপ্ৰয়োজনীয় কামত অযথা সময় অপব্যয় কৰো তেন্তে কেতিয়াও গন্তব্য স্থানত উপস্থিত হবলৈ সক্ষম নহম।" সি কয়।

"তুমি অৱশ্যে এই ভিক্ষাৰী আৰু জীৱজন্তুক কৰা সেৱা বন্ধ কৰিবলৈ মই

পাপান্নাৰো অৱস্থা বৰ ভাল হৈ নাথাকিল। এদিন খাদ্য-বস্তুৰ অভাৱত পৰি ভোকাতুৰ অৱস্থাত গমন কৰি থাকোতে তেওঁ গৰমৰ ফলত সংজ্ঞাহীন হৈ বাগৰি পৰিল। কিবা ভাগ্য তেওঁৰ ভাল আছিল, দুজন সাধুৱে তেওঁক পাই তেওঁলোকৰ আশ্ৰমলৈ লৈ গৈ সেৱা শুশ্ৰুষা কৰাতহে নিশ্চিত মৃত্যুৰ মুখৰ

পৰা ৰক্ষা পৰিল। পাপান্নাই লক্ষ্য কৰিলে যে তেওঁলোকে অকলশৰীয়া জীৱন যাপন কৰে। তেওঁলোকৰ সমস্ত প্ৰয়োজনীয়তা পূৰণ কৰে ওচৰৰে অৰণ্যখনে।

তেওঁলোকৰ আশ্ৰমত এসপ্তহ্ কটোৱাৰ পিছত, পাপান্নাই লক্ষ্য কৰিলে যে তেওঁলোকে এবিধ বনৰীয়া গছৰ পাত সংগ্ৰহ কৰে। সেইবিধ গছৰ পাত তেওঁলোকে খাদ্য হিচাপে ব্যৱহাৰ কৰে। তেওঁ দেখিলে যে এবিধ কেকটাছৰ পাত ব্যৱহাৰ কৰি পানী পৰিস্কাৰ কৰি তাক পান কৰে। এই দুয়োবিধ উদ্ভিদেই সেই অঞ্চলত প্ৰাকৃতিকভাৱে গজে। এইদৰেই সাধুৱে অতি কম বস্তুৰেই নিজৰ সমগ্ৰ প্ৰয়োজনীয়তা পূৰ কৰে। শৰীৰৰ অৱস্থা লাহে লাহে ভাল হৈ অহাত, পাপান্নাই সাধুকেইজনক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি নিজৰ যাত্ৰা পুণৰ আৰম্ভ কৰিলে।



পুণৰ যাত্ৰা কালত, তেওঁ পিছদিনাই ঘোঁৰাৰ পিঠিত উঠি অহা এজন ৰাজ-কটকীক লগ পালে। সেইজন কটকীয়েই কিছুদিন আগতে ৰজাৰ আমন্ত্ৰণ আনি তেওঁক দিছিল আৰু পাপান্না ৰাজসভাত সন্মানিত হৈছিল। ৰাজ-কটকীয়ে পাপান্নাক দেখি ঘোঁৰাৰ পৰা নামি সন্মান প্ৰদৰ্শন কৰিলে। তেওঁ পাপান্নাৰ দূৰৱস্থাৰ কথা গম পাই কলে যে তেওঁ ৰজাৰ পৰা এটা বাৰ্তা স্থানীয় শাসকজনক দিবলৈ আহিছে আৰু পাপান্নাক সহায় কৰিবৰ বাবে সেইজন স্থানীয় শাসকক অনুৰোধ কৰিব।

কেইঘন্টামানৰ ভিতৰতে সেই স্থানীয় শাসকজনে পাপান্নাৰ বাবে চাৰিজন দোলাভাৰীৰে এখন দোলা আৰু আন প্ৰয়োজনীয় বয়-বস্তু প্ৰেৰণ কৰিলে। পাপান্নাৰ দৰে ৰাজসন্মান লাভ কৰা এজন ব্যক্তিক নিজৰ অঞ্চলত পাই তেওঁ অতিশয় আনন্দিত হ'ল আৰু উপযুক্ত সম্ভাষণ যাঁচি থকা-খোৱা বাবে সুন্দৰ ব্যৱস্থা কৰি দিলে। মাজে মাজে পাপান্নাই সেই শাসকৰ ৰাজসভাত উপস্থিত থাকি শাসন সম্পৰ্কীয় আলোচনাত ভাগ ললে আৰু মূল্যৱান পৰামৰ্শও দিলে।

পাপান্নাই লক্ষ্য কৰিলে যে সেই অঞ্চলৰ সকলোতকৈ ডাঙৰ সমস্যা হ'ল খাদ্য আৰু খোৱা-পানী অভাৱ। গোটেই বছৰ জুৰি দুখীয়াসকলক সাহাৰ্য দিবৰ বাবে ৰজাঘৰীয়া অনুদানৰ পৰিমাণ যথেষ্ট নাছিল।

এদিনাখন নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা উল্লেখ কৰি পাপান্নাই ৰাজসভাত বক্তৃতা দিলে। "মোৰ ওচৰত গছৰ এনে কিছু বীজ

আছে, যিবিলাক আপোনালোকে ব্যৱহাৰ কৰি চাব পাৰে। এই বীজৰ পৰা গজা গছে হয়তো আপোনালোকৰ খাদ্য আৰু পানীৰ সমস্যা দূৰ কৰাত সহায় কৰিব।'' সকলোৱে পাপান্নাৰ উপদেশ বৰ ভাল পালে, কিয়নো সেই দুবিধ গছৰ খেতি কৰাটো একেবাৰে কম-খৰচী আৰু সহজ আছিল। অতি কম দিনৰ ভিতৰতে সেই খেতিৰ গছৰ দ্রুত বৃদ্ধি হ'ল আৰু তাৰ বাবে বৰ বেচি পৰিশ্রমো কৰিবলগীয়া নহ'ল। এইদৰে সেই অঞ্চলত খাদ্য আৰু পানীৰ সমস্যা সমাধান হ'ল।

এইদৰে পাপান্না সেই শাসকজনৰ সভাত এমাহ থাকিল। তেওঁক বিশেষ অতিথিৰ মৰ্যদা প্রদান কৰি বিশেষ সুবিধা প্রদান কৰা হ'ল। তেওঁ সেই দুবিধ গছৰ পৰা লোক উপকৃত হোৱা দেখি অতিশয় আনন্দিত হ'ল। তেওঁ সকলোৰে পৰা সন্মান লাভ কৰিলে। তেওঁ তীৰ্থ যাত্রা সম্পূর্ণ কৰিবৰ বাবে স্থানীয় শাসকজনে তেওঁ এখন ৰথ আৰু প্রয়োজনীয় বয়-বস্তুৰ লগতে বহু লগুৱা-লিকচৌ প্রদান কৰিলে। পাপন্নাই কোনো অসুবিধা নোহাৱাকৈ গন্তব্য স্থানত উপস্থিত হ'ল।

তাত কিছুদিন পাৰ কৰা স্বত্বেও পাপান্নাই লিংগক দেখা নেপালে। দুসপ্তহ মানৰ পিছত এদল ভিক্ষাৰীৰ লগত আহি লিংগ তাত উপস্থিত হ'ল। তেওঁৰ অৱস্থা আছিল অতি শোচনীয়। তেওঁ পাপান্নাক কলে যে তেওঁ ডকাইতৰ আক্রমণৰ সন্মুখীন হবলগীয়া হ'ল। তাৰপিছত তেওঁ এদল ভিক্ষাৰীৰ লগত লগ হৈ ভিক্ষা কৰি কৰি তীৰ্থত উপস্থিত হৈছেহি।

পাপান্নাৰ পৰা সকলো কথা শুনাৰ পিছত লিংগৰ চকুলো বাগৰি আহিল। তেওঁ কলে, ''তীৰ্থ ভ্রমণ কৰি পূণ্য অৰ্জন কৰাতকৈ মানুহৰ প্রতি সম্ভাৱ ৰখাটো অতি প্রয়োজনীয়। মানুহৰ প্রতি থকা সম্ভাৱ আৰু সহায়শীল হোৱাৰ বাবে তোমাক ভগৱানে পুৰস্কৃত কৰিছে। তুমি কেৱল এজন বা দুজনকেই সহায় কৰা নাই, গোটেই সমাজকে সহায় কৰিছা।''

তাৰপিছত উভতনি যাত্রাত অতি সুন্দৰভাৱে এজনে আনজনক সহায় কৰিলে।



মূল্যৱান

স্বৰস্বতী বাইদেউৰ শ্ৰেণীলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে সদায় আগ্ৰহেৰে বাট চাই থাকে। কিয়নো তেওঁ হাঁহি ধেমালি আৰু খেলা-ধূলাৰ মাজেৰে শিক্ষা প্ৰদান কৰে। তাৰোপৰি তেওঁ ব্যৱহাৰযোগ্য আৰু সহজ উদাহৰণ দিয়ে। এদিনাখন তেওঁ সমাজ অধ্যয়নৰ পাঠ এটা বুজাই আছিল। তেওঁ বহুসংখ্যক পৰিয়ালতে যে ল'ৰাতকৈ ছোৱালীক কম গুৰুত্ব দিয়া হয় তাক উল্লেখ কৰিছিল। পিছত তেওঁ সেই বিষয়ক লৈ সকলোকে একোটা বক্তৃতা প্ৰদান কৰিবলৈ কলে। ফলত সেই পাঠটো সকলোৰে খুব ভালকৈ মনত থাকিল।

সুমনা, শ্ৰেয়া আৰু গোলাপী আছিল বৰ ভাল বন্ধু। এদিনখন তিনিওজনী স্কুলৰ পৰা ঘৰলৈ উভতি গৈ আছিল। সিঁহতৰ মনত ছোৱালীক ল'ৰাতকৈ কম গুৰুত্ব দিয়া বিষয়টোৱে সাঁচ বহাই গৈছিল।

"তুমি জানানে শ্ৰেয়া, মই যেতিয়া এই বিষয়ে চিন্তা কৰো, মোৰ এনে অনুভৱ হয় যে আমাৰ স্বৰস্বতী বাইদেউৱে কোৱা কথা সঁচা। মোৰ নিজৰ মা-দেউতাই পক্ষপাতিত্ব কৰা যেন বোধ হয়।" সুমনাই কলে।

"কিন্তু মই নিশ্চিত নহয়। তুমি নাভাৱানে যে এইদৰে পক্ষপাতিত্ব কৰাটো তোমাৰ মা-দেউতাৰ ভুল?" শ্ৰেয়াই সুধিলে।

গোলাপীয়ে কলে, "কিয়, তুমি দেখোন মা-দেউতাৰ একমাত্ৰ সন্তান। গতিকে তুমি যি বিচাৰা তাকেই তোমাক আনি দিয়ে। কিন্তু মোৰ ক্ষেত্ৰত, মায়ে ভাইটিক মোতকৈ বেছি ভাল পায় যেন লাগে।"

"মোৰ পৰিয়ালত পক্ষপাতিত্ব কৰা হয়। মই মোৰ দেউতাক কৈছিলো যে অংকৰ বাবে মোক তেওঁ সহায় কৰিব লাগে। কিন্তু তেওঁ কাণ-সাৰেই নকৰিলে। কিন্তু বিপৰীতে, তেওঁ মোৰ সৰু ভাইটি এজন অভিযন্তা হোৱাটো বিচাৰিছে। গতিকে সি অংক শিকিবৰ বাবে

পি.ভি. সত্যনাৰায়ণ

বিশেষ টিউচনৰ ব্যৱস্থা কৰিছে। ইয়াৰ পৰাই এইটো জানো গম পোৱা নাযায় যে তেওঁলোকে মোৰ শিক্ষাৰ বাবে অতিৰিক্ত টকা খৰচ কৰিব নিবিচাৰে, কিয়নো মই এজনী ছোৱালী।'' সুমনাই কলে।

''তুমি তেনেকৈ কিয় ভাৱিছা সুমনা? তুমিয়েই দেখোন সদায় কৈ থাকা যে তোমাৰ সৰু ভাইটি বৰ চোকা, কিন্তু সি অংক একেবাৰে ভাল নাপায়। এতিয়া তুমি কিয় এনেকৈ কৈছা?'' শ্ৰেয়াই সুধিলে। তাই লগৰ বন্ধু-বান্ধৱীয়ে মাক-দেউতাকৰ মৰমক সন্দেহ কৰাটো একেবাৰেই ভাল নাপায়।

''তুমি কি বিশ্বাস কৰা নাজানো, কিন্তু আমাৰ বাইদেৱে কোৱাৰ দৰে প্ৰায় বেছিভাগ পৰিয়ালেই ছোৱালীৰ শিক্ষা-দীক্ষাক অৱহেলা কৰাটো সচাঁ বুলি মই ভাৱো। মোৰ সৰু ভাইটিৰ কিতাপ কিনিবৰ বাবে শ শ টকা খৰচ কৰা হয়। কিন্তু মোৰ বাবে কিতাপ কিনাৰ কথা কোনেও নাভাৱে।'' সুমনাই কলে।

''মোৰ লগত যদি তেওঁলোকে তেনেকুৱা কৰে, মই সেইদিনা ভাতেই নাখাও। কিন্তু তেতিয়াও কোনেও গুৰুত্ব নিদিয়ে। কিন্তু মোৰ যদি সৰু ভাইটিয়ে তেনে কৰে, তেন্তে আইতাই তাৰ মূৰে-গায়ে হাত ফুৰাই ফুচুলাই ফুচুলাই ভাত খুৱায়।'' গোলাপীয়ে কলে। দুখত তাইৰ চকুৰ পৰা চকুপানী বাগৰি পৰিল।

''যি কি নহওক, শ্ৰেয়া, তুমি বৰ ভাগ্যৱতী। তুমি তোমাৰ মা-দেউতাৰ একমাত্ৰ সন্তান। গতিকে তুমি যি বিচাৰা তেওঁলোকে তাকে আনি দিয়ে।'' গোলাপীয়ে কলে।

''কিন্তু মই ভাৱো খেলা-ধূলা, কথা পতা, আনকি কেতিয়াবা কাজিয়া কৰিবৰ বাবে হলেও এজন ককাইদেউ বা এটা সৰু ভাইটি থকাটো ভাল।'' শ্ৰেয়াই কলে।

''মই ভাৱো আমি এই আলোচনা অন্ত পেলোৱাটো ভাল হব। এই অদৰকাৰী কথা আলোচনা কৰাতকৈ সদায় কৰাৰ দৰে আন কিবা আমোদজনক বিষয় আলোচনা কৰাহে উচিত হব। চোৱা, মই আহি ঘৰেই পালোহি। তোমালোকক কালিলৈ লগ পাম দেই।'' এইবুলি কৈ সুমনা ঘৰলৈ সোমাই গ'ল।

তেওঁলোকৰ স্বৰস্বতী বাইদেউৰ কথাই সুমনা আৰু গোলাপীক বৰ আকৰ্ষণ কৰিলে। সেইবাবেই হয়তো সিঁহতে ঘৰৰ সৰু সৰু কথাবোৰ এইভাৱে লক্ষ্য কৰিছিল। যিবিলাকক হয়তো আনদিনাখন একেবাৰে গুৰুত্বই নিদিলেহেতেন।

''আইতা, তুমি গোলাপীক মোতকৈ বেছিকৈ মৰম কৰা আৰু সেইবাবে দৈৰ

ভালখিনি তাইক দিছা। মই নাখাও যোৱা।''
গোলাপীৰ ককায়েকে কলে। আইতাকে তাৰ কথাত বৰ আমোদ পালে।

''গোপাল, খোৱা বস্তুক লৈ এনে কৰিব নাপায়। মই তুমি ভালপোৱা ঘিঁ তোমাক দিয়া নাই জানো? মই তাইক দৈৰ ওপৰৰ ক্ৰীম থকা অংশ এইবাবেই দিছো যে তাই ঘিঁ খাই ভাল নাপায়। চোৱা, মই তোমালোকৰ লগত সদায় নাথাকো। তাই তোমাৰ সৰু ভন্টী। তাইক তুমি মৰমহে কৰিব লাগে। তুমিটো যি পোৱা তাকে সোপা-সোপে খাই পেলোৱা। তুমি জানো আজিলৈকে মোক সুধিছা যে মই ভাত খালোনে নাই? কিন্তু তোমাৰ ভন্টীয়ে মোক সদায় সোধে।'' আইতাকে কলে।

''এতিয়াহে মই গম পালো তুমি ভালৰ ভালখিনি কিয় তোমাৰ নাতিনীক দিয়া। ঠিক আছে আইতা, তুমি মোক ভাল নোপোৱা।'' এইদৰে কৈ মুখ ভেঙুচাই হাঁহি এটা মাৰি গোলাপীৰ ককায়েক তাৰ পৰা আঁতৰি গ'ল।

আইতাকৰ তাইৰ প্ৰতি থকা মৰমৰ কথা জানিব পাৰি গোলাপী বৰ সুখী হ'ল।

সেইদিনাৰ পৰা ঠিক এসপ্তাহৰ পিছত, তেওঁলোকৰ ভাষা শিক্ষকে মহাভাৰতৰ কাহিনীৰ ওৰত আধাৰিত এক পাঠ বুজাই আছিল। তেওঁ কৈছিল, ''গোটেই কেইজন পাণ্ডৱ দুপৰীয়াৰ আহাৰ খাবলৈ বহিল। জানানে তোমালোকে, কুন্তীয়ে কি কৰিলে? তেওঁ খাদ্যখিনি দুভাগত ভাগ কৰিলে। তাৰে এভাগ ভীমক দিলে। তাৰপিছত দ্বিতীয় ভাগ সমানে চাৰিভাগত ভগাই ধৰ্মৰাজ, অৰ্জুন, নকুল আৰু সহদেৱক পৰিবেশন কৰিলে। সকলোৱে সুখেৰে ভক্ষণ কৰিলে। আজিৰ



শিশুৱে কৰাৰ দৰে তেওঁলোকে মাকক একো প্ৰশ্ন নকৰিলে। আজিৰ যুগত শিশুৱে মাকক কব, 'তুমি এইদৰে কিয় পক্ষপাতিত্ব কৰিছা?' তোমালোকৰ কোনোবাই মোক কব পাৰিবানে এনে হোৱাৰ কাৰণ কি?''

সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাজতে আলোচনা কৰিবলৈ ধৰিলে। কিন্তু কোনেও উঠি উত্তৰ নিদিলে। গোলাপীয়ে থিয় হৈ কলে, ''মহাশয়, মাক-দেউতাকে সকলো সন্তানকে সম ব্যৱহাৰ কৰে। তেওঁলোকে জানে কোনে কি খাই ভাল পায় আৰু কিমান খাব পাৰে। প্ৰতিটো সন্তানৰ ব্যক্তিগত প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি তেওঁলোকে খাদ্য পৰিবেশন কৰে। এইবাবে নহয় যে তেওঁলোকে তাৰ কোনোবা এটাক বেছি ভাল পায়।''

তাৰপিছত সুমনা থিয় হ'ল আৰু কলে, ''কুন্তীয়ে জানিছিল যে যদি তেওঁ সমানে ভাগ

কৰি পঞ্চ পাণ্ডৱক খাবলৈ দিলেহেতেন, তেন্তে ভীম ভোকত থাকিবলগীয়া হ'লহেতেন আৰু বাকী চাৰি পাণ্ডৱে ইমান বেছি খাদ্য হজম কৰিব নোৱাৰিলেহেতেন।

গোলাপী আৰু সুমনাৰ উত্তৰ শুনি শিক্ষক আৰু বাকী ছাত্ৰ-ছাত্ৰীয়ে বৰ ভাল পালে। সকলোৱে হাতচাপৰি বজালে।

সেইদিনা দুপৰীয়া আহাৰ খোৱাৰ সময়ত সুমনাই তেওঁলোকক কলে, ''তোমালোকে জানানে মোৰ দেউতাই মোক কিমান ভাল পায়। তেওঁ মোৰ বাবে চান্দমামাৰ শেহতীয়া সংখ্যাটো ওলোৱাৰ লগে লগেই কিনি আনি লুকুৱাই থৈছিল। মোৰ পৰীক্ষা শেষ হোৱাৰ লগে লগে মোক দিলে। মই বৰ আনন্দ পালো।''

গোলাপীয়েও নিজৰ অভিজ্ঞতাৰ কথা কলে, ''ইমানদিনে মই ভাৱি আছিলো যে মোৰ মা-দেউতাই মোৰ ককাইদেউক মোতকৈ বেছি ভাল পায়। কিন্তু অলপ দিনৰ আগত মোৰ অসুখ হোৱাত তেওঁলোকে মোৰ বৰ যত্ন ললে। দিনে ৰাতিয়ে তেওঁলোকে মোৰ কাষতে থাকিল। তেতিয়াহে মোৰ অনুভৱ হ'ল যে মই তেওঁলোকক ভুল বুজি আছিলো।''

গোলাপী আৰু সুমনাৰ কথা শুনি শ্ৰেয়াই হাঁহি মাৰি কলে, ''মই তোমালোকক নকৈছিলোনে যে পিতৃ-মাতৃৰ বাবে সকলো সন্তান একেই, তেওঁলোক ল'ৰাই হওক বা ছোৱালীয়েই হওক। তোমালোকে মোৰ কথা তেতিয়া মানিয়েই নলৈছিলা।''

সেইদিনা আবেলি স্বৰস্বতী বাইদেউৱে শ্ৰেয়াক কলে, ''শ্ৰেয়া, তুমি মোক বৰ ডাঙৰ সহায় কৰিলা। মই বুজিব পৰা নাছিলো যে মোৰ শ্ৰেণীত দিয়া উদাহৰণৰ পৰা যে তোমালোকে ভুগিবলগীয়া হৈছে। মই এই উদাহৰণ দিয়া উচিত নাছিল। মই এই কথা তোমালোকৰ মনৰ পৰা আঁতৰাই আনিবৰ বাবে ভাষা শিক্ষকৰ সহায় ললো আৰু তেওঁ তোমালোকক মহাভাৰতৰ কাহিনী শুনালে। সেই কাহিনীটো বৰ সুন্দৰ নহয়নে?''

''হয় বাইদেউ'', শ্ৰেয়াই কলে। তাই বৰ সুখী হ'ল যে তাইৰ বান্ধৱীকেইজনীৰ মনৰ পৰা ভুল ধাৰণা আঁতৰি গ'ল।

পঞ্চতন্ত্ৰ

কণ্যাই এই কাহিনী বৰ্ণনা কৰি কলে, "গতিকে কোনেও নিজৰ ভাগ্য পৰিৱৰ্তন কৰিব নোৱাৰে। যদি এতিয়া মই সেই সৰ্পৰ লগত বিবাহত নবহো তেন্তে মোৰ পিতৃ শত কণ্যাবধৰ পাপত ভোগিব।"

তাৰপিছত সেই কণ্যাই কথামতেই সৰ্পৰ লগত বিবাহপাশত আবদ্ধ হ'ল আৰু শ্ৰদ্ধাৰে পতিক সেৱা-সৎকাৰ কৰিবলৈ ধৰিলে।

এদিনাখন সেই সৰ্প পেটাৰীৰ পৰা বাহিৰলৈ আহি এজন দিব্য পুৰুষৰ ৰূপ ধাৰণ কৰিলে আৰু পত্নীৰ কাষত বহি পৰিল। তাকে দেখি তেওঁৰ পত্নী আঁচৰিত হ'ল। তেওঁ সেই যুৱকক পৰ পুৰুষ বুলি ভাৱি তাৰ পৰা উঠি আঁতৰি যাব খুজিলে।

"প্ৰিয়তমা, আঁতৰি নাযাবা। ময়েই তোমাৰ পতি।" সেই পুৰুষজনে কলে। তাৰ পিছত পত্নীক বিশ্বাস কৰাবৰ বাবে পুণৰ পেটাৰীৰ ভিতৰত পৰি থকা সাপৰ মোটৰ ভিতৰত সোমাই সৰ্পৰ ৰূপ ধাৰণ কৰিলে। সাপৰ ভিতৰত সোমাই ফণা তুলি অলপ সময় থকাৰ পিছত পুণৰ মনুষ্য ৰূপ ধৰি বাহিৰলৈ ওলাই আহিল। পতিৰ এনে মানৱ ৰূপ দেখি তেওঁৰ পত্নী বৰ সুখী হ'ল। তেওঁ পতিৰ মূৰত কিৰিটী আৰু দেহৰ আভুষণ দেখা পাই সন্মানেৰে সেৱা কৰিলে। যেতিয়া দুয়ো শুই পৰিল, তেতিয়া কণ্যাৰ পিতাকে কেনেবাকৈ গম পালে যে তেওঁৰ জোঁৱায়েক আচলতে মনুষ্যহে। মনে মনে তেওঁ পেটাৰীৰ ভিতৰৰ পৰা সাপৰ মোটটো উলিয়াই আনি জ্বলাই দিলে।

এই কাহিনী কোৱাৰ পিছত বলভদ্ৰই কলে, "মহাৰাজ, যদি আমি মঠৰ লগতে সেই মহাত্মাৰ শৰীৰটো জ্বলাই দিও, তেতিয়াহলে তেওঁ সদায় দেৱতাৰ শৰীৰতেই ৰৈ যাব।"

মিত্ৰ ভেদ-২৪

বলভদ্ৰৰ কথা শুনি ৰজাই হাঁহিমুখে অনুমতি দিলে। বলভদ্ৰই মঠত জুই লগাই দিলে। মঠৰ লগতে ভণ্ড তপস্বী জ্বলি শেষ হৈ গ'ল।''

কাহিনী শেষ কৰি কৰটকে দমনকক কলে, ''গতিকে তুমি তোমাৰ এনে বিপদজনক আঁচনি নিলগাই থোৱাই ভাল হব।''

তাৰ উত্তৰত দমনকে কলে, ''তোমাক যুক্তি একেবাৰে নিৰৰ্থক। তুমি যিবিলাক সিদ্ধান্ত দিছা, সেইবিলাক মোৰ কোনো কামতেই নালাগে। কেৱল এয়াই নহয়। সেই বলধৰ শৰীৰৰ মাংস আমাৰ কেইবামাহৰো খাদ্য হব। তাৰ বিশাল মঙহাল দেহ এতিয়াও মোৰ চকুৰ আগত ভাহি আছে। কিন্তু চালাক শিয়ালৰ কাহিনীৰ দৰে তুমি আমাৰ এই আলোচনা গোপনে ৰখাই ভাল হব।''

''সেয়ানো কি কাহিনী?'' কৰটকে সুধিলে।

উত্তৰত দমনকে বৰ্ণনা কৰিবলৈ ধৰিলে-

চালাক শিয়াল

এখন অৰণ্যত বজ্ৰদন্ত নামৰ এটা সিংহই বাস কৰিছিল। তাৰ ৰাজসভাত তিনিটা মন্ত্ৰী আছিল- চমৰক নামৰ এটা শিয়াল, এটা কুকুৰনেচীয়া আৰু এটা উট। এদিনাখন এটা বিশালকায় হাতীৰ লগত যুঁজ কৰি সিংহ বেয়া ধৰণে আঘাট প্ৰাপ্ত হ'ল। বিষে-কোপে জৰ্জৰিত হৈ সি গুহাতে পৰি থাকিল। চিকাৰ কৰিব নোৱাৰাৰ বাবে ভোকে-পিয়াহে প্ৰাণ যাও যাও অৱস্থা হ'ল। সেই অৱস্থাত সিংহই তিনিওটা মন্ত্ৰীকে আলোচনা কৰি কিবা এটা উপায় উলিয়াবৰ বাবে মাতি আনিলে। সি কলে, ''মোৰ ভোকে-পিয়াহে প্ৰাণ যাও যাও অৱস্থা হৈছে। তোমালোকে গৈ কিবা জন্তু চিকাৰ কৰি ইয়ালৈ লৈ আহাগৈ।''

ৰজাৰ কথামতে তিনিও মন্ত্ৰী অৰণ্যত চিকাৰ বিচাৰি গ'ল। কিন্তু বহু বিচৰাৰ পিছতো কোনো চিকাৰ নাপালে।

তেনেতে চমৰক নামৰ শিয়ালৰ মনলৈ এটা উপায় আহিল। সি ভাৱিলে- 'এই উটটোক মাৰি পেলাব পাৰিলে আমি সকলোৱে বেছ কিছুদিন ধৰি ভোজন কৰিব পাৰিম। কিন্তু সি হ'ল সিংহৰ মিত্ৰ আৰু এটা মন্ত্ৰী। গতিকে সিংহ কেতিয়াও উটক বধ কৰিবৰ বাবে ৰাজী নহব। সেইবাবে মই এনে এটা উপায় উলিয়াব লাগিব যাতে উটে নিজেই সিংহৰ আহাৰ হবৰ বাবে মিনতি কৰে।' এই ভাৱি শিয়ালে উটটোক কলে,

"বন্ধু, খাবলৈ একো বস্তু নোহোৱাত আমাৰ মহাৰাজৰ ভোকত প্ৰাণ যাও যাও অৱস্থা হৈছে। আমাৰ মালিকৰ মৃত্যু হলে আমাৰো মৰণ নিশ্চিত। গতিকে মই এনে এটা উপায় দিম যাৰ পৰা আমাৰ মহাৰাজৰ লগতে তোমাৰো লাভ হয়।"

"তুমি কি ভাৱিছা মোক নিচিন্ত মনে কব পাৰা। তোমাৰ উপদেশ মই নিশ্চয়কৈ মানি লম।" উটে কলে।

"বন্ধু, তেনেহলে মোৰ কথা শুনা। তুমি তোমাৰ এই দেহ আমাৰ মহাৰাজৰ ওচৰত সপি দিয়া। যদি তেওঁ প্ৰতি ৰাতি তোমাক সুত ওভতাই দিয়ে, তেন্তে তুমি পুণ্য লাভ কৰিবা আৰু তুমি দুগুণ শক্তিশালী হৈ পুণৰ জন্ম লাভ কৰিবা।"

"যদি মৃত্যু দেৱতাই এই চৰ্ত মানি লয় তেন্তে মোৰ কোনো আপত্তি নাই।" উটে কলে। তাৰপিছত শিয়ালে সিংহৰ ওচৰলৈ গৈ কলে, "মহাৰাজ, আমি বহু চেষ্টা কৰিলো। কিন্তু একো চিকাৰ বিচাৰি নাপালো।" এই কথা শুনি সিংহ বৰ নিৰাশ হ'ল। তেনেতে শিয়ালে কলে, "মহাৰাজ, মই আপোনাক এটা ভাল খবৰ দিব খুজিছো। আপোনাৰ সুস্বাস্থ্যৰ বাবে আমাৰ পৰম মিত্ৰ উটে নিজৰ শৰীৰ ত্যাগ কৰিবলৈ ৰাজী হৈছে। কিন্তু চৰ্ত এই যে আপুনি মৃত্যুদেৱতাক সাক্ষী কৰি প্ৰতি ৰাতি উটৰ শৰীৰ সুতৰে সৈতে ঘূৰাই দিব।"

সিংহই সেই প্ৰস্তাৱ মানি ললে আৰু এনে উদাৰতাৰ বাবে উটৰ শলাগ ললে। তাৰপিছত তেওঁ মৃত্যু দেৱতাক সাক্ষী হবৰ বাবে অনুৰোধ কৰি উটক বধ কৰিলে।

তাৰপিছত শিয়াল চমৰক আৰু কুকুৰনেচীয়াই উটৰ ছাল ছেলাই মাংস খোৱাৰ উপযুক্ত কৰিলে। কিন্তু শিয়ালৰ ইচ্ছা এই আছিল যে উটৰ শৰীৰৰ সমস্ত মাংস সিয়েই ভোগ কৰক। গতিকে সি এটা উপায় চিন্তা কৰি উলিয়ালে। উটক বধ কৰাৰ ফলত সিংহৰ গোটেই শৰীৰতে তেজৰ চিটিকনি পৰিছিল। শিয়ালে সিংহক কলে, "মহাৰাজ, আপুনি এতিয়া নিচিন্ত মনেৰে নদীলৈ গৈ স্নান কৰি আহকগৈ। মই এই মাংস আপোনাৰ বাবে পহৰা দি থাকিম।" *(আগলৈ)*

ভগৱানে দিয়া উপহাৰ

কণমানি গৰুৰ পোৱালীটোৱে মাকৰ গাখীৰ খাই শেষ কৰিলে। তাৰপিছত সি আনন্দতে জপিয়াবলৈ ধৰিলে। ককাদেউতাই তাকে দেখি তাক ধৰি পিঠিত মৰমেৰে ঢকা এটা মাৰিলে।

তেনেসময়তে, চন্দু, হৰি, সীতা, ৰাজু আৰু চিত্ৰিয়ে দৌৰি আহি ককাদেউাকক বেৰি ধৰিলে। তেওঁলোক সকলো গৰম বন্ধ উপলক্ষে গাৱলৈ ফুৰিবলৈ আহিছিল। ‘‘ককাদেউতা, আজি তুমি আমাক এটা নতুন সাধুকথা কম বুলি কৈছিলা নহয়।’’ সিঁহতে ককাদেউতাকক সোঁৱৰাই দিলে।

‘‘ঠিক আছে, মই তোমালোকক কম বাৰু। কিন্তু তোমালোকে মোৰ এটা প্ৰশ্নৰ উত্তৰ দিব লাগিব।’’ বগা ডাঠ মোচৰ তলেদি এটা হাঁহি বাগৰাই ককাদেউতাকে কলে।

‘‘ঠিক আছে, সোধা তেতিয়াহলে আমাক।’’ গোটেইকেইটা শিশুৱে একেলগে কলে।

‘‘ঠিক আছে, তোমালোকে কোনোবাই মোক কব পাৰিবানে যে ভগৱানে তোমালোকক দিয়া সকলোতকৈ মূল্যৱান উপহাৰটো কি?’’ ককাদেউতাকে সুধিলে।

চন্দুৱে লগে লগে উত্তৰ দিলে, ‘‘সোমবাবু আৰু মই আমাৰ শ্ৰেণীত কোনে বেছি নম্বৰ পাব পাৰে তাকে লৈ প্ৰতিযোগিতা কৰো। কিন্তু সি সদায় মোতকৈ বেছি নম্বৰ পায়। কিন্তু অলপতে হোৱা এটা পৰীক্ষাত মই তাক পিচ পেলাই সৰ্বোচ্চ নম্বৰ লাভ কৰিলো। ককাদেউতা, মই ভাৱো যে সেইটোৱেই হ’ল এতিয়ালৈকে ভগৱানে মোক দিয়া সৰ্বশ্ৰেষ্ঠ উপহাৰ।’’

‘‘সেয়া ভাল কথা, ডেকা ল’ৰা। তুমি কি কোৱা সীতা?’’ ককাদেউতাই সুধিলে।

‘‘চোৱা ককা, আমাৰ দেউতাই আমাক বন্ধৰ দিনত সদায় তিৰুপতিলৈ লৈ যায়। মই সদায় ভাৱো যে আমি আমাৰ পাঠ্যপুথিত উল্লেখ থকা নানা ধৰণৰ বুৰঞ্জীমূলক স্থান ভ্ৰমণ কৰাটো বেছি লাভজনক। এইবাৰ আমি

এ. সত্যনাৰায়ণ মূৰ্তি

সোধাৰ আগতেই দেউতাই নিজেই মোক আৰু মোৰ সৰু ভাইটিক আগ্ৰালৈ লৈ গ'ল। আমি তাত এটা সুন্দৰ দিনত জোনাকত বিশ্ববিখ্যাত তাজমহল চালো। তুমি গম পোৱানে ককা? তাত আমি বৰ আনন্দিত আৰু উত্তেজিত হৈ পৰিছিলো। মই ভাৱো সেয়াই হ'ল ভগৱানে মোক দিয়া সকলোতকৈ উত্তম উপহাৰ।'' সীতাই আনন্দৰে কলে।

তাৰপিছত ৰাজুৰ পাল পৰিল। ৰাজুৱে বৰ বুদ্ধিৰে উত্তৰ দিলে, ''স্কুললৈ অহা যোৱা কৰা, অধ্যয়ন কৰা আদি কৰিয়েই মোৰ দিনবিলাক পাৰ হৈছে। মই ভাৱো যে বন্ধৰ দিনকেইটাই হ'ল ভগৱানে যিকোনো শিশুক দিয়া সৰ্বশ্ৰেষ্ঠ উপহাৰ। বন্ধৰ দিনত আমি গোটেই দিনটো লগৰীয়াৰ লগত মাৰ্বল খেলি, গছত বগাই পাৰ কৰি দিব পাৰো।''

''বৰ বুদ্ধি খটুৱাই দিয়া উত্তৰ।'' ককাদেউতাকে তাৰ বুদ্ধিৰ প্ৰশংসা কৰি কলে।

''ককাদেউতা, তুমি মোক সোধাৰ আগতেই মই কও যে মই আমাৰ বিদ্যালয়ৰ সংগীত প্ৰতিযোগিতাত বহুটো পুৰস্কাৰ লাভ কৰিলো। তাৰ অৰ্থ এয়ে যে মোৰ কণ্ঠই হ'ল ভগৱানে মোক দিয়া সৰ্বশ্ৰেষ্ঠ উপহাৰ। হয়নে নহয় বাৰু?'' হৰিয়ে গৌৰৱেৰে কলে।

ছয় বছৰীয়া চিট্ৰিয়ে তাইৰ থুতৰিত হাতেৰে ভেজা দি মনে মনে বহি আছিল। ককাদেউতাই তাইক কোলাত তুলি লৈ মৰমেৰে সুধিলে, ''তুমি কি কোৱা, মোৰ কণমাণি অপ্সৰা?''

''মা'' চিট্ৰিয়ে কলে।

সকলোৱেই চিট্ৰিৰ উত্তৰ শুনি আচঁৰিত হ'ল। আৰু মনে মনে সকলোৱে সেই কথা ভাৱি নোপোৱাৰ বাবে লাজো পালে। তাইৰ

উত্তৰ শুনি ককাদেউতাৰ চকুকেইটা তিৰবিৰাই উঠিল। ''তুমি বৰ সুন্দৰ কথা কৈছা মোৰ মৰমৰ পৰী। মাকে সদায় সন্তানৰ ভালটোকে কামনা কৰে। তেওঁ জন্মৰ আগৰে পৰাই সন্তানৰ গোৰ সহ্য কৰিবলগীয়া হয়। তাৰপিছত যেতিয়া সন্তানে তেওঁৰ কথালৈ কাণ-সাৰ নকৰে, সেই সকলো সহ্য কৰি যায়। সন্তান ডাঙৰ হোৱাৰ পিছতো যেতিয়া মাকৰ যত্ন নলয়, তেতিয়াও তেওঁৰ কোনো অভিযোগ নাই। তেওঁ সন্তানৰ সুখৰ বাবে সকলো অসুবিধা, কষ্ট হাঁহিমুখে সহ্য কৰি যায়। ইয়াতকৈ ভাল উপহাৰ আৰু ভগৱানে কি দিব পাৰে। মাতৃয়েই হ'ল আমাক ভগৱানে দিয়া সৰ্বশ্ৰেষ্ঠ উপহাৰ। তোমালোকে জানানে যে ভগৱানে এইবাৰে মাতৃক সৃষ্টি কৰিলে কিয়নো ভগৱান নিজে সকলো সময়তে সকলো ঠাইতে থাকিব নোৱাৰে।''

‘‘আচলতে মোৰ মায়েই দেউতাক মোৰ ইচ্ছাৰ কথা কলে যে মই কোনো বুৰঞ্জীমূলক ঠাই ভ্রমণ কৰিব বিচাৰো। কিয়নো মই দেউতাক সেই কথা কবলৈ ভয় খাই আছিলো। মায়ে কোৱা বাবেই তেওঁ আমাক আগ্রালৈ লৈ গ'ল।’’ সীতাই কলে।

ৰাজুৱে কলে, ‘‘মায়েই আমাৰ হৈ দেউতাক কথা দিলে যে গাৱত থকা সময়খিনিত আমি দুষ্টমি নকৰিম আৰু সাৱধানে থাকিম। মায়ে এইদৰে কোৱাৰ বাবেই দেউতাই আমাক ছুটী কটাবলৈ গাৱলৈ আহিবলৈ দিলে। নহলে তেওঁ মান্তি নহ'লহেতেন।’’

‘‘গোটেই সপ্তহটোৱেই মায়ে ঘৰৰ নানা কামত ব্যস্ত হৈ থাকে। তথাপি তেওঁ তাৰ মাজতে সময় উলিয়াই আমাক সংগীতৰ শিক্ষা দিয়ে। মই সংগীতৰ প্রতিযোগিতাত পুৰস্কাৰ পোৱাত তেওঁ ইমানেই সুখী হৈছিল যে এনে লাগিছিল পুৰস্কাৰ যেন তেওঁ নিজেহে লাভ কৰিছে। মোৰ মা হ'ল ভগৱানে মোক দিয়া সৰ্বোকৃষ্টউপহাৰ। মই তেওঁৰ কথা উল্লেখ নকৰাটো উচিত হোৱা নাছিল।’’ হৰিয়ে মাকৰ কথা পাহৰি যোৱাৰ বাবে আক্ষেপ কৰি কলে।

‘‘মা যেতিয়া মোৰ কাষত শুৱে তেতিয়া মোৰ ভয় নালাগে। তেওঁৰ উপস্থিতিত মই সুৰক্ষিত অনুভৱ কৰো। মা এতিয়া মোৰ লগত ইয়াত নাই। মই তেওঁৰ অভাৱ অনুভৱ কৰো। তেওঁৰ কথা মোৰ সঘনাই মনত পৰি থাকে। ককাদেউতা, তুমি মোক মাৰ ওচৰলৈ পঠিয়াই দিয়ানা।’’ চিট্টিয়ে ককাদেউতাকক কলে।

‘‘কণমাণি পৰী, আমাৰ ঘৰত কালিলৈ এটা ডাঙৰ পুজা পাতিছো। তোমালোক সকলোৰে মাৰা সেই পুজালৈ আহিব। তোমালোকৰ কথা শুনি মোৰ মাৰ কথা মনত পৰিছে। আমি যেতিয়া সৰু আছিলো, তেতিয়া তেওঁ প্রথমে আমাক খাবলৈ দিছিল। তাৰপিছত যদি একো বাকী নাথাকে তেওঁ ভোক লগা নাই বুলি কৈ কেৱল পানী খাই ভোক নিবাৰণ কৰিছিল।’’ ককাদেউতাকৰ চকু চলচলীয়া হৈ পৰিল।

‘‘ঠিক আছে ককাদেউতা, তুমি আমাক তোমাৰ শিশুকালৰ কাহিনী কোৱা।’’ ৰাজুৱে বিষয়টো সলনি কৰিলে আৰু ককাদেউতাকেও হাঁহি এটা মাৰি কাহিনী কোৱা আৰম্ভ কৰিলে।

কৃপণৰ বুদ্ধি

হেলপাউৰী নামৰ ঠাইত বাস কৰা ছীনা এক কৃপণ আছিল। তেওঁ ইমানেই কৃপণ আছিল যে খাই থকা সময়ত ভাতৰ এটা বা দুটা দানা পৰি নষ্ট হব বুলি হাত দাঙি কাউৰী খেদি নিদিয়া ভকত আছিল। তেওঁ ধান-চাউলৰ ব্যৱসায়ৰ পৰা বহু লাখ টকা উপাৰ্জন কৰিলেও অতি প্ৰয়োজনৰ সময়তো এটা পইছা খৰচ কৰাৰ আগতে দুবাৰ চিন্তা কৰিছিল।

ছীনাৰ দেউতাক গুণ তেওঁৰ জীৱনৰ বেছিভাগ সময়তে সুস্বাস্থ্যৱান আছিল। তেওঁ দুচিন্তাৰ পৰা আঁতৰি জীৱন নিৰ্বাহ কৰিছিল। কিন্তু জীৱনৰ শেষ বয়সত তেওঁ নানা ধৰণৰ বেমাৰত পৰিল আৰু আৰোগ্য হৈ উঠিবৰ বাবে বহু সময় ললে। তেওঁৰ চিকিৎসাৰ নামত বহু পইছা খৰচ হ'ল। এই কথাই ছীনাক চিন্তিত কৰি তুলিলে। অতি ভাল চিকিৎসকৰ হতুৱাই চিকিৎসা কৰা স্বত্বেও তেওঁৰ বেমাৰ ভাল হোৱা কোনো লক্ষ্মণেই দেখা পোৱা হোৱা নাছিল।

এজন বন্ধুৰ মুখত ছীনাই ৰংগচাৰী নামৰ এজন বৈদ্যৰ কথা শুনা পালে। সেইজন বৈদ্যই সুগন্ধপুৰী নামৰ চহৰখনত বাস কৰিছিল। তেওঁ দেউতাকক ৰংগচাৰীৰ ওচৰলৈ লৈ গ'ল।

ৰংগচাৰীয়ে গুণক নানা ধৰণেৰে পৰীক্ষা কৰিলে আৰু কলে যে গুণ আৰোগ্য হৈ উঠাৰ আশা নাই। তেওঁ ছীনাক কলে, ''আপুনি মোক ভুল নুবুজিব। যেতিয়া আপোনাৰ দেউতা ডেকা আছিল, তেওঁ নানা অশান্তিত জীৱন নিৰ্বাহ কৰিছিল। তেওঁ জীৱন ধাৰণৰ পদ্ধতি স্বাস্থ্যসম্মত নছিল। ফলস্বৰূপে তেওঁৰ শৰীৰত নানা ধৰণৰ বেমাৰে বাঁহ ললে। তেওঁ সেইবাবে সম্পূৰ্ণ আৰোগ্য হৈ উঠাৰ আশা নাই। আৰু মই জনাত এনে কোনো ঔষধ নাই যি তেওঁক আৰোগ্য কৰি তুলিব পাৰিব।''

কে.এন.ভি. অজানেয়ুলু

তথাপিও, ছীমাই ৰংগচাৰীক এৰি নিদিলে। তেওঁ কলে, ''মহাশয়, মোক হতাশ নকৰিব। আপোনাৰ কথা বহু লোকৰ মুখে শুনা পাইহে মই আপোনাৰ ওচৰলৈ আহিছো। আপুনি ভাল বুলি ভৱা ধৰণেৰে মোৰ পিতৃৰ চিকিৎসা চলাই থাকক আৰু বাকী সকলো ভগৱানৰ ওপৰত এৰি দিয়ক। আপুনি তেওঁক জীয়াই ৰাখিলে মই মাননি স্বৰূপে আপোনাক এহেজাৰ টকা দিম আৰু জীয়াই নাৰাখিলেও এহেজাৰ টকা দিম।''

ছীনাৰ অনুৰোধ ৰক্ষা কৰাৰ বাহিৰে ৰংগচাৰীৰ ওচৰত আন কোনো পথ খোলা নাথাকিল। তেওঁ এমাহ ধৰি সকলো জ্ঞান খটুৱাই গুণক আৰোগ্য কৰি তুলিবৰ বাবে অপ্ৰাণ চেষ্টা কৰিলে। তেওঁ নানা ধৰণৰ কিতাপ অধ্যয়ন কৰি নতুন নতুন ঔষধ প্ৰস্তুত কৰি তাৰেও চেষ্টা চলালে। কিন্তু একো ফল নধৰিল। এদিন তেওঁৰ মৃত্যু হ'ল।

ছীনাই দেউতাকৰ সকলো কৰ্ম-কাণ্ড সমাপ্ত কৰাৰ পিছত ৰংগচাৰীয়ে ছীনাক লগ ধৰিলে আৰু তেওঁ পাবলগীয়া মাননি দিবৰ বাবে অনুৰোধ কৰিলে।

''কিহৰ মাননি?'' ছীনাই সুধিলে

''আপোনাৰ দেউতাৰ চিকিৎসাৰ মাননি।'' ৰংগচাৰীয়ে কলে।

''মহাশয়, আপুনি মোৰ দেউতাক জীয়াই ৰাখিবলৈ সক্ষম হ'লনে?'' ছীনাই সুধিলে।

''ক্ষমা কৰিব। তেওঁক বচাব নোৱাৰিলো।'' ৰংগচাৰীয়ে কলে।

''তেন্তে, আপুনি মোৰ দেউতাক হত্যা কৰিলে জানো?'' ছীনাই সুধিলে।

''ভগৱানৰ শপত, মই আপোনাৰ দেউতাক কিয় হত্যা কৰিম।'' একো বুজিব নোৱাৰি ৰংগচাৰীয়ে কলে।

''মহাশয়, আমাৰ মাজৰ চুক্তি আছিল যে আপুনি এহেজাৰ টকা মোৰ দেউতাক জীয়াই ৰাখিলে পাব বা জীয়াই নাৰাখিলে পাব। কিন্তু আপুনি তেওঁক জীয়াইয়ো নাৰাখিলে মাৰিও নেপেলালে। গতিকে মই কিয় আপোনাক মাননি দিব লাগে?'' ছীনাই সুধিলে।

ছীনাৰ কথা শুনি ৰংগচাৰীয়ে ভেবা লাগি চাই থাকিল।



প্ৰতিজ্ঞা

“সৰু ভন্টি, আজি তুমি এটা নতুন খেল শিকিব বিচাৰা নেকি?” বান্টিয়ে তাৰ সৰু ভনীয়েক বাবলিক সুধিলে। বাবলিয়ে বৰ ভাল পালে আৰু মূৰ দূপিয়ালে। “কিন্তু তুমি যদি খেলটো খেলোতে দুখ পোৱা তেন্তে দেউতাক কব নোৱাৰিবা।” বান্টিয়ে নিশ্চিত কৰি লব খুজিলে। বাবলিয়েও নতুন খেল খেলিবলৈ পোৱাৰ আশাত বান্টিৰ কথাত মান্তি হ'ল।

“ঠিক আছে। মোৰ লগত আহা তেনেহলে।” বান্টিয়ে কলে আৰু সৰু ভনীয়েকক পিছফালৰ বাৰান্দালৈ লৈ গ'ল। সেই বাৰান্দাক কিছুমান পুৰণা অব্যৱহৃত বস্তু থবলৈ ব্যৱহাৰ কৰা হৈছিল। সি তাৰ মাজৰ পৰা কিবা এটা উলিয়াই আনিলে।

“বাইচাইকেল! এইখন আমাৰ নহয়। কাৰনো? আঁচৰিত হৈ বাবলিয়ে সুধিলে।

“মই মোৰ বন্ধু ৰাজাৰ পৰা দুদিনমানৰ বাবে খুজি আনিছো।” বুকু ফিন্দাই বান্টিয়ে কলে। বান্টিয়ে চাইকেল চলাবলৈ বৰ ভাল পাইছিল। সি বহুত দিনৰে পৰা তাক এখন বাইচাইকেল কিনি দিবলৈ কুটুৰি আছিল। দেউতাকেও এটাৰ পিছত এটা অজুহাত দেখুৱাই পিছুৱাই আছিল। বান্টিয়ে জানে যে আজি দেওবাৰে দেউতাক নিশ্চয়কৈ শাক-পাচলিৰ বজাৰ কৰিবৰ বাবে সাপ্তহিক বজাৰখনলৈ যাব। তেতিয়া সি মনে মনে বন্ধু ৰাজাৰ পৰা খুজি অনা বাইচাইকেলখন চলাব পাৰিব। সি সেইখন আগদিনা ৰাতিয়েই ৰাজাৰ পৰা আনি সেই বাৰান্দাত কাপোৰেৰে ঢাকি থৈছিল।

“বাবলি, তুমি পিছৰ ছিটত বহিব পাৰিবানে?” বান্টিৰ কথা শুনি সন্দেহৰ সুৰত বাবলিয়ে কলে, “তুমি কেনেকৈ বাইচাইকেল চলাব লাগে নাজানাই দেখোন। তুমি মোক পেলাবা। মই হলে তোমাৰ লগত নুঠো দেই।” তাই কলে।

পি ঐশ্বৰ্য

''মই তোমাক নেপেলাও নহয়। বাইচাইকেল কেনেকৈ চলাব লাগে মই ভালকৈয়ে জানো। তুমি নিজেই গম পাবা।'' বান্টিয়ে কলে আৰু জোৰ কৰি ভনীয়েকক পিছৰ ছিটত উঠাই দিলে। পৰি যাব বুলি বাবলিয়ে বৰ ভয় খালে। কিন্তু তাই বাইকেলত উঠাৰ সুবিধাটোও এৰিব নুখুজিলে। বান্টিয়ে প্ৰায় আধাঘন্টা মান বাইচাইকেলখন চলাই ফুৰিলে। হঠাতে সি দেউতাকক বজাৰৰ পৰা ঘূৰি অহা দেখা পাই ভয় খালে আৰু চাইকেলখনৰ নিয়ন্ত্ৰণ হেৰুৱাই মাটিত বাগৰি পৰিল। পিছফালৰ ছিটত বহি থকা বাবলি শিলৰ ওপৰত পৰাত ছাল ছিগি তেজ ওলাই আহিল। ককায়েকক কৰা প্ৰতিজ্ঞাৰ কথা পাহৰি তাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। বাবলিৰ কান্দোন শুনা পাই দেউতাক লৰালৰিকৈ ওচৰ চাপি আহিল। দেউতাকক সেইফালে অহা দেখা পাই বান্টিয়ে বৰ ভয় খালে আৰু চাইকেলত উঠি তাৰ পৰা পলাই পত্ৰং দিলে।

এঘন্টা মানৰ পিছত বান্টি মেকুৰীৰ দৰে মনে মনে আহি ঘৰত সোমাল। ''ভাত-পানী নোখোৱাকৈ ইমান সময় ক'ত আছিলি ? হাত-মুখ ধুই খাই ল'হি।'' মাকে কলে।

সেইসময়ত তাৰ দেউতাক ঘৰত নাছিল। কিন্তু দেউতাকলৈ বান্টিয়ে বৰ ভয় কৰি আছিল, কিজানিবা সি মনে মনে বাইচাইকেল চলাই ভনীয়েকক পেলোৱাৰ বাবে দেউতাকে শাস্তি দিয়ে। কিন্তু ঘৰলৈ ঘূৰি অহাৰ পিছতো দেউতাকে তাক গালি নাপাৰিলে।

পিছদিনা স্কুলৰ পৰা বান্টিয়ে ঘৰলৈ ঘূৰি আহি দেখিলে যে ঘৰৰ আগফালে এখন নতুন চিকচিকাই থকা বাইচাইকেল ৰখাই থোৱা আছে। সি একো বুজিব নোৱাৰিলে।

''সেইখন মই তোমাৰ বাবেই কিনি আনিছো বান্টি। মই জানো যে তুমি বাইচাইকেল আনৰ পৰা ধাৰ কৰি আনি শিকিছা। তুমি পৰি যোৱাৰ পৰা উঠি পুণৰ চেষ্টা কৰাও মই দেখা পাইছো। মোক দেখা পাই ভয় খাই তুমি নিয়ন্ত্ৰণ হেৰুৱাই তোমাৰ সৰু ভন্টিক পেলালা। কিন্তু এইটো ভাল কথা যে তুমি ইতিমধ্যেই বাইচাইকেল চলাবলৈ শিকি পেলাইছা।'' তাৰ দেউতাকে কলে।

দেউতাক কথা শুনি বান্টি বৰ সুখী হ'ল। সি লগে লগে চাইকেলখন লৈ লগৰ সকলো বন্ধুক দেখুৱাবলৈ গ'ল।



জংঘলী কোন ?

এসময়ত মিশ্র দেশত মেহেৰ নামৰ এজন প্ৰখ্যাত চুলতানে শাসন কৰিছিল। তেওঁ নিজৰ স্থিতিক লৈ একেবাৰেই সন্তুষ্ট নাছিল। তেওঁ নিজৰ ৰাজ্য আৰু বিস্তাৰ কৰিব বিচাৰিছিল। গতিকে তেওঁ নিশ্চয় কৰিলে যে ওচৰে পাজৰে থকা সকলো ৰাজ্য জয় কৰি সেইবিলাকৰ পৰা কৰ সংগ্ৰহ কৰি নিজকে এজন সম্ৰাটৰূপে প্ৰতিষ্ঠা কৰিব। এই আঁচনি পাণ্ডি তেওঁ এটা বিশাল সৈন্যবাহিনী গঠন কৰিলে আৰু ৰাজ্য জয়ৰ হেতুকে যাত্ৰা আৰম্ভ কৰিলে।

আক্ৰমণকাৰী মেহেৰ বাহিনীক কিছুমান ৰাজ্যই গোট বান্ধি প্ৰতিৰোধ কৰিবৰ বাবে চেষ্টা কৰিলে। কিন্তু সমুদ্ৰৰ ঢৌৱে বালিঘৰ ভঙাদি মেহেৰৰ বিশাল সৈন্যবাহিনীয়ে হেলাৰঙে সেই ৰাজ্যসমূহৰ সৈন্যসকলৰ পৰাজিত কৰিলে। সেই যুদ্ধত বহুটো বীৰৰ নিপাত হ'ল। কিছুমান ৰজাই গোট বান্ধি যুদ্ধ কৰিও একো ফলাফল লাভ কৰিব নোৱাৰি পৰাজয় স্বীকাৰ কৰিলে আৰু কৰ দিবলৈ ৰাজী হ'ল।

এইদৰে এখন এখনকৈ ৰাজ্য জয় কৰি যোৱাৰ লগে লগে মেহেৰৰ জয়ৰ তৃষ্ণাও বৃদ্ধি পালে। অধীনলৈ অহা ৰাজ্যৰ পৰা লাভ কৰা ধন জমা কৰি তেওঁ আৰু অধিক সেনাক কামত মকৰল কৰিলে আৰু নতুন নতুন ৰাজ্য আক্ৰমণ কৰা অব্যাহত ৰাখিলে। এইদৰে তেওঁ বহুতো ৰাজ্য জয় কৰি অধীন কৰিলে। এইদৰে তেওঁলোকে শিকাগু ৰাজ্য পালেগৈ।

শিকাগু আছিল পাহাৰ আৰু জংঘলেৰে ভৰা দেশ। বহু ৰাজ্য জয় কৰাৰ পিছত

কে. ধনদাপানি

অহংকাৰী হৈ মেহেৰে সেই দেশ জয় কৰিবৰ বাবে পাহাৰ বগোৱা আৰম্ভ কৰি দিলে। কিন্তু এবাৰ পাহাৰ বগোৱাৰ পিছত নামি অহা ইমান উজু নাছিল। এইদৰে শিকাগু ৰাজ্যৰ দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাত শিকাগুৰ সৈন্যই প্ৰত্যাক্ৰমণ কৰিলে আৰু মেহেৰ বাহিনীৰ বহু সৈন্য নিধন হ'ল। ৰাতি যেতিয়া মেহেৰৰ সৈন্যই শিবিৰত শুই থাকে, তেতিয়া শিকাগু ৰাজ্যৰ সৈন্যই অতৰ্কিতে পাহাৰ বগাই নামি আহে আৰু মেহেৰ বাহিনীৰ বহু সৈন্যক বধ কৰি পুণৰ গুচি যায়।

এইদৰে বহু সৈন্যৰ প্ৰাণ নাশ হোৱাত মেহেৰ বাহিনীৰ সেনাপতিয়ে চুলতানৰ ওচৰলৈ গৈ কলে, "জাহাপানাহ, আমি এই পাহাৰ বগোৱা বাদ দি নিজৰ ৰাজ্যলৈ উভতি যোৱাই উচিত হব। জীৱিত অৱস্থাত উভতি যাবলৈ সকলো সৈনিক উত্ৰাৱল হৈ আছে।" কিন্তু মেহেৰে সেনাপতিৰ অনুৰোধ ৰক্ষা নকৰিলে।

"হুজুৰ, আপুনি ইতিমধ্যেই সম্ৰাট হিচাপে খ্যাতি লাভ কৰিছে। এক বিশাল সম্ৰাজ্যৰ অধিপতি হৈ পৰিছে। ইমানতে সন্তুষ্ট হলেই আমাৰ লাভ হব। যিবিলাক দেশ ইতিমধ্যেই আমাৰ অধীন হৈ পৰিছে, সেইবিলাক দেশক বশ কৰি ৰাখিব পাৰিলেই আমাৰ বাবে যথেষ্ট।" সেনাপাতিয়ে পুণৰ কলে।

মেহেৰে কলে, "এই শিকাগু ৰাজ্যৰ ৰজাক বশ কৰিবই লাগিব। ইয়াক অধীন কৰিবই লাগিব। ইমানবিলাক ৰজাক আমি অধীন কৰি পেলালো, এই সামান্য পাহাৰীয়া ৰজাকনো অধীন কৰিব নোৱাৰিমনে?"

চুলতানৰ হুকুম কোনে নমনাকৈ থকিব পাৰে? কাৰো কথালৈ কাণ-সাৰ নকৰি অনেক পইছা খৰচ কৰি চুলতানে নতুন নতুন সৈন্য নিযুক্ত কৰি সৈন্যবাহিনী পুণৰ গঠন কৰিলে। কিন্তু মেহেৰে এই কথা বুজিব নোৱাৰিলে যে শিকাগু ৰজাক বশ কৰিবলৈ কৰা জেদৰ ফলত তেওঁৰ সমগ্ৰ ৰাজ্য ধ্বংস হব পাৰে।

তেওঁ নিজৰ সেনাবাহিনীৰ সন্মুখলৈ গৈ ঘোষণা কৰিলে- ‘‘যিয়েই পাহাৰী ৰজাক জীয়াই জীয়াই বা মৃত অৱস্থাত ধৰি আনিব পাৰিব, তাকেই এহেজাৰ সোণৰ মুদ্রা উপহাৰ হিচাপে দিয়া হব।’’

প্ৰথমতে পাহাৰী ৰজাই মেহেৰৰ লগত সন্ধি কৰিব খুজিছিল। কিন্তু তেওঁ এই কথা জানিব পাৰিলে যে মেহেৰে এই প্ৰস্তাৱ মানি নলব। সন্ধিৰ প্ৰস্তাৱ লৈ যাওতে মেহেৰৰ সৈন্যাই বন্দী কৰি হত্যাও কৰিব পাৰে। গতিকে যুদ্ধ কৰি বীৰগতি প্ৰাপ্ত হোৱাই উচিত হব। এই ভাৱি শিকাগুৰ ৰজাই সকলো সৈন্য, হাতী ঘোঁৰা একত্ৰিত কৰি পাহাৰৰ মাজে মাজে লুকাই লুকাই যুদ্ধ কৰি থাকিল। সেই মহাযুদ্ধত মেহেৰৰে জয় হ'ল। পাহাৰী ৰজাৰ এজন সৈন্যও বাচি নাথাকিল।

‘‘পাহাৰী ৰজা ক'ত?’’ মেহেৰে সুধিলে।

‘‘হুজুৰ, তেওঁ নিশ্চয় আঘাট প্ৰাপ্ত হৈ মৃত সৈন্যৰ মাজত পৰি আছে।’’ এজন সৈনিকে কলে। পাহাৰী ৰজাক চাবৰ বাবে তেওঁ নিজেই গৈ তাত উপস্থিত হলগৈ। তাত উপস্থিত হৈ দেখিলে এক ভয়ংকৰ আকাৰৰ কলা বৰণৰ লোক মৰাশৰ মাজত থিয় হৈ ইফালে সিফালে চাই আছে।

সেই মানুহটোক দেখি মেহেৰে সুধিলে, ‘‘তুমি কোন?’’



‘‘নৰমাংস খাদকৰ বাহিৰে আৰু কোন হব পাৰে? মৰাশ দেখি হয়টো মাংস খাবলৈ আহিছে।’’ সেনাপতিয়ে কলে।

সৈন্যসকলৰ কথা সঁচা আছিল। আফ্ৰিকা দেশৰ জংঘলত বোলে মানুহৰ মাংস খোৱা লোক আছে।

মেহেৰে সেই নৰমাংস ভক্ষকক কলে, তুমি খাবৰ বাবে বহু মাংস পালা। কিন্তু ইফালে সিফালে কি চাই আছা। তোমাৰ যিটোৰেই পচন্দ সেইটো মৰাশই বাচি লোৱা।’’

‘‘এই সকল লোকক কিনোবাই নিজে খাবৰ বাবে বধ কৰিছে। মোকতো খাবৰ বাবে কেৱল এটাহে মৰাশ লাগে। মই তেওঁৰ অনুমতি লৈ এটা শ খাব খুজিছো।

গতিকেই এই সকলো লোকক হত্যা কৰা হত্যাকাৰীলৈ অপেক্ষা কৰি আছো।'' সেই কলা মানুহটোৱে কলে।

মেহেৰে হাঁহি মাৰি কলে, ''এই সকলো লোকক ময়েই বধ কৰিলো, কিন্তু খাবৰ বাবে নহয়।''

আঁচৰিত হৈ সেই কলা মানুহটোৱে প্ৰশ্ন কৰিলে, ''খাবৰ বাবে নহয়? তেনেহলে ইমান লোকক কিয় হত্যা কৰিলে?''

মেহেৰে সেনাপতিৰ ফালে চাই কলে, ''ই একেবাৰে জংঘলী। ইয়াৰ মূৰত কোনো কথা সোমোৱা নাই।'' তেনেতে চুলতানৰ পিছফালৰ পৰা কাৰোবাৰ হাঁহিৰ শব্দ শুনা গ'ল। চুলতানে তৎক্ষণাত ঘূৰি চাই দেখিলে যে পিছফালে এজন সন্যাসী থিয় হৈ আছে।

''মহাত্মা, আপুনি মোৰ কথা শুনি হাঁহিলে কিয়?'' মেহেৰে সুধিলে।

''চুলতান, আপুনি জংঘলী বুলি কৈ এই নৰমাংসখাদকক তিৰস্কাৰ কৰিলে। কিন্তু ই কেৱল খাবৰ বাবেহে মানুহক হত্যা কৰে, বিনা কাৰণত কাৰো প্ৰাণ নলয়। বিপৰীতে আপুনি নিজৰ সম্ৰাজ্য বৃদ্ধি কৰিবৰ বাবে ৰণ বাদ্য বজাই লাখ লাখ লোকৰ বিনা কাৰণতে প্ৰাণ ললে। এই কথা সঁচা নহয় জানো? এতিয়া অলপ ভালকৈ ভাৱি মোক কওক যে আপোনালোক দুয়োজনৰ মাজত আঁচলতে জংঘলী কোন? আপুনি নে এই নৰমাংস খাদক?'' সন্যাসীৰ কথা শুনি চুলতানৰ মূৰত যেন বজ্ৰপাতহে পৰিল। সন্যাসীৰ প্ৰশ্নৰ অৰ্থ অনুধাৱন কৰিব পাৰি চুলতান মেহেৰে লাজ পাই অধোবদনে থিয় হৈ থাকিল।

ইমানেই নহয়। সেই সময়তে তেওঁৰ মন সম্পূৰ্ণ পৰিৱৰ্তন হৈ পৰিল। তেওঁ প্ৰতিজ্ঞা কৰিলে যে সেইদিনাৰ পৰা তেওঁ কেতিয়াও যুদ্ধ নকৰে আৰু কাৰো প্ৰাণ নলয়।



এটা মিছা কথাৰ মূল্য

পিতৃ-মাতৃ এটা নাও দুৰ্ঘটনাত মৃত্যুবৰণ কৰাৰ সময়ত গোবিন্দৰ বয়স আছিল কেৱল চৌধ বছৰ।

তেওঁলোকৰ গাৱঁৰ খুচুৰা বিক্ৰী কৰা দোকানীজনৰ নাম আছিল কৃষ্ণ। গোবিন্দৰ ভাৰ তেওঁ নিজৰ হাতত ললে। প্ৰথমতে তেওঁ তাক নিজৰ দোকানত এটা চাকৰি দিলে। নিজৰে ঘৰতে তাক থাকিবলৈ দি খোৱা বোৱা সকলো দি ৰাখিলে। আনকি দোকানত কাম কৰাৰ বাবে মাহিলী দৰমহাও দিলে। যি কি নহওক, কৃষ্ণই গোবিন্দৰ হাতত দৰমহা নিদি তাৰ নামত বেংকত এটা একাউন্ট খুলি তাতে মাহে মাহে জমা কৰি ৰাখিলে। তেওঁ চিন্তা কৰিছিল যে যেতিয়া গোবিন্দ ডাঙৰ হৈ বিয়া বাৰু কৰিবৰ হব তেতিয়া সেই টকা কামত আহিব।

কৃষ্ণই গোবিন্দক নিজৰ পৰিয়ালৰে এজনৰ দৰে ব্যৱহাৰ কৰিছিল। তাৰ এটা কাৰণ আছিল যে কৃষ্ণৰ কোনো সতি সন্ততি নাছিল। গোবিন্দ আছিল কঠোৰ পৰিশ্ৰমী আৰু সৎ। লাহে লাহে গোবিন্দৰ ওপৰত কৃষ্ণৰ বিশ্বাস বৃদ্ধি পাই আহিল। কেতিয়াবা তেওঁ গোটেই দোকানৰ ভাৰ গোবিন্দৰ ওপৰতে এৰি আন ব্যৱসায়ৰ কামত ব্যস্ত হৈ পৰিছিল।

সকলো ঠিকেই চলি আছিল। কিন্তু এদিন দোকানৰ হিচাপ লিখা বহীৰ পৰা ২৫ টকা নোহোৱা হ'ল। সেইদিনা কৃষ্ণ দোকানতে আছিল। গোবিন্দই কৃষ্ণক সহায় কৰি আছিল। সেইদিনা কেৱল দুপৰীয়াৰ আহাৰ খাবলৈ যোৱাৰ বাবে এঘন্টাৰ বাবেহে কৃষ্ণ দোকানত নাছিল। তেওঁ দোকান বন্ধ কৰাৰ সময়ত হিচাপৰ বহী চাই গম পালে যে ২৫ টকা কম ওলাইছে। তেওঁ আঁচৰিত হ'ল।

তিৰুমলাশ্ৰী

বুজিব নোৱাৰিলে সেই ২৫ টকা ক'লৈ যাব পাৰে।

তেওঁ গোবিন্দক মতাই আনি সুধিলে যে সি তাৰ পৰা টকা লৈছিল নেকি। কিন্তু উত্তৰত গোবিন্দই কলে যে সেইদিনা সি হিচাপৰ বহী চুৰাই নাছিল। কৃষ্ণই গোবিন্দৰ কথা বিশ্বাস কৰিলে কাৰণ তাৰ আগলৈকে গোবিন্দই কোনো মিছা কথা কোৱা নাছিল। কৃষ্ণই মনত পেলাবলৈ চেষ্টা কৰিলে যে তেওঁ সেই ২৫ টকা ক'ত খৰচ কৰিলে।

ঠিক এমাহমানৰ পিছৰ কথা। কৃষ্ণ আৰু গোবিন্দ দুয়ো দোকানত আছিল। গোবিন্দৰ বন্ধু শিৱ তেনেসময়তে দোকানলৈ আহিল। আহিয়েই সি গোবিন্দক উত্তেজিতভাৱে কলে, ''আৰে গোবিন্দ, যোৱা মাহত তুমি কিনা লটাৰী টিকটটোত তুমি পুৰস্কাৰ লাভ কৰিছা।''

গোবিন্দ বৰ সুখী হ'ল। কলে, ''মোক দেখুৱাওচোন।'' এই বুলি বাতৰি কাকতখন থাপ মাৰি লৈ চাই দেখিলে যে তেওঁ লটাৰীত ২৫ হেজাৰ টকা লাভ কৰিছে।

এই ঘটনা দেখি কৃষ্ণ আঁচৰিত হ'ল। তেওঁ বুজিব নোৱাৰিলে যে গোবিন্দই কেতিয়া লটাৰী টিকট কিনিলে। লটাৰী টিকট কিনিবৰ বাবে সি টকা ক'ৰ পৰা পালে। তেওঁ গোবিন্দক তেওঁৰ মনত উদয় হোৱা প্ৰশ্ন কেইটা কৰি পেলালে।

উত্তৰত গোবিন্দই কলে, ''যেতিয়া আপুনি মোক সুধিছিল যে মই কেছৰ পৰা ২৫ টকা লৈছিলো নেকি, তেতিয়া মই কৈছিলো যে মই লোৱা নাই। আঁচলতে মই কেছৰ পৰা ২৫ টকা লৈয়েই লটাৰীৰ টিকট কিনিছিলো।''

কৃষ্ণই এনেদৰে গোবিন্দলৈ চালে যেন তেওঁ গোবিন্দই যি কৈছে তাক বিশ্বাসেই কৰিব পৰা নাই। তাকে দেখি গোবিন্দই কৈ গ'ল, ''যেতিয়া মোৰ আন আন বন্ধু সকলে লটাৰীৰ টিকট কিনিছিল, মই মোৰ ভাগ্যও পৰীক্ষা কৰি চাব খুজিছিলো। কিন্তু আপোনাক সঁচা কথা কবৰ বাবে ভয় খাইছিলো।'' সি এইবুলি কৈ মূৰ তল কৰিলে।

গোবিন্দই ২৫ হেজাৰ টকা লটাৰীত লাভ কৰাৰ বাবে কৃষ্ণ অতিশয় সুখী হ'ল আৰু আনন্দতে তেওঁ মানুহৰ মাজত মিঠাই বিতৰণ কৰিলে।

যেতিয়া লটাৰীৰ টকা গোবিন্দই হাতত লাভ কৰিলে, তেতিয়া কৃষ্ণই সেই টকা

অবাবতে খৰচ নকৰি বেংকত সাঁচি ৰাখিবলৈ গোবিন্দক উপদেশ দিলে। তাৰপিছত তেওঁ গোবিন্দক কলে, ''কষ্ট কৰি অৰ্জা টকা লটাৰীত খৰচ কৰা মানে হ'ল জুৱা খেলা। তুমি কষ্টেৰে অৰ্জা টকা ভৱিষ্যতে লটাৰীত নলগোৱাই ভাল।''

তাৰ কিছুদিনৰ পিছতে কৃষ্ণই গোবিন্দৰ হাতত তাৰ বেংক একাউন্টৰ পাছবুকখন দিলে, য'ত কৃষ্ণই প্ৰতি মাহে গোবিন্দৰ বাবে টকা জমা কৰি গৈছিল।

তাৰ পিছত কৃষ্ণই গোবিন্দক কলে, ''কালিলৈৰ পৰা আৰু তুমি কামলৈ আহিব নালাগে। তুমি মোৰ ঘৰৰ পৰা ওলাই গৈ নিজাকৈ বাস কৰাটো মই বিচাৰো।'' কৃষ্ণই এইদৰে গোবিন্দক বিদায় দিব খুজিলে।

কৃষ্ণৰ কথা শুনি গোবিন্দ বৰ আঁচৰিত হ'ল। সি গোবিন্দৰ ভৰিত ধৰি অনুৰোধ কৰিলে, ''অনুগ্ৰহ কৰি মোক ক্ষমা কৰি দিয়ক। মই বৰ ডাঙৰ ভুল কৰি পেলালো। তাৰ ফলত কি হব পাৰে মই চিন্তাই নকৰিলো। আজিৰ পৰা আৰু এনে ভুল মই কেতিয়াও নকৰো। আজিৰ পৰা মই কেতিয়াও মিছা কথা নকও। অনুগ্ৰহ কৰি মোক ইয়াৰ পৰা গুচি যাবলৈ নকব।''

কৃষ্ণই গোবিন্দক তুলি ধৰি কলে, ''গোবিন্দ, এয়া মই তুমি মোৰ অজ্ঞাতে পইছা লোৱাৰ বাবে কোৱা নাই বা তুমি মোক মিছা কথা কোৱাৰ বাবেও কোৱা নাই। তোমাক এই বাবেহে গুচি যাবলৈ কৈছো যে তোমাক মই আগৰ দৰে আৰু কেতিয়াও বিশ্বাসত লব নোৱাৰিম। তুমি সঁচা কথা কলেও প্ৰতি মূহুৰ্ততে মোৰ মনত এই ভাৱ আহি থাকিব যে তুমি কিজানি মোক মিছা কথা কৈছা। এই ধৰণৰ সন্দেহ আমাৰ দুয়োৰে বাবে বৰ ভাল কথা নহব।''

গোবিন্দৰ হাতত আৰু কোনো উপায় নাথাকিল। কৃষ্ণৰ ঘৰ এৰি যোৱাৰ সময়ত সি চিন্তা কৰিলে, 'এটা মিছা কথাৰ বাবে সি কিমান এটা ডাঙৰ মূল্য পৰিশোধ কৰিবলগীয়া হ'ল।'



বুদ্ধিয়ক বৃদ্ধা

ধাৰ ৰাজ্যৰ ৰজা ভোজৰাজৰ দৰবাৰত মাঘ নামৰ এজন কবি আছিল। ৰজা আৰু কবি এদিনাখন একেলগে ফুৰিবলৈ গ'ল। কবিতাৰ কথা পাতি পাতি দুয়ো বহু দূৰ পালেগৈ। সময় কিমান হ'ল তাৰ হিচাপেই নাৰাখিলে। লাহে লাহে আন্ধাৰ হৈ আহিল। যেতিয়া তেওঁলোকে ৰাজমহলৰ ফালে উভতি আহিব খুজিলে তেতিয়া ইমানেই আন্ধাৰ হৈ পৰিছিল যে ৰাস্তাই বিচাৰি নাপালে।

কাৰোবাক সুধি ৰাস্তা বিচাৰি উলিওৱাৰ মানসৰে তেওঁলোকে কাষৰে এটা জুপুৰীৰ ফালে আগুৱাই গ'ল। সেই জুপুৰীত তেওঁলোকে এজনী দুখীয়া বৃদ্ধাক দেখা পালে।

ভোজৰাজে সেই বৃদ্ধাক সুধিলে, ''আইতা, এই পথ কলৈ গৈছে?''

''এই ৰাস্তা ক'লৈ গৈছে, এই কথাটো পথাচাৰীয়েহে গম পাব। ৰাস্তাই কেনেকৈ জানিব। তুমিনো কোন?'' বৃদ্ধাই সুধিলে।

''আমি যাত্ৰী।'' মাঘে হাঁহি মাৰি কলে।

''এই সৃষ্টিত কেৱল দুজনেই যাত্ৰী আছে। চন্দ্ৰ আৰু সূৰ্য। তোমালোক কি দুয়ো চন্দ্ৰ আৰু সূৰ্য?'' বৃদ্ধাই সুধিলে।

''আমি ক্ষণিকৰ অতিথি।'' মাঘে উত্তৰ দিলে।

''ধন আৰু যৌৱন, এই দুয়োৰেই হ'ল ক্ষণিকৰ অতিথি। ক'তা, তোমালোককতো ধন আৰু যৌৱন যেন লগা নাই।'' বৃদ্ধাই তেওঁলোকক ভালদৰে পৰ্যৱেক্ষণ কৰি চাই কলে।

''আমি ৰাজ্য-পালক।'' ভোজৰাজে কলে।

ডি. দশৰথ ৰামাইয়া

''ইন্দ্ৰ আৰু যম- এই দুয়োয়েই হ'ল পালক। তোমালোকতো যম আৰু ইন্দ্ৰ নহয়।'' বৃদ্ধাই ৰজা আৰু কবিবৰৰ ফালে চাই কলে।

''কিন্তু আমি হলো সহন কৰোতা।'' ভোজৰাজে কলে।

''ভূমি আৰু স্ত্ৰীয়েই হ'ল সহন কৰোতা।'' বৃদ্ধাই কলে।

''আমি বীতৰাগ।'' মাঘে কলে।

''কেৱল শণি আৰু সংতৃষিকেই সেইবুলি কব পাৰি।'' বৃদ্ধাই কলে।

''আমি বিদেশী।'' ভোজৰাজে কলে।

''জীৱাত্মা আৰু গছৰ পানীয়েই হ'ল বিদেশী।'' বৃদ্ধাই উত্তৰ দিলে।

''আমি দুখীয়া লোক।'' মাঘে কলে।

''কৃপণ আৰু ছোৱালীয়েই হ'ল দুখীয়া।'' বৃদ্ধাই কলে।

''আমি সমৰ্থ।'' ভোজৰাজে কলে।

''পানী আৰু ভোজনকেই সমৰ্থ বুলি কব পাৰি।'' বৃদ্ধাই কলে।

''আইতা, আমি হাৰ মানিছো।'' মাঘে কলে। তেওঁলোকে এজনী বৃদ্ধাৰ লগত তৰ্ক কৰি জিকিব নোৱাৰিলে।

''ধৰুৱা আৰু ছোৱালীৰ পিতৃক বাদ দি আন কোনোৱেই হাৰিব নোৱাৰে। কিন্তু তোমালোক কোন ? তোমালোকে মোক পৰিচয়েই নিদিলা। পৰিচয় পালে মই তোমালোকৰ বাবে কিবা কৰিবলৈ চেষ্টা কৰিব পাৰো।'' বৃদ্ধাই হাঁহি মাৰি কলে।

মাঘে নিজৰ পণ্ডিতালি আঁতৰাই ৰাখি কলে- ''আইতা, এখেত হ'ল ভোজৰাজ, আৰু মোক মানুহে মাঘ বুলি কয়। আমি ৰাজধানীলৈ যোৱা পথটো বিচাৰি উলিয়াব পৰা নাই।''

''এইকথা তোমালোকে আগতে কিয় কোৱা নাছিলা ? এই ৰাস্তাইদি চিধা চিধি গৈ থাকা, ৰাজধানী পাবাগৈ।'' বৃদ্ধাই কলে।

ভোজৰাজ আৰু মাঘে বৃদ্ধাই কোৱা ৰাস্তাৰে গৈ ৰাজধানী পালেগৈ। ৰাজমহল পাই ভোজৰাজে বৃদ্ধাৰ বাবে নানা ধৰণৰ উপহাৰ প্ৰেৰণ কৰিলে।





তানসেন

তানসেন আছিল বাদছাহ আকবৰৰ দৰবাৰৰ গায়ক। গায়ক হিচাপে তানসেনৰ কীৰ্তি দূৰলৈকে বিয়পি পৰিছিল। আকবৰৰ ৰাজসভাত বীৰবল নামৰ এজন বিদুষকো আছিল। তেওঁ আছিল বাদছাহৰ প্ৰাণৰ সমান।

এবাৰ বীৰবল বাদছাহৰ ওচৰলৈ গৈ উৎসুক হৈ সুধিলে, ‘‘হুজুৰ, কোৱা হয় যে দীপক ৰাগ বৰ সুন্দৰ। সেই ৰাগ শুনিবলৈ মোৰ বৰ ইচ্ছা হৈছে।’’

বাদছাহে কলে, ‘‘এয়ানো কি ডাঙৰ কথা। আহা, আমি এতিয়াই শুনি পেলাও।’’ এইবুলি আকবৰে তানসেনক মতাই আনিলে আৰু দীপক ৰাগ গাবলৈ আজ্ঞা দিলে। সেই সময়ত সংগীতজ্ঞ তানসেনে কাৰো আগত দীপক ৰাগ নাগাইছিল। কিন্তু কি কৰা যায়? তানসেনৰ বাবে বাদছাহৰ হুকুম নমনাটোও সম্ভৱপৰ নাছিল। গতিকে বেছি নভৱাকৈ তানসেনে ৰাগ গাবলৈ আৰম্ভ কৰি দিলে।

আলাপ আৰম্ভ কৰাৰ লগে লগে তানসেনৰ হৃদয়ৰ ভিতৰত কিবা জ্বলিবলৈ ধৰা যেন বোধ হ’ল। তথাপি তেওঁ গোৱা বন্ধ নকৰি গাই গ’ল।

ৰাগ গাই শেষ কৰাৰ পিছতো তেওঁৰ অন্তৰত সেই জ্বলন থাকি গ’ল। তাৰ পৰাই তেওঁৰ স্বাস্থ্য ভাঙি পৰিল। এনে অৱস্থাতে তানসেনে বাদছাহ আকবৰৰ অনুমতি লৈ গুজৰাটৰ সবৰমতী নদীৰ কাষ পালেগৈ।

সেই সময়ত মোগলে গুজৰাট আক্ৰমণ কৰাৰ পৰিকল্পনা কৰি আছিল। সেই

এছ.জে. ৰাও

ভয়তে সকলো স্ত্ৰীয়ে ৰাতিপুৱাৰ আগতেই গৈ নদীৰ পৰা পানী লৈ আহিছিল।

এখন গাৱঁৰ পৰা দুজনী বাই-ভনী পানী নিবলৈ সবৰমতী নদীৰ পাৰলৈ আহিছিল। তেওঁলোকৰ ডাঙৰজনীৰ নাম আছিল তানী আৰু সৰুজনীৰ নাম আছিল নানী। এদিনাখন তেওঁলোক দুজনীয়ে পানী নিবলৈ আহোতে তানসেনক নদীৰ পাৰত বহি থকা দেখিলে।

তেওঁক দেখা পাই, তেওঁৰ মুখৰ পৰা প্ৰয়াস নকৰাকৈয়ে এই কথা ওলাই আহিল, 'এনে লাগিছে যে কোনোবাই দীপক ৰাগ গোৱাৰ বাবে কষ্টপাই আছে।'

এই কথা শুনি তানসেন বৰ আচৰিত হ'ল। তেওঁ সেই যুৱতী দুগৰাকীৰ কাষলৈ গৈ তেওঁৰ সকলো কাহিনী বৰ্ণনা কৰিলে। প্ৰথমতে তেওঁলোকে তানসেনৰ কথা বিশ্বাস কৰা নাছিল। কিন্তু তানসেনে তেওঁলোকক 'ভনী, ভনী' বুলি সম্বোধন কৰাত তেওঁলোকৰ ভয় আঁতৰি গ'ল আৰু তানসেনৰ কাহিনী মনপুতি শুনিলে।

তানসেনৰ কাহিনী শুনি দুয়ো বাই-ভনীৰ তানসেনৰ ওপৰত পুতৌ উপজিল আৰু তেওঁক ঘৰলৈ লৈ গ'ল। তানসেনে অলপ আৰাম কৰাৰ পিছত তানীয়ে মিঠা সুৰেৰে মেঘমল্লাৰ ৰাগ গাবলৈ আৰম্ভ কৰিলে। এবাৰ নহয়, দুবাৰ নহয়, তেওঁ বহুবাৰ মেঘমল্লাৰ ৰাগ গাই শুনালে। মেঘমল্লাৰ ৰাগৰ প্ৰতিক্ৰিয়া দীপক ৰাগৰ ঠিক ওলোটা হয়। লাহে লাহে তানসেনৰ হৃদয় শাত পৰি আহিল। তেওঁৰ মনৰ আশান্তি কম হৈ আহিল। যেতিয়া তানসেন এই চিকিৎসা লাভ কৰি সম্পূৰ্ণ ভাল হৈ পৰিল, তেতিয়া সেই দুই বাই-ভনীয়ে তানসেনক শপত খুৱালে যাতে এই ৰহস্য তেওঁ কাৰো আগত ব্যক্ত নকৰে। তাৰ পিছত তেওঁলোকে তানসেনক বিদায় দিলে। তানসেনে তাৰ পৰা যাত্ৰা কৰি কিছুদিনৰ পিছত দিল্লীত্ উপস্থিত হ'ল।

তানসেনক সুস্বাস্থ্যৰ সৈতে দেখা পাই বাদছাহ বৰ আনন্দিত হ'ল। তানসেন কেনেকৈ পুণৰ সুস্বাস্থ্যৰ অধিকাৰী হ'ল সেই কথা বাদছাহে দৰবাৰৰ পণ্ডিত সকলৰ দ্বাৰা জানি পেলালে। তেতিয়া

তেওঁৰ মনত মেঘমল্লাৰ ৰাগ শুনাৰ ইচ্ছা জাগিল।

এইবাৰ বাদছাহে তানসেনক মেঘমল্লাৰ ৰাগ গাবলৈ হুকুম দিলে। কিন্তু তানসেনে সেই ৰাগ নাজানিছিল। বাদছাহে তানসেনৰ কথা নুশুনি তেওঁক সেই ৰাগ শুনাবই লাগিব বুলি যেতিয়া দাবী কৰিলে, তেতিয়া মৃত্যুৰ ভয়ত তানসেনে বাদছাহক সবৰমতী নদীৰ পাৰৰ সেই গাঁৱলৈ লৈ গ'ল।

আনদিনাৰ দৰে সেইদিনাও তানী আৰু নানী পানী নিবলৈ নদীৰ পাৰলৈ আহিছিল। তেওঁলোকে তানসেনৰ লগতে তাত বাদছাহক দেখি আঁচৰিত হ'ল।

বাদছাহে তেওঁলোকৰ কাষলৈ গৈ মেঘমল্লাৰ ৰাগ শুনাবৰ বাবে অনুৰোধ কৰাত দুয়ো বাই-ভনীয়ে বাদছাহৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি মান্তি হ'ল।

বিশেষ ৰূপত সজাই তোলা সভাগৃহত বহি দুয়ো বাই-ভনীয়ে মেঘমল্লাৰ ৰাগ গাবলৈ আৰম্ভ কৰিলে। ৰাগ শুনি বাদছাহৰ হৃদয় সুখেৰে ভৰি পৰিল। তেওঁ দুয়ো বাই-ভনীৰ পতিৰ নামত দুটা ডাঙৰ ডাঙৰ জায়গীৰ প্ৰদান কৰিলে। তানী আৰু নানী কেৱল সংগীত বিদ্যাতেই পাৰদৰ্শী নাছিল, একেসময়তে তেওঁলোক আছিল পতিব্ৰতাও।

সেই সময়ত বিবাহিত স্ত্ৰীয়ে ৰাজহুৱা স্থানত এইৰে সংগীত পৰিবেশন কৰাটো বৰ ভাল চকুৰে চোৱা হোৱা নাছিল। সংগীত পৰিবেশন শেষ হোৱাৰ পিছত বাদছাহৰ লগতে সকলোৱে বৰ প্ৰশংসা কৰিলে। বাদছাহে নানা উপহাৰ প্ৰদান কৰিলে। সকলো অনুষ্ঠান শেষ হোৱাৰ পিছত দুয়ো বাই-ভনীয়ে লগত অনা চুৰিৰে দুয়ো দুয়োকে বিদ্ধ কৰিলে আৰু মজিয়াত বাগৰি পৰিল। এই ঘটনা দেখি তানসেনো সংজ্ঞাহীন হৈ পৰিল।

পিছত খবৰ পাই তানী আৰু নানীৰ স্বামীও তাত গৈ উপস্থিত হ'ল। লাজতে বাদছাহে মুখ ওপৰ কৰিব নোৱাৰিলে। তেওঁ ভাৱিলে যে তেওঁ অবিবেচকৰ দৰে নভৱা-নিচিন্তাকৈ কাম কৰি ভুল কৰিলে

আৰু তাৰ পৰিণামত দুগৰাকী স্ত্রীয়ে প্ৰাণ দিবলগীয়া হ'ল।

দুয়ো বাই-ভনীয়ে সভা গৃহলৈ যোৱাৰ আগতে নিজৰ নিজৰ পতিলৈ একোখন চিঠি লিখি থৈ গৈছিল। সেই চিঠি আছিল এই প্ৰকাৰৰ-

'মোগল সম্ৰাটৰ আজ্ঞা পালন কৰি আমি ৰাজহুৱা সভাগৃহত সংগীত পৰিবেশন কৰিবলীয়া হৈছে। এইদৰে বহুজনৰ উপস্থিতত ৰাজহুৱা স্থানত সংগীত পৰিবেশন কৰাটো আমাৰ পতিব্ৰতা ধৰ্মৰ বিৰোধী। গতিকে আমি আমাৰ প্ৰাণ আহুতি দিবলৈ সিদ্ধান্ত ললো। স্বৰ্গত আমি পুণৰ লগ হম। বিদায়.....'

মেঘমল্লাৰ ৰাগ গাই দুয়ো বাই-ভনীয়ে তানসেনক মৃত্যুৰ মুখৰ পৰা বচাইছিল। তেওঁ নিজৰ প্ৰতিজ্ঞা ৰাখিব নোৱাৰাৰ বাবে তেওঁলোক দুয়োজনীয়ে প্ৰাণ বিসৰ্জন দিবলগীয়া হ'ল। নিজকে তানী আৰু নানীৰ মৃত্যুৰ কাৰণ বুলি ধৰি লৈ তানসেন বৰ দুখী হৈ পৰিল। তেওঁ সেই ভগ্নীদ্বয়ৰ নাম কেনেকৈ চিৰস্থায়ী কৰিব পাৰি তাকে চিন্তা কৰিবলৈ ধৰিলে।

তেওঁ সেইবাবে সংগীতৰ স্বৰৰ মাজত য'তেই ঔ আহে, তানসেনে নিজৰ সংগীতত তাতেই 'তোন তানা নানা' ব্যৱহাৰ কৰিবলৈ ধৰিলে। এই প্ৰথা আজিও সংগীতত প্ৰচলিত হৈ আছে। এইদৰেই তানসেনে সেই দুয়ো বাই-ভনীক অমৰত্ব প্ৰদান কৰিলে। তেওঁলোক সংগীতৰ অংশ হৈ পৰিল।

কেৱল ইমানেই নহয়, প্ৰথম তানসেনে সেই বাই-ভনীক যি ঠাইত লগ পাইছিল, তাতে তেওঁলোকৰ স্মৃতিত এক সংগীত মন্দিৰ স্থাপন কৰিলে। সেয়া আজিও আহমেদাবাদৰ অলীস পুলৰ কাষত বিদ্যমান হৈ আছে।

জংঘলীৰ সাহস

এবাৰ পাৰ্বতী আৰু পৰমেশ্বৰ কাশী নগৰীৰ আকাশত ফুৰিবলৈ ওলাল। তাত হেজাৰ হেজাৰ নৰ-নাৰী গংগা নদীত স্নান কৰি আছিল। কিছুমানে পুজা কৰি আছিল, কিছুমানে ধৰ্মমূলক গীত গাই আছিল।

এই সকলো দেখি পাৰ্বতীয়ে পতিদেৰ শিৱক সুধিলে, "মহাদেৱ, প্ৰতিদিনাই তোমাক ভক্তি কৰিবৰ বাবে ইমান লোক কাশী নগৰীলৈ আহে। সকলো তোমাৰ ওচৰলৈ আহিব পাৰিবনে? যদি এই সকলো কৈলাশলৈ আহে, তেওঁলোকৰ বাবে কৈলাশত যথেষ্ট ঠাই থাকিবনে?"

এই প্ৰশ্নৰ উত্তৰত শিৱই কলে, "তুমিও যে কিমান সৰল। তোমাৰ ধাৰণা এয়ে নে কি যি লোকেই কাশীলৈ আহে সেই সকলোৰেই কৈলাশত স্থান পাব? পুণ্য ক্ষেত্ৰ দৰ্শন নকৰাকৈও লোক কৈলাশলৈ আহিব পাৰে। মোৰ কাষলৈ আহিবৰ বাবে কোন যোগ্য, সেই কথা মই তোমাক প্ৰত্যক্ষ কৰাম।"

পাৰ্বতী আৰু পৰমেশ্বৰ দুয়োয়ে এক বৃদ্ধ দম্পত্তিৰ ৰূপ লৈ বিশ্বেশ্বৰ মন্দিৰৰ ওচৰলৈ গৈ এজোপা প্ৰকাণ্ড বৃক্ষৰ তলত বহি পৰিল। শিৱই মায়াৰ বলত নিজৰ দেহ আৰু মুখত বাৰ্ধক্যৰ কষ্ট প্ৰতিফলিত কৰি তুলিলে।

বিশ্বেশ্বৰ মন্দৰি দৰ্শন কৰিবৰ বাবে নানা ঠাইৰ পৰা ভক্তৰ আগমণ হয়। তেওঁলোকৰ বেছিভাগেই সেই বৃদ্ধ দম্পত্তিৰ ফালে কাণ-সাৰেই নকৰিলে। আন কিছুমানে নাক কোঁচাই গুচি গ'ল।

তেনে সময়তে এজন যাত্ৰী আহিল। তেওঁক দেখি বৃদ্ধাৰূপী পাৰ্বতীয়ে কবলৈ ধৰিলে, "বাবু, এয়াই মোৰ পতি। তেওঁ

ভি. মাৰ্কাণ্ডেয় ৰাও

মৰিবলৈ গৈ আছে। তেওঁৰ মুখত অলপমান পানী দি পুণ্য লাভ কৰক। ভগৱানে আপোনাৰ মংগল কৰিব।''

এই কথা শুনি যাত্ৰীজনে বিৰক্তি লাভ কৰি কলে, ''ইয়াত বহু ভিক্ষাৰী আছে। তাৰে বহুতৰে মৰো মৰো অৱস্থা। মই যদি সকলোৰে মুখত পানী দিও, মোৰ নিজৰ কাম নিসিজিব। মই ইমান টকা খৰচ কৰি পূণ্য কৰিবৰ বাবে ইয়ালৈ আহিছো। তোমাৰ মৃতপ্ৰায় স্বামীৰ মুখত পানী দিবৰ বাবে নহয়।'' এই বুলি কৈ যাত্ৰীজন তাৰ পৰা গুচি গ'ল।

তাৰ অলপ সময় পিছত পৰম ভক্ত যেন লগা আন এজন ব্যক্তি সেইফালে আহিল। বৃদ্ধাৰ কথাত তেওঁ গংগাৰ পৰা পানী আনি বৃদ্ধৰ মুখত পানী দিব খুজিলে। তেনেতে বৃদ্ধাই কলে, ''পুত্ৰ, মোৰ কথা শুনা, মোৰ পতিৰ মুখত পানী দিয়াৰ আগতে পালন কৰিবলগীয়া এটা নিয়ম আছে। যেতিয়াৰে পৰা তুমি বুজিব পৰা হৈছা, তেতিয়াৰে পৰা তুমি কোনো পাপ কাৰ্য নকৰা হব লাগিব। যদি তুমি কোনো পাপ কৰা নাই, তেতিয়াহলে পানী দিয়া। মিছা কথা নকবা। মিছা কথা কৈ পানী দিলে তেওঁৰ মৃত্যু হব আৰু তাৰ পাপো তোমাৰ ওপৰতে পৰিব।''

এই কথা শুনি ভক্তই কলে, ''খাবলৈ একো এটা নাই, কৰিব একো এটা নোৱাৰে, নিয়ম বনাবলৈ আহিছে। যদি এই বৃদ্ধ মৰি থাকে তেন্তে তাৰ পাপো মোৰ গাতে লাগিব। উপকাৰীক অজগৰে



খায়।'' এইবুলি কৈ সেই ভক্ত তাৰ পৰা গুচি গ'ল। তাৰপিছত বহুসময়ত সেই বৃদ্ধ দম্পত্তি থকাৰ ফালে কোনো নাহিল।

এটা সময়ত সেইফালেদি এজন জংঘলী বিশ্বেশ্বৰ মন্দিৰ দৰ্শন কৰিবলৈ আহিল। বৃদ্ধাৰ আৰ্তনাদ শুনি তেওঁ সেইফালে গ'ল। বৃদ্ধাৰ কথামতে গংগাৰ পৰা পানী আনি বৃদ্ধৰ মুখত দিবলৈ লওতেই সেই নিয়মৰ কথা শুনি প্ৰথমতে অলপ আঁচৰিত হ'ল।

তাৰপিছত তেওঁ আকৌ এবাৰ বৃদ্ধ দম্পত্তিৰ মুখলৈ চালে। তেওঁ সেই বৃদ্ধ আৰু বৃদ্ধাৰ চেহেৰাত এক দিব্য জ্যোতিৰ দৰে কিবা দেখা পালে।

জংঘলী লোকজনে ভাৱিলে, 'প্ৰতি

মনুষ্য জন্ম হোৱাৰে পৰা কিবা নহয় কিবা পাপ আচৰণ কৰে। এই ধৰাত এনে কোনো লোক নাই যি কোনো পাপ কৰা নাই। মই জংঘলত থাকো আৰু জীৱ হত্যাই মোৰ পেশা। মোক ভগৱানেই এই পেশা দিছে। ঈশ্বৰে দিয়া পেশাৰ বাবে মই দায়বদ্ধ নহও। এয়াও সঁচা যে এই বৃদ্ধ দম্পত্তি সাধাৰণ লোক নহয়। সাধাৰণ লোক হোৱা হলে তেওঁলোকৰ চেহেৰাত এনে দিব্য জ্যোতি মই দেখা নাপালোহেতেন। তেওঁলোক নিশ্চয় কোনোবা অসাধাৰণ লোক, মহাপুৰুষ।'

'যি কি নহওক, মই এতিয়ালৈকে কিমান পাপ কৰিছো তাৰ কোনো সীমা সংখ্যা নাই। এওলোক যদি সামান্য ব্যক্তি হয়, তেন্তে মই পানী দিয়াৰ বাবে তেওঁৰ হয়তো মৃত্যু হব। মোৰ এটা পাপ বৃদ্ধি হোৱাৰ বাহিৰে আৰু কি হব। যদি এওলোক কোনো মহাপুৰুষ তেন্তে এনে কাম কৰাৰ ফলত মই এই জীৱনত কৰা সকলো পাপৰ পৰাই মুক্তি লাভ কৰিম।'

এইদৰে ভাৱি তেওঁ বৃদ্ধৰ মুখ খুলি গংগাৰ পানী খুৱাই দিলে। তেনে সময়তে সেই বৃদ্ধ দম্পত্তি তাৰ পৰা অন্তৰ্ধ্যান হ'ল আৰু তাৰ ঠাইত স্বয়ং শিৱ আৰু পাৰ্বতী দৃশ্যমান হ'ল।

শিৱই পাৰ্বতীক কলে, ''দেখিলা, এই জংঘলীৰ ধৈৰ্য। ই মোৰ বিশ্বাস লাভ কৰিছে। কিয়নো ইয়াৰ হৃদয় হ'ল অতি নিকা। আমাৰ দৰ্শন হোৱাৰ বাবে ইয়াৰ সকলো পাপ দূৰ হৈ গ'ল। এনে ব্যক্তিৰেই কৈলাশত স্থান পোৱাৰ যোগ্যতা আছে। এৱেঁই হ'ল প্ৰকৃত ভক্ত। আৰু যিসকলে কেৱল কৰিব লাগে বাবেই মোৰ পুজা কৰে তেওঁলোক আচলতে মোৰ ভক্ত নহয়। তেওঁলোক সেইবাবে মোৰ কাষলৈ আহিব নোৱাৰে।'' তাৰপিছত শিৱ আৰু পাৰ্বতীয়ে সেই জংঘলীক আৰ্শীবাদ দিলে আৰু তাৰ পৰা প্ৰস্থান কৰিলে।

তেনে সময়তে সেই জংঘলীৰ বাবে এক পুষ্পক ৰথ সৰগৰ পৰা নামি আহিল আৰু তেওঁক কৈলাশলৈ লৈ গ'ল।



অমৃতধাৰা

বাৰ বছৰীয়া গৌৰৱ তাৰ ঘৰৰ সন্মুখত থকা ওখকৈ বন্ধোৱা ঠাইখন বহি আছিল আৰু পিছদিনাৰ বিজ্ঞানৰ পৰীক্ষাৰ বাবে অধ্যয়ন কৰি আছিল।

গৌৰৱৰ মাকে এগিলাচ গাখীৰ লৈ আহিল আৰু গৌৰৱৰ দিলে। ''মা, মই এই গাখীৰ নাখাও। ইয়াৰ সোৱাদটো একেবাৰেই ভাল নালাগে।'' গৌৰৱে কলে।

''এইটোৱেই সমস্যা। যেতিয়া আমাৰ সুৰভী নামৰ গাইজনীয়ে গাখীৰ দি আছিল তেতিয়া তুমি কোনো প্ৰশ্ন নকৰাকৈ গাখীৰ খাইছিলা। এতিয়া আৰু তাই গাখীৰ দিব নোৱাৰে। নতুন এজনী গাই নিকিনালৈকে আমি বাহিৰৰ পৰা অনা গাখীৰেৰে কোনোমতে চলাই থাকিব লাগিব। এটা ভাল ল'ৰাৰ দৰে গাখীৰ গিলাচ খাই পেলোৱা সোন।'' গৌৰৱৰ মূৰত হাত ফুৰাই লক্ষ্মীয়ে মৰমেৰে কলে।

''লক্ষ্মী, সুৰভিক দানা দিলানে? তাই ভোকত চিঞৰি আছে যেন লাগিছে।'' গৌৰৱৰ ককাদেউতাকে চিঞৰি কলে।

''দেউতা, তাই ভোকত চিঞৰা নাই। সম্ভৱ কিবা কাৰণে তাই সমস্যাত ভুগিছে আৰু ৰাতিপুৱাৰে পৰা এডালো ঘাঁহ খোৱা নাই।'' লক্ষ্মীয়ে কলে।

ককাদেউতাকে হুমুনিয়াহ পাৰি কলে, ''গৌৰৱৰ জন্মৰ সময়তে আমি সুৰভিক কিনি আনিছিলো। কিন্তু যিমান দিনলৈকে সক্ষম হৈ আছিল তাই প্ৰতিদিনেই চাৰি লিটাৰকৈ গাখীৰ দি আছিল।''

''দেউতা, মই ৰাজুৰ লগত কথা পাতিছো। সি কৈছে সি সুৰভিৰ বাবে চাৰি হেজাৰতকৈ বেছি মূল্য দিব নোৱাৰে। কৈছে যে সি আজি গধুলি আহিব আৰু সুৰভিক লৈ যাব।'' পাণ্ডুৱে কলে। গৌৰৱৰ দেউতাক পাণ্ডু ঠিক সেইসময়ত ঘৰলৈ উভতি আহিছিল।

গৌৰৱে সকলো কথা শুনি আছিল। ''কি দেউতা, তুমি কি আমাৰ সুৰভিক বেচি দিবলৈ ওলাইছা?'' সি দুখেৰে সুধিলে।

''নহলেনো আৰু কি কৰিম? যোৱা ছমাহ ধৰি আমি তাইক কেৱল খুৱাইহে আছো, তাইৰ পৰা

পি. ভি শেষাৰত্নম

নোৱাৰিলে। ''তেন্তে ৰাজুৱে তাইক লৈ কি কৰিব ?'' সি জানিব খুজিলে।

''সিনো কি কৰিব ? সি তাইৰ মাংস আৰু ছাল বিক্ৰী কৰি দিব। সেইবিলাকক লৈ আমি কিয় চিন্তা কৰিব লাগে ?'' পাণ্ডুৱে কলে। এইবিষয়ে আৰু কথা পাতিবলৈ তেঁও যে অনিচ্ছুক সেই কথা মুখৰ পৰা স্পষ্ট হৈ পৰিছিল।

গৌৰৱ আচৰিত হৈ পৰিল। ''যদি আমি আমাৰ চাৰিওফালৰ জগতখনৰ কথা ভাৱিবলৈ বাদ দি দিও, তেন্তে একোৱেই বাকী নাথাকিব দেউতা ! মোৰ বিজ্ঞানৰ ছাৰে কি কয় তুমি জানানে ? যদি মানুহে কেৱল খাদ্য, আশ্ৰয় আৰু বস্ত্ৰৰ কথাতেই গুৰুত্ব দিয়ে আৰু পৰিবেশৰ প্ৰয়োজনীয়তাৰ প্ৰতি আওকাণ কৰে তেন্তে পৰিবেশৰ ভাৰসাম্যতা নষ্ট হবলৈ বেছি সময় নালাগিব। সেয়ে হ'লে নানান ধৰণৰ প্ৰাকৃতিক দুৰ্যোগে আৱৰি ধৰিব।''

''তেন্তে ?'' পাণ্ডুৱে ঠিক বুজিব পৰা নাছিল যে গৌৰৱে কি কব বিচাৰিছে।

''বেমাৰ আজাৰ বৃদ্ধি পাব আৰু বহুটো জীৱনৰ হানি হ'ব। পৰিবেশ ভাৰসাম্যতা আমাৰ জীৱনৰ লগতে আমাৰ চাৰিওফালৰ সকলো জীৱনৰ লগত সম্পৰ্কিত হৈ আছে। এটা গৱেষণাৰ মতে, প্ৰায় বিছ শতাংশ স্তন্যপায়ী জীৱই বিলুপ্তিৰ পথলৈ আগুৱাই গৈছে। তুমি জানানে যে ভাটৌ, ঘৰচিৰিকা আৰু বাঘৰ সংখ্যা দিনক দিনে কমি আহিছে। আমি আমাৰ বিলুপ্তি কেনেকৈ মাতি আনিব পাঁৰো ?''

''তেন্তে, তই এতিয়া কি কব বিচাৰিছ ?'' পাণ্ডুৱে কোমল স্বৰেৰে সুধিলে। তেঁও নিজৰ পুত্ৰক বৰ ভাল পায় আৰু তেওঁ তাৰ যুক্তি শুনি খং খাই উঠাও নাছিল।

গৌৰৱে নিজৰ মনৰ কথা কলে। ''অনুগ্ৰহ কৰি মোক কোৱা দেউতা, বৃদ্ধাৱস্থা মানুহ আৰু জন্তুৰ বাবে একেই নহয়নে ? ককাদেউতাও এতিয়া উপাৰ্জনতো একো হোৱা নাই। এনে অৱস্থাত আমি ইয়াতকৈ অধিক কি কৰিব পাৰো। তাৰোপৰি তাই বৃদ্ধাৱস্থা লাভ কৰিছে। গতিকে তাই ৰাখি থোৱা মানে গোহালিৰ এডোখৰ ঠাই নষ্টকৰা।'' পাণ্ডুৱে কলে।

''দেউতা, তুমি কি কৈছা। তাই মোৰ মাতৃৰ দৰে। মই তাইৰ গাখীৰ খায়েই ডাঙৰ হলো। সেই গাখীৰৰ পৰাই আমি ইমানদিনে দৈ, ক্ৰীম, ঘিঁ আদি লাভ কৰি আহিছো আৰু সেইবিলাকৰ পৰা হোৱা উপাৰ্জনেই আমাক মাটিৰে সৈতে এই ঘৰটো কিনিবলৈ সক্ষম কৰি তুলিলে। হয়নে নহয় দেউতা ?'' সি সুধিলে।

পুতেকৰ লগত তৰ্ক কৰি থকাৰ বাবে পাণ্ডুৰ সময়ো নাছিল আৰু ইচ্ছাও নাছিল। তেওঁ কলে, ''হয়, সঁচা কথা। কিন্তু এতিয়া ? তইৰ এতিয়া বয়সো নাই আৰু শক্তিও নাই যে তাই আমাক গাখীৰ দিব, গতিকে আমিও তই খুৱাই থকাৰ কোনো অৰ্থ নাই।''

দেউতাকৰ এই স্বাৰ্থপৰ যুক্তি গৌৰৱে মানি লব

বৃদ্ধ। আমি তেওঁক লৈ কি কৰিব লাগে ?''

পাণ্ডুৰ এনে লাগিল যে কোনোবাই তেঁওৰ মূৰৰ ভিতৰত এটা বোমাহে ফুটালে।

''এয়া তুমি কি কৈছা ? যেতিয়া মোক জন্ম দিয়াৰ পিছত মোৰ মাৰ মৃত্যু হৈছিল, তেঁও অকলেই মোক তুলি তালি ডাঙৰ দীঘল কৰিলে। মই আজি নিজৰ ভৰিত নিজে থিয় দিব পৰাৰ বাবে সকলোখিনি তেৱেঁই কৰিলে।'' গৌৰৱে লক্ষ্য কৰিলে যে দেউতাকৰ মনৰ অৱস্থা কোমল হৈ পৰিছে।

''দেউতা, মানুহ আৰু ঘৰচীয়া জন্তুৰ বাবে নিয়ম বেলেগ বেলেগ হোৱাটো উচিতনে ? গতিকে সুৰভী এজনী মাতৃৰ নিচিনা, যি ইমান দিনে গাখীৰ দি মোক ডাঙৰ কৰিলে। হয়নে নহয় ? এতিয়া তাইক এটা কচাইক বিক্ৰী কৰি দিয়াটো উচিত হ'বনে, কিয়নো তাই গাখীৰ দিয়াটো বন্ধ কৰি দিলে ? এইবিলাক কথা কোৱাৰ বাবে মোক ক্ষমা কৰি দিবা। কিন্তু এসময়ত তুমিও বৃদ্ধ হৈ পৰিবা। তাৰপিছত ময়ো বৃদ্ধ হৈ পৰিম। তেতিয়াহলে ?''

পাণ্ডুৰ মনত আগৰে পৰাই এটা চিন্তা আছিল যে ঘৰৰ সকলোৰে মৰমৰ গাইজনীক বিক্ৰী কৰি দিয়াটো জানো উচিত হ'ব। পুত্ৰৰ মুখৰ পৰা এইবিলাক কথা শুনি তেঁৱো আবেগিক হৈ পৰিল। তেঁও নিজৰ ভুল সিদ্ধান্ত সলনি কৰিবলৈ মন বান্ধিলে।

তেঁও বিচলিত হৈ পৰিছিল। ''পিতৃ হিচাপে মই তোমাক ভাল উপদেশ দিয়াটো উচিত আছিল। কিন্তু মই মোৰ নিজৰ যুক্তিত অন্ধ হৈ পৰিলো। এটা বালক হিচাপে তোমাৰ চিন্তাধাৰা বেছ পৰিষ্কাৰ আৰু হৃদয়ো উপযুক্ত স্থানতেই আছে। মানুহে ঠিকেই কয়, শিশুৰ অন্তৰ বৰ নিকা আৰু সেইদৰেই তোমাৰ চিন্তাধাৰাও। মই সুখী যে সুৰভীক বেচাৰ সিদ্ধান্তৰ বিপক্ষে তুমি মোক প্ৰভাৱিত কৰিব পাৰিলা।''

''এতিয়াৰে পৰা তাইৰ দায়িত্ব মোৰ। তাই ঘাঁহ আৰু দানা-পানী খুৱাই থাকিলে আমাৰ সম্পত্তি শেষ হৈ নাযায়। ৰবা মই ৰাজুক কম যে সি আৰু গাইজনী নিবলৈ আহিব নালাগে। সুখী ?'' পাণ্ডুৱে গৌৰৱৰ মূৰত হাত ফুৰাই ওলাই গ'ল।

ককাদেউতাৰ চকুৰ পৰা আনন্দৰ লোতক বৈ আহিল আৰু নাতিয়েকক সাৱতি ধৰিলে আৰু কলে, ''তোমাক লৈ মই গৌৰৱান্বিত মোৰ বাছা।''

''তাৰমানে, এইখন নাটক হ'বলা নাতি আৰু ককাদেউতাক দুয়োজনে মিলি ৰচা।'' লক্ষ্মীয়ে মাত লগালে, যি সুৰভীক সকলোতকৈ বেছি ভাল পাইছিল আৰু বেচি দিয়াৰ সিদ্ধান্তটোত অতি অসুখী আছিল।

বিশ্বাস

শ্যামলা আছিল নৱ বিৱাহিতা। তেওঁ বিয়া হৈ শহুৰৰ ঘৰলৈ অহা বেছি দিন হোৱা নাছিল। তেওঁ শাহুৱেক জয়াম্মাক একেবাৰে ভাল নাপাইছিল। শ্যামলাই তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ অহা মোমায়েকৰ আগত এইকথা ব্যক্ত কৰিলে।

আঁচৰিত হৈ তেওঁৰ মোমায়েকে কলে, ''মই শুনা মতে তোমাৰ শাহুৱে কিবা ভাল দেখিলেই প্ৰশংসা কৰে। তুমি কিবা কাম ভালকৈ কৰিলেও তেওঁ কি তোমাৰ প্ৰশংসা কৰা নাই?'' ''তেওঁ কেতিয়াবা মোৰ প্ৰশংসা নকৰা নহয়। কিন্তু প্ৰতিদিনেই তেওঁ অন্তত চাৰি বা পাঁচবাৰমান ভুল উলিয়ায়।'' শ্যামলাই কলে। ''মই জনাত তোমাৰ মায়ে তোমাৰ কামত দহবাৰমানকৈ ভুল উলিয়াইছিল। নহয় জানো?'' মোমায়েকে কলে। ''সেইটো হয়। কিন্তু মা মানে মায়েই, নহয় জানো? তেওঁ যিমান বাৰেই ভুল নুলিয়াওক লাগিলে।'' শ্যামলাই কলে।

''এনে নেকি যে তোমাৰ শাহুৱে তুমি ভাল পোৱা একো বস্তু ৰান্ধিবলৈ নিদিয়ে?'' মোমায়েকে শুধিলে। ''মই যি ভাল পাও তেওঁ তাকেই ৰান্ধিবলৈ দিয়ে। কিন্তু প্ৰতিসাজৰ বাবে তেওঁ অন্তত এটা নহয় এটা এনে বস্তু ৰান্ধিবলৈ দিয়ে যিটো মই ভাল নাপাও।'' শ্যামলাই কলে। ''কিন্তু তোমাৰ মায়ে কেৱল এনে বস্তুহে ৰান্ধিছিল যিবিলাক তুমি ভাল নোপোৱা।'' মোমায়েকে কলে। ''সেয়া সঁচা। কিন্তু মা মানে মায়েই, তেওঁ মোক যিয়েই খাবলৈ নিদিয়ক লাগিলে।'' শ্যামলাই কলে।

''ঠিক আছে। তোমাক শাহুৱে ঘৰৰ সকলো কাম কৰিবলৈ দিয়ে নেকি?'' মোমায়েকে শুধিলে। ''নহয়, তেওঁ এনে নকৰে।'' শ্যামলাই কলে। ''মই জনাত তোমাৰ মাৰাই তোমাৰ হতুৱাই সকলো কাম কৰাইছিল।'' মোমায়েকে কলে। ''সেয়া হয়। কিন্তু মা মানে মায়েই, নহয় জানো?''

এইদৰে হোৱা প্ৰশ্নোত্তৰ পিছত মোমায়েকে শ্যামলাক কলে, ''তোমাৰ সমস্যাৰ বাবে মোৰ ওচৰত এটা অতি সহজ সমাধান এটা আছে। শুনা, নিজকে কোৱা যে শাহুও হ'ল এগৰাকী মাতৃ।''

- বসুন্ধৰা



শিথিলালয়-২০

(শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে তেওঁলোকৰ অনুচৰ দুজনক লগত লৈ ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকৰ ফালে আগুৱাই গ'ল। তেওঁলোকে কামাখ্যা নগৰত উপস্থিত হৈ এটা চৰাইখানাত কিছুদিন কটালে। তেওঁলোক নথকা অৱস্থাত পুজাৰীয়ে তেওঁলোকৰ কোঠাত প্ৰৱেশ কৰিলে। শিখিমুখীয়ে তেওঁক বন্দী কৰিবলৈ চেষ্টা কৰিলে। কিন্তু শিখিমুখীৰ প্ৰচেষ্টাক বিফল কৰি ওপৰমহলাৰ পৰা তললৈ জপিয়াই পুজাৰী পলাই গ'ল। তাৰপিছত-)

চৰাইখানাৰ ওচৰত এক হুলস্থুলৰ সৃষ্টি হ'ল। দুজন লোক ঘোঁৰাত উঠি পলাই গৈছিল আৰু তেওঁলোকৰ পিছে পিছে দুজন যুৱকে হাতত খোলা তৰোৱাল লৈ 'ৰবি, ৰবি' কৈ চিঞৰি খেদি গৈছিল। এনে দৃশ্য দেখি চৰাইখানাত বাস কৰা সকলো যাত্ৰী বাহিৰৰ চোতাললৈ ওলাই আহিল। অজিত আৰু বীৰভদ্ৰই কিছুদূৰলৈকে পুজাৰীক অনুসৰণ কৰিলে। কিন্তু ঘোঁৰাৰ পিঠিত উঠি যোৱা পুজাৰী আৰু সবৰগীধক ধৰিব নোৱাৰিলে। গতিকে নিৰাশ হৈ তেওঁক উভতি আহিল।

শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে ইতিমধ্যেই নিজৰ কোঠাৰ দুৱাৰ বন্ধ কৰি তললৈ নামি আহিছিল। অজিত আৰু বীৰভদ্ৰই তেওঁলোকৰ কাষলৈ আহি কলে, "হুজুৰ, আমি তেওঁলোকক যথেষ্ট দূৰলৈ অনুসৰণ কৰিলো। কিন্তু ঘোঁৰা চেকুৰাই তেওঁলোক পলাই যাবলৈ সক্ষম হ'ল।" এই কথা ভাৱি শিখিমুখীৰ বৰ চিন্তা হ'ল যে সেই দুষ্টপুজাৰী হাতৰ মুঠিলৈ প্ৰায় অহাৰ পিছতো পলাই যাবলৈ সক্ষম হ'ল।

"শিখি, সেই দুষ্টক আমি এৰি দিব নালাগিছিল। তাৰ লগত আমি কথা পাতি দেৰী নকৰি কোঠাৰ ভিতৰত প্ৰৱেশ কৰিয়েই

দাসৰি সুব্যমন্যম

বধ কৰিব লাগিছিল। এয়াই আমাৰ ভুল হ'ল।'' বিক্ৰম কেশৰীয়ে কলে।

''হয়, তুমি থিকেই কৈছা। যদি সি কেতিয়াবা এইদৰে আমাৰ হাতত পৰে, তেন্তে আমি তাকেই কৰিম। সেই দুষ্টৰ লগত আমিনো কি কথা পাতিবলগীয়া আছে। বাৰে বাৰে সি আমাৰ চকুত ধুলি দি পলাই যাবলৈ সক্ষম হৈছে। এইবাৰৰ পৰা আমি তাক সুবিধাই নিদিম। তুমিও সাজু হৈ থাকিবা।'' শিখিমুখীয়ে উত্তৰ দিলে।

চৰাইখানাৰ কাষত জমা হোৱা মানুহবিলাকে শিখিমুখীক নানাধৰণৰ প্ৰশ্ন সুধিবলৈ ধৰিলে। তেওঁলোকে চিন্তা কৰিছিল যে দুজন ব্যক্তি ঘোঁৰাত উঠি আহি চুৰ কৰি পলাই গ'ল। চৰাইখানাৰ মালিকে হাতযোৰ কৰি কলে, ''ভাইসকল, মই বৰ ডাঙৰ ভুল কৰিলো। আপোনালোক নথকা অৱস্থাত আপোনালোকৰ কোঠাত প্ৰৱেশ কৰিবলৈ মই অনুমতি দিব নালাগিছিল। তেওঁ কিবা বৰ মূল্যৱান বস্তু চুৰ কৰি লৈ যোৱা নাইতো?''

''তেওঁ যেনে ধৰণৰ মূল্যৱান বস্তু বিচাৰি আছে, তেনে মূল্যৱান বস্তু আমাৰ ওচৰত নাই। আমি যাত্ৰী। তীৰ্থ ভ্ৰমণ কৰিবৰ বাবে আমি এই যাত্ৰা কৰিছো। গতিকে আমাৰ ওচৰত মূল্যৱান বস্তু কেনেকৈ থাকিব পাৰে।'' শিখিমুখীয়ে চৰাইখানাৰ মালিকক বুজালে।

''এই কথা জানি মই সুখী হৈছো যে আপোনালোকৰ কোঠাত কোনো চুৰি হোৱা নাই। এই পুজাৰীক দেখি তেওঁক ইম্যু জাতিৰ যেন লাগিছে। সেই জাতিৰ লোক যিমানেই ভদ্ৰ, সিমানেই দগাবাজ হয়। তেওঁলোকৰ পৰা বাচি থকাতোৱেই বুদ্ধিয়কৰ কাম হব।'' চৰাইখানাৰ মালিকে কলে।

সেইদিনা ৰাতি শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে আলোচনা কৰি এই ঠিক কৰিলে যে ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিত থকা ইম্যু জাতিৰ প্ৰদেশত সহায় হব পৰাকৈ তাৰ পৰা এজন লোক লৈ যোৱাটো উচিত হব। চৰাইখানাৰ মালিকক এই কথা কোৱাত তেওঁ কলে, ''সেই প্ৰদেশলৈ যোৱাটো বিপদমুক্ত নহয়। তোমালোকে সেই প্ৰদেশলৈ যোৱাৰ কি প্ৰয়োজন আছে? তাততো দৰ্শন কৰিবলৈ কোনো তীৰ্থও নাই।''

চৰাইখানাৰ মালিকৰ কথা শুনি এটা হাঁহি মাৰি শিখিমুখীয়ে কলে, ''আপুনি এইবাবে ভয় খাইছে যে তাত আমাৰ প্ৰাণৰ সংকট

সৃষ্টি হব পাৰে। এনে ভয় আমাৰ নাই। আমাক মাৰি কোনে কি লাভ কৰিব ? আমি সেই ঘাটিৰ সকলো পূণ্য তীৰ্থ দৰ্শন কৰিব বিচাৰিছো। আমি এই কথা শুনি আহিছো যে ইম্যু জাতিৰ ৰাজ্যত বহু পুৰণা মন্দিৰ আছে। আমি সেইবিলাক দৰ্শন কৰিবলৈ ইচ্ছা কৰো।''

''ঠিক আছে, যদি তোমালোকৰ তেনে ইচ্ছা, মই তাত বাধা নিদিও। তোমালোকে কেতিয়া যাত্ৰা আৰম্ভ কৰিব বিচাৰিছা ? সেই দেশৰ সকলো ভালকৈ জনা এজন যুৱকক মই তোমালোকৰ লগত পঠিয়াই দিম। তেওঁৰ খোৱা-বোৱাৰ সকলো খৰচ তোমালোকে বহন কৰিব লাগিব।'' চৰাইখানাৰ মালিকে তেওঁৰ চৰ্ত বিৱৰি কলে।

শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে তেওঁৰ চৰ্ত মানি ললে। পিছদিনাখন সূৰ্যোদয়ৰ সময়ত চৰাইখানাৰ মালিকে এজন আদহীয়া বয়সৰ ব্যক্তিক লৈ আহিল। তেওঁ ছুটি-চাপৰ আৰু সবল আছিল। তেওঁক চিনাকি কৰি দি কলে, ''চোৰা ভাইসকল, ইয়াৰ নাম জংঘলা। ই কয় যে ইম্যু জাতিৰ ৰাজ্যৰ বিষয়ে বহু কথাই জানে। ই সেই জাতিৰে লোক। ই বেছ বিশ্বাসী আৰু মই বহুত দিনৰে পৰাই এওক চিনি পাও।''

শিখিমুখীয়ে জংঘলাৰ মূৰৰ পৰা ভৰিলৈ সকলো ঠিকমতে চকু ফুৰালে। তাৰ চেহেৰা চাই স্বভাৱৰ বিষয়ে তেওঁ একো অনুমান কৰিব নোৱাৰিলে। জংঘলাৰ ওঠত এটা হাঁহি লাগি আছিল, কিন্তু তেওঁৰ চেহেৰাত কোনো



ভাৱ প্ৰকাশ পোৱা নাছিল।

জংঘলাক পৰিচয় কৰি দি চৰাইখানাৰ মালিক তাৰ পৰা গুচি গ'ল। তেতিয়া শিখিমুখীয়ে তাক কলে, ''তুমি বিশ্বাসী হয়নে নহয় তাকে লৈ আমাৰ কোনো ভয় নাই। আমি সংখ্যাত চাৰিজন আৰু তুমি এজন। কিন্তু আমাৰ ভয় এইটোহে যে ইম্যুজাতিৰ প্ৰদেশৰ বিষয়ে ভালকৈ জানানে নাজানা। যদি তুমি সেই প্ৰদেশৰ বিষয়ে ভালকৈ একো নাজানা, তেন্তে তোমাৰ কোনো প্ৰয়োজন নাই। গতিকে যাত্ৰা আৰম্ভ কৰাৰ আগতেই কিবা যদি কব লগা আছে কোৱা।''

''মই কিমান বিশ্বাসী, সেই কথা আপোনালোকে সময়ত নিজেই বুজি পাব। ইম্যু জাতিৰ প্ৰদেশতে মোৰ জন্ম আৰু তাতেই মই ডাঙৰ-দীঘল হৈছিলো।



চৰাইখানাৰ মালিকে ইতিমধ্যে আপোনালোকক কৈছেই যে মই সেই জাতিৰে এজন । তেওঁ মোক বৰ ভালদৰেই চিনি পায় । সেই প্ৰদেশৰ চুক-কোণ পৰ্যন্ত মোৰ জ্ঞান আছে ।'' জংঘলাই কলে ।

''বৰ ভাল কথা । তোমাৰ থকা খোৱাৰ সকলো খৰচ আমি বহন কৰিম । আৰু লগতে উভতি আহি কামাখ্যাপুৰ পোৱাৰ পিছত তোমাক দৰমহা হিচাপে পাঁচটা সোণৰ মোহৰ দিম । তুমি মান্তি আছানে ? ভাৱি লৈ আমাক কোৱা ।'' শিখিমুখীয়ে সুধিলে ।

''ভাবিবলৈ কি আছে ! আপোনালোকে দয়া কৰি মোক যিমান দিয়ে, সেয়াই যথেষ্ট হব ।'' জংঘলাই কলে ।

''আমি সেই প্ৰদেশৰ গোলভৰা নামৰ ইম্যুজাতিৰ গাৱলৈ যাব বিচাৰো । আমি শুনা পাইছো যে তাৰ ওচৰে পাজৰে বহু পুৰণি মন্দিৰ আছে ।'' শিখিমুখীয়ে কলে ।

গোলভৰাৰ নাম শুনিয়েই জংঘলা চক খাই উঠিল আৰু কলে, ''ঠিক আছে হুজুৰ, মই আপোনালোকক তালৈকে বাট দেখুৱাই লৈ যাম । মই সেই গাৱলৈ যোৱাৰ পথ চিনি পাও । কিন্তু আপুনি কোৱাৰ দৰে তাত কোনো পুৰণা মন্দিৰ নাই । মই প্ৰথমতেই আপোনালোকক এই কথা কৈ দিছো যাতে পিছত আপোনালোকে মোক বেয়া নাপায় ।''

''আমি সেই বিষয়ে বহু শুনিছো । হয়নে নহয় বিক্ৰম ?'' এইবুলি কৈ শিখিমুখীয়ে ঘূৰি লৈ বিক্ৰমক সুধিলে । বিক্ৰমেও মূৰ দুপিয়াই শিখিৰ কথাত হয়ভৰ দিলে । তাৰপিছত শিখিয়ে পুণৰ জংঘলাক কলে, ''তুমি আমাক সেই গাৱলৈকে বাট দেখুৱাই লৈ ব'লা । আমি নিজেই সেই মন্দিৰ বিচাৰি লম । শুনা, আমি আজি সন্ধিয়াই যাত্ৰা আৰম্ভ কৰিম । তুমি সাজু হোৱা ।''

জংঘলাই তেওঁলোকক নমস্কাৰ কৰি তাৰ পৰা প্ৰস্থান কৰিলে । সেইদিনা সন্ধিয়াই ৰাস্তাত প্ৰয়োজন হব পৰা সকলো খাদ্য-বস্তু দুটা মোনাত ভৰাই শিখিমুখী আৰু বিক্ৰমকেশৰী তেওঁলোকৰ দুজন অনুচৰক লৈ জংঘলাৰ লগত যাত্ৰা আৰম্ভ কৰিলে । জংঘলাই তেওঁলোকক বাট দেখুৱাই যাবলৈ ধৰিলে ।

আন্ধাৰ হোৱাৰ লগে লগে তেওঁলোকে গৈ অৰণ্যৰ মাজত থকা এটা পুখুৰীৰ পাৰ পালেগৈ । তেওঁলোকে এই সিদ্ধান্ত কৰিলে

যে তাতে ৰাতিটোৰ বাবে বাহৰ পাতি ৰাতিৰ আহাৰ খাব আৰু সেইদিনা ৰাতি তাতে বিশ্ৰাম কৰি পিছদিনা পুৱা পুণৰ যাত্ৰা আৰম্ভ কৰিব। অজিত আৰু বীৰভদ্ৰই চৌকা কাটিবলৈ ধৰিলে। জংঘলাই খৰি বিচাৰিবলৈ জংঘলৰ মাজলৈ সোমাই গ'ল।

শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে এজোপা গছৰ তলত হেলান দি বহি আগন্তুক কাৰ্যপন্থাৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। বিক্ৰমকেশৰীয়ে তেতিয়ালৈকে জংঘলাক সম্পূৰ্ণকৈ বিশ্বাসত লব পৰা নাছিল। তেওঁ নিজৰ শংকা ব্যক্ত কৰি কলে যে সি তেওঁলোকক ভুল পথ দেখুৱাই আন কৰবালৈ লৈ গৈ বিপদত পেলাব পাৰে। শিখিমুখীৰ মনতো এই শংকাই আছিল।

''আমি সাৱধান হৈ থাকিম। তুমি ভাৱা যে জংঘলা শিথিলালয়ৰ পুজাৰীৰ অনুচৰ। কিন্তু সেই দুষ্ট পুজাৰীয়েই আমাৰ কোনো হানি কৰিব নোৱাৰিলে যেতিয়া এই অপদাৰ্থই আমাৰ কি হানি কৰিব?'' শিখিমুখীয়ে কলে।

বিক্ৰমকেশৰীয়ে কিব কব খোজোতেই লাল কুকুৰে ভুকি উঠিল আৰু জোপোহাৰ ফালে দৌৰ দিলে। তাকে দেখি শিখিমুখীয়ে কুকুৰটোৰ পিছ ললে। বিক্ৰমকেশৰীয়ে তৰোৱাল উলিয়াই অন্ধকাৰৰ মাজত ইফালে সিফালে চাবলৈ ধৰিলে।

লাল কুকুৰটোৱে জোপোহাৰ মাজেদি কিছুদুৰ আগুৱাই গৈ থমকি ৰ'ল আৰু পুণৰ ভুকিবলৈ ধৰিলে। শিখিমুখীয়ে মূৰ তুলি

গছৰ ডালৰ ফালে চালে, কিজানিবা শত্ৰু আহি তাতে লুকাই আছে। কিন্তু সন্দেহ কৰিবলগীয়া তেওঁ একো দেখা নেপালে। তেনে সময়তে তেওঁৰ এনে লাগিল যে অলপ দূৰত কোনোবাই কথা পাতি আছে। তেওঁ আগুৱাই যাব খোজোতেই লাল কুকুৰে তেওঁক বাধা দিলে আৰু জোৰেৰে ভুকিবলৈ ধৰিলে।

এইবাৰ শিখিমুখীয়ে কোনোবা সেইফালে অহাৰ পদশব্দ শুনিবলৈ পালে। দেখিলে যে জংঘলাই কান্ধত এটা প্ৰকাণ্ড খৰিৰ বোজা লৈ লৰালৰিকৈ সেইফালে আহিবলৈ ধৰিছে। তেনে সময়তে এটা প্ৰকাণ্ড অজগৰ সাপ জংঘলাৰ ওপৰত গছৰ ওপৰৰ পৰা সৰি পৰিল আৰু হাতে ভৰিয়ে মেৰিয়াই ধৰিলে। লাল কুকুৰে তাকে দেখি জোৰেৰে ভুকি

CHITRA

জপিয়াবলৈ ধৰিলে। জংঘলাই ভয় খাই জোৰেৰে আটাহ পাৰিবলৈ ধৰিলে।

ঘটনা দেখি শিখিমুখীৰ মুখ শেঁতা পৰিল। তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে জংঘলা কি ধৰণৰ বিপদত পৰিল। তেওঁ তৰোৱাল উলিয়াই অজগৰৰ মূৰটো কাটি পেলাব খুজিলে। কিন্তু অজগৰে তেতিয়া জংঘলাৰ কঁকালৰ ওপৰৰ অংশ মেৰিয়াই ধৰি মূৰৰ অংশত আক্ৰমণ কৰিবলৈ চেষ্টা কৰি আছিল। সেই আন্ধাৰত তৰোৱাল চলোৱাত অলপো ভুল হলে অজগৰৰ মূৰৰ সলনি জংঘলাৰ মূৰ দুটুকুৰা হোৱাৰ সম্ভাৱনা আছিল।

জংঘলাই ভয় খাই জোৰে জোৰে চিৎকাৰ পাৰি আছিল। তাকে দেখি শিখিমুখীয়ে কলে, ''জংঘলা, তই ভয় নকৰিবি। মই এতিয়াই অজগৰৰ মূৰ কাটি পেলাম।'' এইবুলি কৈ তেওঁ অজগৰৰ ডিঙিত তৰোৱালেৰে আঘাট কৰিলে। জংঘলাৰ শৰীৰত অজগৰৰ খামোচ ঢিলা হৈ আহিবলৈ ধৰিলে।

তৰোৱালেৰে আৰু কেইটামান কোব মৰাত অজগৰ মাটিত সৰি পৰিল। ভয়তে কঁপি কঁপি জংঘলাও মাটিত বাগৰি পৰিল। ঘটনা দেখি শিখিমুখীয়ে বিক্ৰমকেশৰী, অজিত আৰু বীৰভদ্ৰক চিঞৰি মাতিলে। তেওঁলোক সকলো দৌৰি আহি সেই ঠাইত উপস্থিত হ'ল।

শিখিমুখীয়ে জংঘলাক উঠাবলৈ চেষ্টা কৰি কলে, ''মই ইতিমধ্যেই অজগৰক বধ কৰিছো। তাৰ আক্ৰমণৰ ফলত তুমি আঘাটপ্ৰাপ্ত হোৱা নাইতো?''

জংঘলাই উত্তৰ দিয়াৰ আগতেই আন্ধাৰৰ মাজৰ পৰা এটা কণ্ঠধ্বনি শুনা গ'ল, ''অঘোৰী লোকে যি অজগৰক ভক্তি কৰি পুজা কৰে, সেই অজগৰৰ শিৰচ্ছেদ কোনে কৰিলে? এই পাপৰ বাবে তোমালোকৰ শিৰচ্ছেদ কৰা হব। সাৱধান।'' এই শব্দ শেষ হোৱাৰ লগে লগে চাৰি পাঁচটামান বিকট দৰ্শন পুৰুষে হাতত যাঠী লৈ আক্ৰমণ কৰিবলৈ দৌৰি আহিল। *(আগলৈ)*

৬৫তম বছৰত চান্দমামা

১৯৪৭ - তেলেগু আৰু তামিল
১৯৪৮ - কানাড়া
১৯৪৯ - হিন্দী
১৯৫২ - মালায়ালম আৰু মাৰাঠী

১৯৫৪ - গুজৰাটী
১৯৫৫ - ইংৰাজী
১৯৫৬ - উৰিয়া আৰু সিন্ধী
১৯৭২ - বাংলা
১৯৭৫ - গুৰুমুখী
১৯৭৬ - অসমীয়া
১৯৭৮ - সিংহলী
১৯৮৪ - সংস্কৃত

কেইটামান সংস্কৰণ (সিন্ধী, সিংহলী, গুৰুমুখী, আমেৰিকীয় দ্বিভাষিক সংস্কৰণ) কিছুদিন প্ৰকাশৰ পিছত বন্ধ হৈ যায়।

২০০৩ - জুনিয়ৰ চান্দমামা, চিংগাপুৰৰ বাবে ইংৰাজী-তামিল দ্বিভাষিক আৰু উত্তৰ আমেৰিকাৰ বাবে ইংৰাজী-তেলেগু, তামিল, হিন্দী, গুজৰাটী দ্বিভাষিক সংস্কৰণ

২০০৪ - সান্তালী, জনজাতীয় ভাষাত প্ৰকাশিত প্ৰথমখন শিশু আলোচনী।

২০০৮ - ৭ টা ভাৰতীয় আঞ্চলিক ভাষাত ৱেবছাইট মুকলি কৰা হয়। অনলাইন ক্ৰয়ৰ সুবিধা আৰম্ভ কৰা হয়।

২০১১ - আইফোন আৰু আইপেডৰ বাবে চান্দমামাৰ ইলেক্ট্ৰনিক সংস্কৰণ মুকলি কৰা হয়। শ্ৰাব্য কাহিনীবো আৰম্ভ কৰা হয়।

নানান ভাষাত চান্দমামা, এক বিশেষ পৰম্পৰা

বুদ্ধিয়ক ৰামু আৰু চুমু

এসময়ত শিৱপুৰ গাৱঁত ৰামু আৰু চুমু নামেৰে দুজন যঁজা ভাই আছিল। তেওঁলোকে নিজৰ উপস্থিত বুদ্ধি খটাই গাৱঁৰ বহু সমস্যাৰ সমাধান কৰি সকলো লোকৰে প্ৰিয় পাত্ৰ হৈছিল। এদিনাখন ৰামু আৰু চুমু জমিদাৰৰ কাৰ্যালয়ৰ পৰা উভতি আহি আছিল। তেনেসময়তে তেওঁলোকে নাৰায়ণৰ পদুলি মূৰত এটা মানুহৰ জুম দেখিলে আৰু সিঁহতেও তাত যোগ দিলে। তেওঁলোকে দেখিলে যে ৰংগাই নাৰায়ণৰ সক্ষমতাক লৈ জোকাই আছে। তেওঁলোকে মনোযোগেৰে ৰংগয়াৰ কথা শুনাৰ ভাও ধৰিলে। অলপ পৰৰ পিছত ৰামুৱে তেওঁক কলে, ''মহাশয়, আপুনি বেছ বুদ্ধিয়ক। মই আপোনাক কথা এটা সুধিব খুজিছো।''

ৰংগয়াই ৰামুৰ ফালে চাই কলে, ''অহ, তুমি মোক কি প্ৰশ্ন সুধিবা? ঠিক আছে, সোধা।'' ৰামুৱে কলে, ''এটা সামান্য প্ৰশ্ন। মহাশয়, এটা বল মই কিদৰে দলিয়ালে সি আধাবাট আগলৈ যাব আৰু আধাখিনি বাট পিছুৱাই আহিব?'' প্ৰশ্ন শুনি ৰংগয়াৰ মুখ শুকাই গ'ল। তেওঁ তৎক্ষণাত নিজকে সংযত কৰি ললে আৰু খণ্ড উঠাৰ ভাও ধৰি কলে, ''এইটো কি এটা অলাগতিয়াল প্ৰশ্ন সুধিছা।''

চুমুৱে কলে, ''মহাশয়, আপুনি উত্তৰটো নাজানে বাবেই প্ৰশ্ন এটা অলাগতিয়াল বা অৰ্থহীন হৈ নাযায়। আমি এটা বল শূণ্যলৈ দলিয়াই দিলে, ই প্ৰথমতে ওপৰলৈ, অৰ্থাৎ দলিওৱাৰ দিশত আগলৈ যাব। আৰু তাৰপিছত ই তললৈ সৰি পৰিবলৈ আৰম্ভ কৰিব, সেয়া হ'ল যিমান দূৰত্ব সি আগলৈ যাব সিমান দূৰত্ব পিছুৱাই আহিব। নাৰায়ণ খুৱাৰ কাম কৰা মানুহটোৱেই সেই কথা জানে। আপুনি সেই কথাটোও নাজানেনে বাৰু?''

এই ঘটনাই ৰংগয়াক এক ডাঙৰ শিক্ষা দিলে।

- লক্ষ্মী গায়ত্ৰী



পণ্ডিত পুত্ৰ

এসময়ত প্ৰয়াগ ৰাজ্যৰ ৰজা আছিল প্ৰদীপ। তেওঁৰ দৰবাৰত অনেক পণ্ডিত আছিল। তাৰে ভিতৰত বহু পণ্ডিত কেইবা পুৰুষৰে পৰাই ৰজা দৰবাৰত পণ্ডিতালি কৰি আহিছিল। তেনে এজন পণ্ডিতৰ নাম আছিল বদ্ৰীপ্ৰসাদ।

বদ্ৰীপ্ৰসাদৰ পিতৃ, ককাদেউতাক, আজোককাক সকলো আছিল বিখ্যাত পণ্ডিত আৰু তেওঁলোকে প্ৰয়াগ ৰাজ্যৰ ৰাজসভাত স্থান লাভ কৰি আহিছিল। কিন্তু বদ্ৰীপ্ৰসাদ আছিল কেৱল পণ্ডিত পুত্ৰ, অৰ্থাত তেওঁ আছিল মূৰ্খ। তেওঁ বছৰৰ পিছত বছৰ ধৰি শুনি অহাৰ বাবে কিছুমান শ্লোক মুখস্থ হৈ পৰিছিল, কিন্তু বাস্তৱিক জ্ঞান তেওঁৰ মুঠেই নাছিল। তেওঁ আছিল যধামূৰ্খ। কিন্তু এই কথা ৰজাই নাজানিছিল।

ৰাজসভাত থকা বাকী পণ্ডিতসকলে বদ্ৰীপ্ৰসাদৰ এই অৱস্থাৰ কথা ভালদৰেই জানিছিল। তেওঁলোকে এই কথা সহ্য কৰিব পৰা নাছিল যে এটা মূৰ্খক তেওঁলোকৰ লগত উচ্চপদ প্ৰাপ্ত হৈছে। গতিকে তেওঁলোকে ৰজাৰ আগত নিবেদন কৰিলে, ''হে মহাৰাজ, বদ্ৰীপ্ৰসাদৰ লোক-জ্ঞান একেবাৰেই শূণ্য। সি এটা যধামূৰ্খ। তেওঁক ৰাজসভাত স্থান দিয়াতো ৰাজসভাৰ মৰ্যদা হানিকৰ। আপুনি এই কথা স্বয়ং পৰীক্ষা কৰি চাব পাৰে।''

এই কথা শুনি ৰজা প্ৰদীপ আঁচৰিত হ'ল। তেওঁ জানিছিল যে বদ্ৰীপ্ৰসাদৰ পিতৃ আছিল অতি বিদগ্ধ পণ্ডিত। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ স্থান বদ্ৰীপ্ৰসাদে লাভ কৰিছিল। কপালত বিভূতি, গলত ৰুদ্ৰাক্ষ মালা আৰু কান্ধৰ ওপৰত চেলেং চাদৰেৰে বদ্ৰীপ্ৰসাদ দেখাত একেবাৰে পণ্ডিতৰ দৰে আছিল।

বাকীসকল পণ্ডিতে কোৱাৰ দৰে তেওঁ মূৰ্খ হয়নে নহয় তাক পৰীক্ষা কৰিবৰ মনেৰে

কে. নৰসিংহ ৰাও

এদিনাখন ৰজাই তেওঁক ৰাজসভাত সুধিলে, ‘‘পণ্ডিত প্ৰৱৰ, মই কিছুমান লোকক কাছ ধৰিবলৈ চেষ্টা কৰা দেখিছিলো। কিন্তু মই এই কথা বুজি নাপালো যে কাছ ধৰি তেওঁলোকে কি লাভ কৰিব। কাছ কিয় ইমান দৰকাৰী ?’’

এই প্ৰশ্নৰ উত্তৰত বদ্ৰীপ্ৰসাদে কলে, ‘‘মহাৰাজ, কাছৰ গাখীৰ বৰ সুস্বাদু আৰু শক্তিবৰ্ধক। তাৰ নোমৰ পৰা সুন্দৰ গৰম কাপোৰ তৈয়াৰ কৰা হয়।’’

উত্তৰ শুনি ৰজাই বিচুৰ্তি খালে। দৰবাৰৰ কিছুমানে লোকে হাঁহিবলৈ ধৰিলে। প্ৰমাণ হৈ পৰিল যে বদ্ৰীপ্ৰসাদ কিমান মূৰ্খ।

ৰজাই আকৌ সুধিলে, ‘‘পণ্ডিত পুত্ৰ, মই শুনিবলৈ পালো যে এটা শহাপহুৱে গৰজি এটা হাতীৰ ওপৰত জপিয়াই পৰিল। এই কথা কি সঁচানে ?’’

‘‘ইয়াত আঁচৰিত হবলগীয়া কি আছে? মহাৰাজ, হাতী হ’ল শহাপহুৰ আহাৰ-বস্তু। শাস্ত্ৰতো এই কথা লিখা আছে যে শহাই জপিয়াই পৰি হাতীক আক্ৰমণ কৰে আৰু বধ কৰি ভক্ষণ কৰে।’’

এই কথা শুনি দৰবাৰত থকা লোকসকলে আৰু জোৰেৰে হাঁহিবলৈ ধৰিলে। ৰজাৰো বদ্ৰীপ্ৰসাদৰ উত্তৰ আৰু তাৰ ব্যাখ্যা শুনি হাঁহি উঠিল।

ৰজাই আকৌ সুধিলে, ‘‘পণ্ডিত পুত্ৰ, এবাৰ মই এটা জ্বলি থকা পুখুৰী দেখা পাইছিলো। কিন্তু তাত মই এটাও মাছ নেদেখিলো। ইয়াৰ কাৰণ কি হব পাৰে বাৰু ?’’

‘‘মহাৰাজ, পুখুৰীত জুই জ্বলি আছিল নহয়, গতিকে নিশ্চয় পুখুৰীৰ মাছবিলাক কাষৰ গছবিলাকলৈ বগাই গ’ল।’’

ৰাজসভাত হাঁহিৰ ঢল উঠিল।

‘‘মহাৰাজ, আপুনিতো স্বয়ং দেখা পালে। এই মূৰ্খক এই মূহুৰ্ততে ৰাজসভাৰ পৰা বাজ কৰি দিয়াহে উচিত হব।’’ বাকী পণ্ডিতসকলে কলে।

‘‘ইমানকৈ হুহুৱাব পৰা লোকক দৰবাৰৰ পৰা আঁতৰোৱা উচিত নহব। মই আজিৰ পৰা বদ্ৰীপ্ৰসাদক ৰাজসভাৰ বিদুষক নিযুক্ত কৰিলো।’’



তই তই, মই মই

এজন গুৰুৰ দুজন শিষ্য আছিল। তেওঁলোকৰ মাজত একেবাৰে সম্ভাৱ নাছিল। তেওঁলোকৰ মাজত সম্ভাৱ সৃষ্টি কৰিবৰ বাবে গুৰুৱে প্ৰাণেপণে চেষ্টা কৰিলে, কিন্তু একো ফল নধৰিল। যেতিয়া গুৰু শুবৰ সময়ত দুয়োৱে গুৰুৰ ভৰি পিটিকি দিছিল, তেতিয়াও তেওঁলোকে নিজৰ ভিতৰত কাজিয়া কৰিছিল। গতিকে গুৰুৱে এটাক বাওঁভৰি আৰু আনটোক সোঁভৰি পিটিকিবলৈ দিছিল।

এবাৰ বাওঁভৰি পিটিকিবলৈ পোৱা শিষ্যজন কিবা কামত বাহিৰলৈ যাবলগীয়া হ'ল। সেইদিনা ৰাতি, আনজন শিষ্যই সোঁভৰি পিটিকি গুচি গ'ল। ''শিষ্য, মোৰ বাওঁভৰিটোও অলপ পিটিকি দিয়া।'' গুৰুৱে শিষ্যক কলে। কিন্তু তেওঁৰ বাওঁভৰিৰ ওপৰত সমানেই খঙ আছিল, যিমান আছিল সেই ভৰি পিটিকাজনৰ ওপৰত। গতিকে তেওঁ এটা পাথৰ লৈ বাওঁ ভৰিত আঘাট কৰিলে। গুৰুৱে বিষত চিঞৰিবলৈ ধৰিলে। তেওঁ মূৰ্খ শিষ্যক গালি-শপনি পাৰি বৈদ্যৰ হতুৱাই চিকিৎসা কৰালে।

দুদিনমানৰ পিছত বাহিৰলৈ যোৱা শিষ্য উভতি আহিল। যেতিয়া তেওঁ 'নিজৰ ভাগৰ ভৰিটো'ত বেণ্ডেজ বান্ধি থোৱা দেখিলে, তেতিয়া চিন্তিত হৈ সুধিলে, ''গুৰুদেৱ, আপোনাৰ ভৰিত কি হ'ল?''গুৰুৱেও সকলো কথা বিৱৰি কলে।

''সেই দুষ্টৰ ইমান সাহস! সি কি মোক নিকম্মা বুলি ভাৱিছে?'' এইবুলি তেওঁ এটা পাথৰ হাতত তুলি ললে। গুৰুৰ অনুনয়-বিনয় নুশুনি সি সেই পাথৰটোৰে আঘাট কৰি গুৰুৰ সোঁভৰিটো ভাঙি পেলালে।

উত্তম বৈদ্য

ৱল্লভপুৰৰ বাসিন্দা ৰমেশ পাণ্ডে বিখ্যাত বৈদ্য আছিল। তেওঁ নিসন্তান আছিল। তেওঁ ভাবিছিল তেওঁৰ এই শাস্ত্ৰ আন কোনোবাই শিকিব খুজিলেই শিকিব নোৱাৰিব। ইয়াৰ বাবে শিক্ষাৰ্থীৰ লাগিব একাগ্ৰতা আৰু ইচ্ছা শক্তি।

এদিন ৰমেশ পাণ্ডেৰ সম্পৰ্কীয় কমল পাণ্ডে তেওঁৰ দুয়ো পুত্ৰক লৈ চিকিৎসাৰ বাবে তেওঁৰ ওচৰলৈ আহিল। চহৰত আছিল কমল পাণ্ডেৰ অলংকাৰৰ দোকান। যোৱা কিছুদিন ধৰি তেওঁ এটা অসুখত ভুগি আছে। তেওঁৰ দুয়ো পুত্ৰ ধনঞ্জয় আৰু ৰাঘ, বৈদ্য বৃত্তিৰ প্ৰতি আকৰ্ষিত হৈছিল।

ৰমেশ পাণ্ডেৰ চিকিৎসা লৈ দুসপ্তাহৰ ভিতৰতে কমল পাণ্ডেই ভালেখিনি সকাহ পালে। চহৰলৈ যাবলৈ ওলাই তেওঁ ৰমেশ পাণ্ডেক ক'লে, "ডাঙৰীয়া, আপুনি হ'ল সাক্ষাৎ ধনন্তৰী। কিন্তু বৈদ্য বৃত্তিৰ আপোনাৰ এই পাৰদৰ্শিতা আপোনাৰ লগতে শেষ হোৱাটো মই কামনা নকৰো।" ৰমেশ পাণ্ডেই ক'লে, "মইনো কি কৰিব পাৰো! যেতিয়ালৈকে মই এজন গভীৰ একাগ্ৰতা থকা বিদ্যাৰ্থী লগ নাপাওঁ, তেতিয়ালৈকে মই এই শাস্ত্ৰ কাকো শিকাব নোৱাৰো।"

"মোৰ দুয়ো পুত্ৰৰে এই বিদ্যাত ৰতি ৰুচি আছে। আপুনি এওঁলোক দুয়োকে আপোনাৰ শিষ্য হিচাপে গ্ৰহণ কৰক।" কমল পাণ্ডেই মিনতি কৰিলে।

ৰমেশ পাণ্ডেই জনালে যে দুয়োৰে পৰীক্ষা লৈহে তেওঁলোকক শিষ্য হিচাপে ল'ব পৰা যাব নে নাযায় এই লৈ তেওঁ এটা সিদ্ধান্ত ল'ব। এই উত্তৰত সন্তুষ্ট হৈ কমল পাণ্ডে চহৰলৈ গ'লগৈ।

ইফালে দুয়োৰে ভিতৰত ধনঞ্জয় আছিল বুদ্ধিমান। তেওঁ সোনকালেই যিকোনো বিষয় আয়ত্ব কৰিব পাৰিছিল। ৰাঘ আছিল শান্ত স্বভাৱৰ। কোনো এটা বিষয়ৰ কথা দুবাৰমান শুনি লৈহে তেওঁ এটা সিদ্ধান্তলৈ আহিছিল।

এন. পদ্মলতা জয়ৰাম

অহা যেনেই লাগিছিল, কিন্তু চাওঁতে চাওঁতে জমিদাৰ আকৌ সেই ৰোগত পীড়িত হ'ল। ধনঞ্জয়ে ভাবি নাপালে এতিয়া কি কৰা উচিত। নিৰাশ হৈ তেওঁ ঘূৰি আহিল।

এইবাৰে ৰাঘৱে জমিদাৰক চিকিৎসা কৰিবলৈ গুৰুৰপৰা অনুমতি বিচাৰিলে। ৰমেশ পাণ্ডেই মানি ল'লে। জমিদাৰৰ ঘৰলৈ গৈ ৰাঘৱে সেই আহাৰ অনাবলৈ ক'লে, যি আহাৰ জমিদাৰে দৈনিক খায়। তেওঁ সেই আহাৰখিনি পৰীক্ষা কৰিলে। সেই আহাৰত ঘিঁউ আৰু তেল খুব বেছি আছিল। বিভিন্ন প্ৰকাৰৰ শক্তিবৰ্ধক পদাৰ্থ তাত প্ৰয়োজনতকৈ বেছি আছিল। ৰাঘৱে সমস্যাটো বুজি পালে, সমস্যাটো ক'ত।

ৰাঘৱে জমিদাৰক ক'লে, ''মহাশয়, আপুনি অলপ সাৱধানতা অৱলম্বন কৰিব লাগিব। দহ দিনলৈকে আপুনি তেতেলীৰ ৰস আৰু মথি লোৱা গাখীৰেৰে আহাৰ খাব লাগিব। তেতিয়াহে গুৰুৰ ঔষধে কাম দিব।

জমিদাৰে এই কথাত মান্তি হ'ল। এসপ্তাহৰ ভিতৰতে তেওঁৰ ৰোগৰ প্ৰকোপ কমি আহিল। জমিদাৰে উচিত উপহাৰ দি ৰাঘৱক বিদায় দিলে।

ৰাঘৱ ঘৰ আহি পাঁওতে ৰমেশ পাণ্ডে ঘৰত নাছিল। ধনঞ্জয়ে ৰাঘৱৰপৰা গোটেই কথাখিনি জানি ল'লে। আবেলি ৰমেশ পাণ্ডে ঘূৰি অহাৰ পাছত ধনঞ্জয়ে তেওঁক ক'লে, ''গুৰুদেৱ, কেনেকৈ চিকিৎসা কৰি ৰাঘৱ সফল হ'ল সেই কথা মই জানিব পাৰিছো। সি জিৰা, জালুক আৰু অলপ গুড় মিহলি কৰি কেইপালিমান ঔষধ দিলে। ময়োতো এনেকৈয়ে কৰিছিলো, কিন্তু কোনো লাভ নহ'ল। এনেকুৱা হ'ল কিয়?''

ৰমেশ পাণ্ডেই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, ''ধনঞ্জয়, ভাল বৈদ্যই কেৱল ৰোগীৰেই

ৰমেশ পাণ্ডেই দহ দিন ধৰি দুয়োকে বিভিন্ন ধৰণৰ পাত আৰু গুটি আদিৰ বিশিষ্ট গুণৰ কথা বুজালে। লগতে ক'লে যে তেওঁৰ চিকিৎসা বিধি তেওঁলোকে যেন খুব মন দি চাই থাকে।

এদিন, ৰমেশ পাণ্ডেই খবৰ পালে যে ওচৰৰে এখন গাঁৱৰ জমিদাৰ ভীষণভাৱে অসুস্থ। তেওঁ খোৱা একো বস্তুৱেই হজম নহয় আৰু তেওঁক এটা অচিন ৰোগে দুৰ্বল কৰি আনিছে। এই খবৰটো লৈ অহা মানুহজনৰ পৰা ৰমেশ পাণ্ডেই জমিদাৰৰ বিষয়ে আন ভালেমান খা-খবৰ ল'লে। ৰমেশ পাণ্ডেই ধৰিব পাৰিলে যে সেই জমিদাৰ অজীৰ্ণ ৰোগত পীড়িত হৈছে। তেওঁ ধনঞ্জয়কে জমিদাৰৰ চিকিৎসাৰ দায়িত্ব দিলে।

দুদিন ধৰি গুৰুৱে কোৱা দৰৱ দি ধনঞ্জয়ে জমিদাৰৰ চিকিৎসা কৰিলে। গুৰুৱে কোৱা পাত, শিপা, গুটি আদি পিছি লৈ তাৰে বড়ি বনাই জমিদাৰক খাবলৈ দিলে। দেখাত তেওঁ ভাল হৈ

নহয়, ৰোগৰো পৰীক্ষা কৰে । ৰোগৰ মূল কাৰণ প্ৰথমে জানিব লাগিব । জমিদাৰে প্ৰয়োজনতকৈ বেছি খাইছিল । ইয়াৰ চিকিৎসাত ঔষধতকৈ বেছি প্ৰভাৱশালী হ'ল পথ্য । সেই কাৰণেই ৰাঘৱৰ চিকিৎসাই বেছি কাম দিলে ।''

পিছদিনা, যেতিয়া ৰাঘৱ আৰু ধনঞ্জয়ে এখন হাবিত ঔষধি গছৰ পাত শিপা আদি বিচাৰি আছিল, তেতিয়া হঠাতে দুৰ্বল আৰু ফটা-ছিটা কাপোৰ পিন্ধা এজন মানুহ এজোপা গছৰ তলত অচেতন হৈ পৰি থকা দেখিলে । ধনঞ্জয়ে ক'লে, ''কোনোবা ভিখাৰী যেন লাগিছে । ভোকত অচেতন হৈ আছে । বলা, আমি নিজৰ কাম কৰো ।''

''অঁ, যি কামত আহিছো, সেই কামটো কৰিমেই । কিন্তু এই অৱস্থাত মানুহজনক এনেকৈ এৰি থৈ যোৱা অনুচিত ।'' এইবুলি কৈ ৰাঘৱে মানুহজনৰ মুখত পানী ছটিয়াই দিলে । মানুহজন যেতিয়া উঠি বহিল, তেতিয়া ৰাঘৱে ধনঞ্জয়ক ক'লে, ''ধনঞ্জয়, এওঁক ঘৰলৈ নি পেট ভৰাই খাবলৈ দিয়া । এইটোও জানিব লাগিব, তেওঁ ভোকত নে আন কিবা ৰোগত পীড়িত হৈ অচেতন হৈছিল । গুৰুদেৱৰ হতুৱাই মানুহজনক পৰীক্ষা কৰিব লাগিব ।'' এইবুলি কৈ ৰাঘৱে মানুহজনক গুৰুৰ ওচৰলৈ লৈ গ'ল ।

ৰমেশ পাণ্ডেই সকলো কথা শুনি ধনঞ্জয়ক ক'লে, ''নিঃসহায় মানুহ আৰু ৰোগীৰ প্ৰতি বৈদ্যৰ সহানুভূতি থকা উচিত । তেনেলোকৰ আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখিহে তেওঁৰ পৰা ধন লোৱা উচিত । আমি যদি ৰোগীক পৰম মিত্ৰ বুলি ভাবিব পাৰো তেন্তে আমি আমাৰ বৃত্তিত দোপতদোপে উন্নতি কৰিব পাৰিম ।''

গুৰুদেৱৰ কথা শুনি ধনঞ্জয়ৰ মুখ শেতা হৈ আহিল । তেওঁ ক'লে, ''ক্ষমা কৰক গুৰুদেৱ, কেৱল ধন আৰ্জন কৰাৰ সপোন লৈয়েই মই ইয়ালৈ আহিছিলো । কিন্তু এতিয়া বুজিছো, ব্যৱসায়ৰ তুলনাত এই উপাৰ্জন একোৱেই নহয় । বৈদ্য বৃত্তি মোৰ স্বভাৱৰ অনুকূল নহয় । মোক ঘৰলৈ যোৱাৰ অনুমতি দিয়ক ।'' এইবুলি কৈ ধনঞ্জয় তাৰপৰা গুচি গ'ল ।

ৰাঘৱে গুৰু ৰমেশ পাণ্ডেৰ ঘৰতে থাকি বৈদ্য বৃত্তি শিকি থাকিল আৰু খুব কম সময়ৰ ভিতৰতে উত্তম বৈদ্য হৈ উঠিল ।

মাচুল পৰিশোধ

জমিদাৰ জগপতি এই লৈ চিন্তিত আছিল যে ৰামপুৰৰ কৃষকে ধাৰলৈ টকা লোৱাৰ পিছত পৰিশোধ কৰা নাছিল।

গাৱঁৰ আদালতত কৃষকসকলে জমিদাৰক লগ ধৰিলে। তেওঁলোকে জমিদাৰক কলে যে তেওঁলোকে ভবামতে শস্যৰ উৎপাদন হোৱা নাই। তেওঁলোক সকলো চহৰলৈ গৈ তাত হাজিৰা কৰিবলৈ সাজু আছিল যাতে কিছু টকা উপাৰ্জন কৰি ধাৰৰ টকা কিছু পৰিমাণে হলেও ঘূৰাই দিব পৰা যায়। কিন্তু পথত থকা জুৰিটো গোটেই বছৰ জুৰি পানীৰে ভৰি আছিল আৰু ফলত তেওঁলোকে সেইটো পাৰ হোৱাৰ বাবে বেছ কষ্ট কৰিবলগীয়া হৈছিল।

তেতিয়া জমিদাৰে গাৱঁৰ মুখিয়ালৰ ফালে চাই সুধিলে, "তুমি কিয় এই সমস্যা ইমানদিনলৈকে সমাধান নোহোৱাকৈ থাকিবলৈ দিছা।" গাৱঁৰ মুখিয়ালে কলে, "যদি আমি সিঁহতৰ এই অজুহাতবিলাক বিশ্বাস কৰি থাকো, তেন্তে ধাৰে দিয়া টকা কেতিয়াও ঘূৰাই নাপাব।"

মুকুণ্ড নামৰ এজন ডেকাই সেই কথা শুনি কলে, "অলপদিনৰ আগতে আপোনাৰ ষাঠী বছৰ পুৰ্তিৰ উপলক্ষে আপুনি ঘোষণা কৰিছিল যে সেই জুৰিটোত এখন দলং নিৰ্মাণ কৰা হব।"

জমিদাৰে তেওঁক সুধিলে যে ধাৰে লোৱা টকা ঘূৰাই নিদিয়াৰ লগত এই কথাৰ কি সম্পৰ্ক। মুকুণ্ডই নম্র ভাৱে উত্তৰ দিলে, "মোৰ দেউতাই মোক কৈছিল যে ধাৰে লোৱা টকা ঘূৰাই নিদিয়া আৰু প্ৰতিজ্ঞা পূৰণ নকৰা একেই।"

এই কথা শুনি জমিদাৰে মুকুণ্ডই কি বুজাব খুজিছে তাক ভালদৰেই বুজি পালে। তেওঁ গাৱঁৰ মুখিয়ালৰ ফালে ঘূৰি চাই কলে, "আমি প্ৰতিজ্ঞা কৰাৰ দৰে জুৰিটোৰ ওপৰত এখন দলং নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা। তাৰপিছত আমি ধাৰৰ টকা কেনেকৈ ঘূৰাই পাব পাৰি সেইবিষয়ে আলোচনা কৰিম।"

- জনালাগাডা ৰত্না



মই কি হ'ব পাৰো ?

নামভৰ্তি/বাছনি প্ৰক্ৰিয়া সৰ্বভাৰতীয় ভিত্তিত অনুষ্ঠিত কৰা লিখিত পৰীক্ষা, সাধাৰণ জ্ঞানৰ পৰীক্ষা আৰু সাক্ষাৎকাৰৰ ওপৰত নিৰ্ভৰ কৰি হয়। দুঘন্টা সময়ৰ লিখিত পৰীক্ষাৰ এখন পেপাৰত সাধাৰণ ইংৰাজী, গণিত, পদাৰ্থ বিজ্ঞান আৰু যুক্তি সম্বন্ধীয় প্ৰশ্ন থাকে। এই বিষয়ত যোগদান কৰাৰ বাবে ১ম শ্ৰেণীৰ মেডিকেল চাৰ্টিফিকেটৰ প্ৰয়োজন।

ভাৰতত পাইলট প্ৰশিক্ষণ প্ৰদান কৰা প্ৰতিষ্ঠানসমূহৰ নাম তলত দিয়া হ'ল -

- Indira Gandhi Rashtriya Uran Akademi (IGRUA), Raebareli, (UP) (www.igrua.gov.in).
- Orient Flight School Chennai (www.orientflights.com).
- Thakur College of Aviation, Samata Nagar, Kandivli (E) Mumbai.
- Institute of Aviation and Aviation Safety (IAAS), Mumbai.
- Rajiv Gandhi National Flight Training Institute.

এয়া জনাটো বৰ দৰকাৰী, নহয়নে বাৰু ? যিসকলে এনে এটা পেশা বাছি লব বিচাৰিছে যি পেশা গোটেই পৃথিৱী ভ্ৰমণ কৰি ফুৰাত তেওঁৰ সহায়ক হব, তেন্তে পাইলটেই হ'ল তেনে এটা পেশা। আজিলৈ মোৰ ফালৰ পৰা ইমানেই। অহা মাহত তোমালোকক পুণৰ লগ পাম।

- *ছাই*

মেকনামাৰাৰ সবাতোকৈ অস্বস্তিকৰ সময়খিনি

অভাৱেই আৱিষ্কাৰৰ মূল। কল্পনা কৰাচোন, কেনেকৈ ক্ৰেডিট কাৰ্ডৰ আৱিষ্কাৰ হৈছিল। ১৯৪৯ চনৰ কথা। ফ্ৰেংক মেকনামাৰা নামৰ এজন লোকে এখন ৰেষ্টোৰাত আহাৰ খাই শেষ কৰাৰ ঠিক পিছতেই আৱিষ্কাৰ কৰিলে যে তেওঁৰ ওচৰত আহাৰৰ মূল্য পৰিশোধ কৰিব পৰাকৈ যথেষ্ট টকা নাই। গতিকে, তেওঁৰ পত্নীক ফোন কৰিবলগীয়া হ'ল আৰু তেওঁ আহি মেকনামাৰক তেনে অস্বস্তিকৰ পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিলে। সেই ঘটনাৰ পিছত, তেওঁ 'ডিনাৰ ক্লাবৰ' সূচনা কৰিলে যি পিছলৈ ক্ৰেডিট কাৰ্ড বিতৰণ আৰম্ভ কৰিলে।

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৪

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩৪ লিখা।

৪) তোমাৰ উত্তৰ ৩১ ডিচেম্বৰৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ ফেব্ৰুৱাৰী মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

চৰাইৰ বিষয়ে

১. এনে এটা চৰাইৰ নাম কোৱা যিটোৱে তাৰ বিশাল ঠোঁটত ১৩ লিটাৰ পৰ্যন্ত পানী ধৰি ৰাখিব পাৰে।

২. কোন চৰায়ে আহাৰ খুৱাই দিয়াৰ সময়ত তাৰ ঠোঁটৰ ওপৰফালটো তলফালে ৰাখে?

৩. কোন চৰায়ে শত্ৰুক দূৰত ৰাখিবৰ বাবে এবিধ বিকট গোন্ধ থকা তেল চতিয়াই দিয়ে?

৪. এনে এটা চৰাইৰ নাম কোৱা যাৰ বাহ এটা ফুটবলৰ আকাৰতকৈ দুগুণ ডাঙৰ।

৫. কোন চৰাইৰ পাখি ভাঙিলে একেবাৰে গুড়ি হৈ পৰে?

৬. এনে এটা চৰাইৰ নাম কোৱা যাৰ পোৱালীৰ ওজন ১৬ কেজি হয়।

৭. কোনবিধ সৰু চৰায়ে তাৰ দেহৰ ভৰতকৈ আঠগুণ বেছি পানী খায়?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩১, আগষ্ট, ২০১১ৰ উত্তৰ

১. ১৮৫৭ চনৰ ১০ মে, ২. ইন্দিৰা প্ৰিয়দৰ্শিনী, সুচেতা কৃপালনী, ৪. ১৯৪৭ চনৰ ১ জুলাই, ৫. ক্লিমেট এটলি, ৬. ত্যাগ, ৭. দক্ষিণ কোৰিয়া, বাহৰেইন, ৰিপাব্লিক অব কংগো

August'11 Winners: 1. Deksha Dubey, Seranpore, Hooghly(Dist.), West Bengal - 712249.
2. Yagnesh Saradhchandra Chaphalkar, Pakhal Road, Nashik - 422006.
3. Shuvasish sarkar, Malda, Chobby bhawan, West Bengal-732101.

কৌতুক

ডাক্তৰৰ প্ৰতি এগৰাকী মহিলা: ''ডাক্তৰ, মোৰ স্বামীয়ে টোপনীতে কথা পাতি থাকে।''
ডাক্তৰ: ''সেইটো বৰ চিন্তা কৰিবলগীয়া নহয়। মই এই দৰব দিছো, ভাল হৈ যাব।''
মহিলা: ''খবৰদাৰ ডাক্তৰ, তেওঁ কেৱল সেই সময়তহে মোৰ লগত কথা পাতে।''

ৰবি: মই প্ৰতিদিনেই এটা ভাল কাম কৰো।
অৰুণ: সেইটো বৰ ভাল অভ্যাস। আজি তুমি কি ভাল কাম কৰিলা?
ৰবি: আজি ৰাতিপুৱা দেখিলো যে কেৱল এজনৰ জোখাৰেহে চুলিত ঘহা তেল আছে। সেয়া মই সৰু ভাইটিক দি দিলো।

দেউতাক: সকলো বৃদ্ধি পাইছে। কাপোৰৰ দাম বৃদ্ধি পাইছে।। কৰৰ পৰিমাণ বৃদ্ধি পাইছে। এনে কিবা বস্তু আছে নেকি যে যি হ্রাস পাইছে?
পুতেক: তেনেহলে এয়া চাই আপুনি সুখী হব দেউতা, এয়া মোৰ ৰিপৰ্ট কাৰ্ড।

পৰ্যটক: এইখন এখন স্বাস্থ্যকৰ ঠাই হয়নে বাৰু?
স্থানীয় লোক: নিশ্চয়, যেতিয়া মই ইয়ালৈ আহিছিলো। মই এটাও শব্দ উচ্চাৰণ কৰিব নোৱাৰিছিলো। মোৰ মূৰত কেইডালমানহে চুলি আছিল। মই ইমানেই দুৰ্বল আছিলো যে কোঠাৰ ভিতৰতো চলাচল কৰিব নোৱাৰিছিলো। বিচনাৰ পৰা মোক তুলি আনিবলগীয়া হৈছিল।
পৰ্যটক: আঁচৰিত, আপুনি কিমান দিনৰে পৰা ইয়াত আছে?
স্থানীয় লোক: মোৰ জন্ম ইয়াতেই হৈছিল।

কুকি-আনন্দৰ সফুৰা

আঁহা, আমি এইবাৰ বিস্কুটৰ বিষয়ে জানো। আমাৰ ভাৰতবৰ্ষ হ'ল এই বিশ্বৰ ভিতৰতে দ্বিতীয় সৰ্বাধিক বিস্কুট তৈয়াৰী কৰোতা।

এটা 'ফৰচুন কুকি' বা ভাগ্য কুকি হ'ল এটা সুস্বাদু বিস্কুট যাৰ ভিতৰত এটা ভৱিষ্যতবাণী বা উক্তি লিখা থকা এটুকুৰা কাগজ থাকে। কিছুমানৰ বাবে এই ভাগ্য কুকিবিলাক হ'ল অতি বিশ্বাসযোগ্য। তেওঁলোকে চকু মুদি এটা কুকি চয়ন কৰে, তাক সেই টেবুলত বহি থকা আন এজন লোকক দিয়ে বা তেওঁলোকৰ ফাললৈ টোৱাই থকা যেন লগা এটা কুকি তুলি লয়।

'অমৰেট্টি' হ'ল সৰু আকৃতিৰ ইটালিয় বিস্কুট। এটা কিংবদন্তী আছে যে এক নৱ-দম্পত্তিয়ে সেই ঠাই ভ্ৰমণ কৰিবলৈ অহা এজন খ্ৰীষ্টান ধৰ্মৰ পুৰোহিতক সন্মান জনাব খুজিছিল। গতিকে তেওঁলোকে কাঠবাদাম, চেনী, কণী আৰু আটা মিহলাই এক প্ৰকাৰৰ সৰু সুস্বাদু বিস্কুট তৈয়াৰ কৰিলে। পুৰোহিত আৰু আন বহুলোক এই বিস্কুটৰ পৃষ্ঠপোষক হৈ পৰিল।

টুলহাউচ ইনৰ মালিক ৰুথ ৱেকফিল্ডে চকলেট কুকি তৈয়াৰ কৰি আছিল। তেওঁ সেই মিশ্ৰণৰ লগত 'নেছলে চকলেট' অলপ মিহলাই দিলে আৰু ভাৱিলে যে সেইবিলাক তাৰ লগত ভালদৰে মিহলি হৈ যাব। কিন্তু সেইবিলাক মিহলি নহ'ল আৰু 'চকলেট চিপ কুকি'ৰ সৃষ্টি হ'ল।

'লেবকুচেন' জামনীত পৰম্পৰাগত 'জিনজাৰব্ৰেডৰ' এটা প্ৰকাৰ হিচাপে বেছ জনপ্ৰিয়। এই লেবকুচেনবিলাকৰ মানদণ্ড ইমানেই উচ্চ যে এটা এনে সময় আছিল যিটো সময়ত সেইবিলাকৰ কৰ পৰিশোধ কৰা বা উপহাৰ দিবৰ বাবে মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হৈছিল।



'ক্ৰেকাৰ' হ'ল টান বিস্কুট আৰু সেইবিলাকক বহু দিনৰ বাবে সাঁচি থব পাৰি। এই কাৰণতেই সেইবিলাক নাৱিকসকলৰ অতি প্ৰিয়। এইবিলাকৰ নামকৰণৰ কেনেকৈ হৈছিল? জ'চিয়া বেন্ট নামৰ এজন বিস্কুট তৈয়াৰ কৰোতাই এবাৰ তেওঁৰ বিস্কুট তৈয়াৰ কৰা অভেনত এখিনি বিস্কুট বেচিকৈ পুৰি পেলালে। এই বিস্কুটবিলাকে খাওতে ডাঙৰ শব্দ কৰিবলৈ ধৰা বাবে ক্ৰেকাৰ নাম দিয়া হ'ল।



'পাৰ্টি ৰিং' হ'ল মাজত হাতৰ আঙুলিৰ সমান এটা ফুটা থকা ৰঙীন বিস্কুট। এইবিলাক ৰিং ৰেচৰ বাবে অতি উপযোগী। এই খেলত প্ৰতিটো শিশুৱেই একোটা বিস্কুট আঙুঠিৰ দৰে হাতৰ আঙুলিত পিন্ধি লয় আৰু যিয়েই আগতে খাই শেষ কৰিব পাৰে সিয়েই বিজয়ী হয়।

'পেপাৰনুট' হ'ল একপ্ৰকাৰৰ মটীয়া বৰণৰ কুকি যে লাহে লাহে টান হৈ হৈ গৈ থাকে। হলেণ্ডৰ এটা জনপ্ৰিয় অনুষ্ঠানত, ছান্টাক্লজৰ সহকাৰী জুৱাৰ্টে পিটে অসংখ্য পেপাৰনুট কুকি ৰাজপথৰ জনগণলৈ দলিয়াই দিয়ে।



'জিনজাৰব্ৰেড' কুকিবিলাক ইউৰোপত বেছ জনপ্ৰিয়। ইংলেণ্ডৰ মহাৰাণী এলিজাবেথ প্ৰথমে তেওঁৰ লগত এনে কুকি ৰাখিছিল আৰু বিশেষ অতিথিক এই কুকি উপহাৰ হিচাপে প্ৰদান কৰিছিল।

'ক্ৰুমিৰি' ইটালীৰ এবিধ বিখ্যাত বিস্কুট। এই বিস্কুটবিলাক আকৃতিত অলপ বেকা আৰু দেখিবলৈ মোচৰ আকৃতিৰ। এই বিস্কুটবিলাক বিখ্যাত মোচৰ গৰাকী ভিক্টৰ ইমানুৱেল দ্বিতীয়ৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰিবলৈ তেনে আকৃতিত তৈয়াৰ কৰা হৈছিল। ভিক্টৰ ইমানুৱেল একত্ৰিত ইটালীৰ প্ৰথম ৰজা আছিল।

'মাকাৰুন' ৭৯১ চন মানত মংক (ভিক্ষু) সকলে তৈয়াৰ কৰিছিল। পিছত, ১৭শ শতিকাত, ফৰাচী বিপ্লৱৰ সময়ত দুগৰাকী নান বিপ্লৱৰ পৰা বাচিবৰ বাবে নেন্‌চীলৈ পলাই যায়। তেওঁলোকে মাকাৰুন তৈয়াৰ কৰি সেইবিলাক বিক্ৰী কৰি ঘৰৰ ভাৰা পৰিশোধ কৰিছিল। তেওঁলোক মাকাৰুন ভগ্নী হিচাপে বিখ্যাত হৈ পৰিছিল।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা ? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	We will go together.	Day after tomorrow?
Assamese	আমি একেলগে যাম।	অহাকালিৰ পিছদিনাখন ?
Telugu	మనం అక్కడికి కలిసి వెళతాము. মানম আক্কাডিকি কেলিছে ভেলাথামু।	ఎల్లుండి వెళుతున్నామా? ইল্লুনদি ভেলুথুন্নামা ?
Tamil	நாம் சேர்ந்து செல்வோம். নাম চেৰনন্ধু ছেলভম।	நாளை மறுதினமா? নালাই মাৰুধিনামা ?
Bengali	আমরা একসাথে যাব। আমাৰা একসাথে যাব।	পরশুদিন ? পৰচু দিন ?
Marathi	आपण मिळून जाऊ या. আপন মিলু জাওয়া।	परवा ? পৰভা ?
Kannada	ನಾವೆಲ್ಲರೂ ಜೊತೆಯಾಗಿ ಹೋಗೋಣ. নাভেল্লাৰু জৌতেয়াগী হ'গ'না।	ನಾಡಿದ್ದು? নাডিডে ?
Oriya	ଆମେ ସମସ୍ତେ ଏକାଠି ଯିବା। আমে সমস্তে ইকা থি যিবা।	ପଅରଦିନ? পাৰদিনা ?
Gujarati	આપણે સાથે જઈશું. আপনে সাথ জাইচুন।	પરમદિવસે? পৰমদিৱসে ?
Hindi	हम साथ चलेंगे। হাম সাথ চলেংগে।	परसों ? পৰচু ?
Malayalam	നമ്മളൊരുമിച്ച് പോകും. নাম্মালুকমিচ্চু পকুম।	മറ്റന്നാളോ? মাট্টিন্নালু ?
Santali	ᱟᱞᱮ ᱢᱤᱫ ᱴᱮᱞᱮ ᱪᱮᱱᱜ-ᱟ। আলে মিড টেলে চেনগ-আ।	ᱢᱮᱭᱟᱝ? মেয়াং ?
Sanskrit	वयं मिलित्वा गच्छामः। ভয়ম মিলিত্ত্ব গচ্ছামহাঃ।	अपि श्वः ? অপি ছভহাঃ ?



English	At what time?	At three'o clock.
Assamese	কোন সময়ত ?	তিনিটা বজাত।
Telugu	ఏ సమయంలో? ই সময়াল্লু ?	మూడు గంటల సమయంలో. মুরু ঘন্টা সময়াল্লু।
Tamil	எத்தனை மணிக்கு? ইথনাই মানিক্কু ?	மூன்று மணிக்கா? মুনরু মানিক্কা।
Bengali	কটার সময়? কতাৰ সময় ?	তিনটের সময়। তিনতেৰ সময়।
Marathi	किती वाजता? কিটি বজাত ?	तीन वाजता. তিন বজাত।
Kannada	ಎಷ್ಟು ಹೊತ್ತಿಗೆ? এছটু হটিগে ?	ಮೂರು ಗಂಟೆಗೆ মুরু গমটেগে।
Oriya	କେତେବେଳେ? কেতেবেলে ?	ତିନିଟା ବେଳେ। তিনিটা বেলে।
Gujarati	કેટલા વાગ્યે? কেতালা ৱজে ?	ત્રણ વાગ્યે. ট্রানা ৱজে।
Hindi	किस समय? কিস সময় ?	तीन बजे। তিন বজে।
Malayalam	എത്ര മണിക്ക്? ইথ্রা মানিক্কু ?	മൂന്ന് മണിക്ക്. মুন্নু মানিক্কু।
Santali	ᱛᱤᱱ ᱡᱷᱚᱜ? তিন ঝোগ ?	ᱯᱮ ᱴᱟᱞᱟᱝ ᱡᱷᱚᱜ। পে টালাং ঝোগ।
Sanskrit	कदा? কদা ?	त्रिवादनसमये। ত্রিবাদনসময়ে।

বোন্দা মহিলাই কিয় তেওঁলোকৰ মূৰৰ চুলি খুৰাই পেলায় ?

বোন্দা জনজাতি এটা অতি প্ৰাচীন আৰু তেওঁলোকে উৰিষ্যাৰ মালকানাগিৰি জিলাত বাস কৰে। তেওঁলোকৰ বাসস্থান হ'ল বোন্দা নামৰ পাহাৰৰ ওপৰৰ অংশ। বোন্দা পাহাৰত 'সীতা কুণ্ড' নামেৰে এটা সৰু পাহাৰীয়া জুৰি আছে যাৰ লগত ৰামায়ণৰ যোগসূত্ৰ আছে বুলি বিশ্বাস কৰা হয়। বিশ্বাস আছে যে যেতিয়া ৰাম আৰু সীতা বনবাসত আছিল, তেতিয়া তেওঁলোকে কিছুদিনৰ বাবে দণ্ডকাৰণ্যত কটাইছিল। এদিনাখন সীতাই যেতিয়া ওচৰৰে এটা জুৰিত গা ধুই আছিল, তেতিয়া লজ্জা নিবাৰণৰ বাবে তেওঁ গছৰ পাতৰ পৰা তৈয়াৰী পোছাক পৰিধান কৰি আছিল। কিছুমান বোন্দা মহিলাৰ এই দৃশ্য দেখি হাঁহি উঠিল। সীতা বৰ অপ্ৰস্তুত হ'ল আৰু সেই বোন্দা মহিলাসকলৰ শাও দিলে যে তেওঁলোকে চিৰ জীৱন অৰ্ধ-উলংগ আৰু চুলিহীন হৈ কটাব লাগিব। এই 'মিথ' এতিয়াও বোন্দা জনজাতিৰ লোকসকলে বিশ্বাস কৰে। গতিকে বোন্দা মহিলাই তেওঁলোকৰ মূৰৰ চুলি খুৰাই পেলায়। তেওঁলোকে কঁকালত এটুকুৰা সৰু বস্ত্ৰ পৰিধান কৰে আৰু মণিৰে তৈয়াৰ কৰা নানা ধৰণৰ গহণাৰে দেহৰ ওপৰৰ অংশ ঢাকি লয়।

মুদ্ৰাৰ অবিহনে বেপাৰ

২০১১ চনত তুমি মুদ্ৰা ব্যৱহাৰ নকৰাকৈ কিবা ব্যৱসায় কৰাৰ কথা চিন্তা কৰিব পাৰানে ? উত্তৰৰ বাবে উৰিষ্যাৰ মালকানাগিৰৰ মুণ্ডিগুৰা হাট ভ্ৰমণ কৰা।

বিনিময় প্ৰথা আমাৰ উপৰিপুৰুষ সকলে ব্যৱহাৰ কৰা এটা পুৰণি ব্যৱসায় প্ৰথা। এই প্ৰথা এতিয়াও বহু জনজাতীয় সমাজত প্ৰচলিত হৈ আছে। উৰিষ্যাৰ মালকানাগিৰিৰ বোন্দা জনজাতি হ'ল তাৰ এক উদাহৰণ।

বোন্দা মহিলাই স্থানীয়ভাৱে উৎপাদিত শাকপাচলি, ফল-মূল আৰু অৰণ্যৰ পৰা সংগ্ৰহ কৰা আন আন বস্তু লৈ মুণ্ডিগুৰা হাটলৈ যায়। তাত স্থানীয় বেপাৰীসকলৰ লগত সেই বস্তুবিলাক বিনিময় কৰি তেওঁলোকৰ দৈনন্দিন প্ৰয়োজনীয় বস্তু যেনে, চাউল, নিমখ আদি সংগ্ৰহ কৰে। এই প্ৰথাত কোনো পইছা বা মুদ্ৰা ব্যৱহাৰ কৰা নহয়।

Chandamama

Art Book

'Chandamama Art Book' brought back my childhood memories. Illustrations by artists Vaddadi Papayya garu, Sankar, Chitra, MTV Acharya are pretty to look at, a healthy treat to the eyes that leaves a wonderful impression on my mind. This 'art book' experiment, with quality printing, looking lovely, is an extraordinary gift to art lovers. It is a precious treasure that is worth keeping forever.

With Best Wishes,
P. Sreeramachandra Murthy, Tenali, AP

Order Now

2 Volumes



Log on to: www.chandamama.com or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

বুদ্ধিৰ সাগৰ
বীৰবল
অৰ্থহীন আৰু অবান্তৰ
১. বীৰবলৰ শিশুকালৰ বন্ধু শিশুপাল বীৰবলৰ ওপৰত ঈৰ্ষাপৰায়ণ হৈ উঠিল। কাৰণ বীৰবল আছিল আকবৰৰ অতি প্ৰিয়। 'মই তেওঁক আঁতৰাই সেই ঠাই নিজে লব লাগিব।' তেওঁ ভাবিলে।
২. এদিনাখন, আকবৰে সুধিলে, ''অবান্তৰ শব্দৰ কিবা অৰ্থ থাকিব পাৰেনে?'' বীৰবলে কলে, ''আচলতে অবান্তৰ বুলি একো নাই। আমি কেনেকৈ ব্যাখ্যা কৰো তাৰ ওপৰতেই সকলো নিৰ্ভৰ কৰে।''
৩. বিচাৰি থকা ধৰণেৰেই শিশুপালে বীৰবলক প্ৰত্যাহবান জনাবলৈ এটা সুবিধা পালে। সি থিয় হৈ কলে, ''শ্বাহেনশ্বাহ, বীৰবলে অৰ্থহীন কথা কৈছে। মই তেওঁৰ কথা ভুল প্ৰমাণ কৰিব পাৰো।''
৪. বীৰবলে হাঁহি মাৰি কলে, ''তুমি কিবা অৰ্থহীন বা অবান্তৰ কথা কব পাৰা আৰু তাক মই মোৰ জ্ঞান খটুৱাই ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিম।'' তেতিয়া শিশুপালে এইদৰে এটা মন্তব্য কৰিলে...
৫. ''চৰাই বাঁহলৈ উৰি গৈ আছিল। লগতে সম্ৰাটো আহিল। ই পানীলৈ সোমাই গ'ল।'' বীৰবলে কলে, ''সম্ৰাটে এডাল বাণ নিক্ষেপ কৰিলে আৰু চৰাই বিদ্ধ হৈ এটা পুখুৰীত পৰিল।''

৬. শিশুপাল আঁচৰিত হ'ল। সি কৈ গ'ল, ''এটা গাধই পৰ্যাপ্ত ঘাঁহ পোৱা নাছিল। গতিকে সি সিংহটোক গোৰ মাৰি দিলে।'' বীৰবলে কলে, ''ইয়াৰ এটা সুন্দৰ অৰ্থ আছে...''

৭. ''...নিজৰ সকলো প্ৰজাৰ বাবে পৰ্যাপ্ত খাদ্যৰ যোগান নিশ্চিত কৰা সকলো সম্ৰাটৰে কৰ্তব্য। যেতিয়া সম্ৰাটে কৰ্তব্য পালন কৰাত অসমৰ্থ হ'ল, গাধটোৱে সিংহটোক গোৰ মাৰি দিলে।''

৮. বীৰবলে কৈ গ'ল, ''মোৰ বন্ধুৰ উক্তিৰ এটা বিশেষ অৰ্থ আছে। তেওঁ কব খুজিছে যে তেওঁক যদি পৰ্যাপ্ত পৰিমাণে দৰমহা দিয়া নহয়, তেওঁ গাধটোৱে কৰাৰ দৰে কৰিবলৈ ইচ্ছা কৰে।''

৯. কথা বিষম দেখি শিশুপাল সম্ৰাটৰ ভৰিত বাগৰি পৰিল। ''শ্বাহেনশ্বাহ, মই এই কথা বুজাব খোজা নাছিলো। অনুগ্ৰহ কৰি মোক ক্ষমা কৰি দিয়ক। মই জ্ঞানত বীৰবলৰ সমকক্ষ নহয়।''

তুমি জানানে?

গোলাপ ফুলৰ ব্যৱহাৰ

শিশুদিৱসে নেহেৰু খুৱাৰ কথা মনত পেলাই দিয়ে। নেহেৰু খুৱাই তেওঁ কোটচোলাৰ জেপত সদায় এপাহ গোলাপ ফুল ৰাখিছিল। গোলাপ ফুলৰ নানা ধৰণৰ বিশেষত্ব আছে।

বহু ইউৰোপীয়লোকে গোলাপক গোপণীয়তাৰ চিন হিচাপে ব্যৱহাৰ কৰিছিল। ইংলেণ্ডত চাকৰসকলে তেওঁলোকৰ কাণৰ পিছফালে এপাহ গোলাপ পৰিধান কৰিছিল আৰু ইয়াৰ অৰ্থ আছিল যে তেওঁলোকে কিবা গোপন কথা শুনিলেও সেই কথা বাহিৰত জনাজাত কৰি নিদিয়ে। এটা জাৰ্মান ঘৰৰ খোৱা কোঠাত গোলাপ ফুল এটা বাতিত ৰখাৰ অৰ্থ হল অতিথিয়ে কোনো সংকোচ নকৰাকৈ কথা পাতিব পাৰে। সম্ভৱত, গোলাপৰ কলিৰ বন্ধ হৈ থকা পাহিয়ে গোপনীয়তাক সূচায়।

ইজিপ্তৰ ফেৰাওসকলে ৫০০০ বছৰৰ আগতেই গোলাপৰ খেতি কৰিছিল আৰু তেওঁলোকৰ বহুতকে গোলাপৰ লগত সমাধিস্থ কৰা হৈছিল।

গুপ্তধনৰ বাকচ

এই মাহত আমি কিছুমান জীৱ-জন্তুৰ ছবিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আঁহা ।

পোৱালীৰ সৈতে ক'ৱালা

পোৱালীৰ সৈতে ভেৰা

পোৱালীৰ সৈতে কেংগেৰু



পোৱালীৰ সৈতে হাতী

পোৱালীৰ সৈতে জেব্ৰা

পোৱালীৰ সৈতে কুকুৰ



PRIME MINISTER'S HOUSE
NEW DELHI

June 9, 1960

MESSAGE

I am interested to learn of the children's magazine "Chandamama". It is rather an unusual feat to issue a children's periodical in six languages. I wish it success.

Jawaharlal Nehru

CHANDAMAMA (Assamese) November 2011 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12